# প্ৰথম অধ্যায়

# অসমীয়া আঞ্চলিক উপন্যাসৰ ধাৰা আৰু শীলভদ্ৰৰ উপন্যাস

মানৱ সমাজত সাধুকথা কোৱাৰ প্ৰৱণতা প্ৰাচীন কালৰ পৰা পৰম্পৰাগতভাৱে চলি আহিছে। ভূত-প্ৰেত, জীৱ-জন্তু, দেৱ-দেৱী, ৰজা-ৰাণী আদিৰ বিভিন্ন মিথ্ আৰু কল্পিত কাহিনীৰ ওপৰত ভিত্তি কৰি লোক সমাজত সাধুকথাৰ উৎপত্তি। সাধুকথা মৌখিক সাহিত্যৰ অৰ্ন্তগত। মৌখিক সাহিত্যত ব্ৰতকথা, ৰূপকথা, উপকথা আদি বিশেষভাৱে উল্লেখযোগ্য। লোক সমাজত সাধুকথা কোৱা আৰু শুনাৰ পৰম্পৰা অতি প্ৰাচীন। ই ধাৰকৰ মুখত বিভিন্ন ৰূপ লয়। ধাৰকৰ পৰিৱৰ্ত্তিত ৰূপত সমাজচেতনা আৰু ব্যক্তিচেতনাৰ প্ৰকাশ ঘটে। ব্যক্তিচেতনা আৰু সমাজচেতনা সাহিত্যৰ অন্যতম উপাদান। সাধুকথা প্ৰাচীন মৌখিক সাহিত্যৰ এটি অন্যতম শাখা। সাধুকথাবোৰত উপন্যাসৰ বীজ অংকুৰিত হৈ আছে, এই প্ৰসংগত শ্ৰীকুমাৰ বন্দোপাধ্যায়ে উল্লেখ কৰিছে—

> *'আমাদেৰ দেশেৰ প্ৰাচীন সাহিত্যেৰ সমস্ত ছদ্মবেশেৰ মধ্য দিয়া উপন্যাসেৰ প্ৰথম অংকুৰ ও আদি লক্ষণগুলি আৱিস্কাৰ কৰা যায়।'* [১]

সাধুকথাত এটি নিটোল কাহিনী আৰু বৈশিষ্ট্য সম্পন্ন চৰিত্ৰ থাকে। চৰিত্ৰসমূহ মানুহ, ভূত-প্ৰেত, জীৱ-জন্তু, দেৱ-দেৱী, ৰজা-ৰাণী আদি হ'ব পাৰে। ইয়াৰ অন্তৰালত এটি মহৎ উদ্দেশ্য লুকাই থাকে, যিয়ে লোক সমাজক চৰিত্ৰ গঠন আৰু নৈতিকতাৰ পাঠ শিকায় আৰু সমাজ গঠনত বলিষ্ঠ পদক্ষেপ গ্ৰহণ কৰে। ঠিক তেনেদৰে মানুহ আৰু মানৱ সমাজৰ কাহিনী, পটভূমি আৰু চৰিত্ৰক লৈ কল্পনাৰ ৰহণ সানি শিল্পকলাৰ সহায়ত বাস্তৱ চিত্ৰ ৰূপায়িত হয়, তেতিয়া ই হৈ পৰে উপন্যাস।

## উপন্যাস আৰু উপন্যাসৰ সংজ্ঞা ঃ

সংস্কৃত সাহিত্যত 'গল্প' শব্দটি 'কথা' নামে পৰিচিত। মৌখিক সাহিত্যত উপকথা,

সাধুকথা, ৰূপকথাৰ দৰে ভাৰতীয় সাহিত্যতো কথা শব্দটিৰ লগত জড়িত গ্ৰন্থৰ নাম উল্লেখ পোৱা যায়। যেনে- বৃহৎকথা, কথাসৰিৎসাগৰ। 'কথা' আৰু 'কথম্' সংস্কৃতত সমাৰ্থক শব্দ। 'কথম্' সাধাৰণতে প্ৰশ্নবোধক অৰ্থত ব্যৱহৃত হয়। 'কথা' শব্দৰ ধাতুগত অৰ্থ এটা প্ৰশ্ন- 'তাৰ পাছত?' অৰ্থাৎ আগলৈ কি হ'ব, কি ঘটিব আৰু কি হ'ব পাৰে, এনে চিন্তাৰ অৱকাশ সাধুকথাত থাকে। সাধুকথাই কওঁতা আৰু শ্ৰোতাৰ মাজত সম্পৰ্ক গঢ়ি তোলে আৰু ইয়ে শ্ৰোতাৰ মনত কৌতূহল আৰু চিন্তাৰ খোৰাক যোগায়। সাধুকথাৰ মূল চৰিত্ৰ দেৱ-দেৱী, ৰজা-ৰাণী, জীৱ-জন্তু আদিৰ মাজত যি কথোপকথন, তাত চিন্তা, প্ৰশ্ন, বিস্ময়, কৌতূহল আৰু কল্পনাৰ প্ৰকাশ ঘটে। ই সমাজ জীৱনৰ বিভিন্ন স্তৰৰ কাহিনীৰ মাধ্যমত বাস্তৱ চিত্ৰ তুলি নধৰাকৈ নাথাকে। সেয়েহে সাধুকথা আৰু কথাসাহিত্যৰ মাজত এক সম্পৰ্ক আছে। কথাসাহিত্য মানৱ জীৱন সম্পৰ্কিত বাস্তৱ সমাজৰ চিত্ৰ, য'ত শিল্পকলা সন্মতভাৱে মননশীল বৰ্ণনা আৰু সাৱলীল কাহিনী গদ্য আকাৰত গতি কৰে।

উপন্যাস কি? এই প্ৰশ্নৰ উত্তৰ একাষাৰত কোৱা টান। উপন্যাস সম্পৰ্কত সমালোচক সকলৰ মাজত মত বিৰোধ দেখা যায়। সমালোচক সকলে উপন্যাস সম্পৰ্কত যি ধাৰণা কৰিছে, সেই ধাৰণা নবীন ঔপন্যাসিক সকলে সলনি কৰি দিছে। নতুন আৰু নতুনত্ব শিল্পকলা, শৈলী আৰু পদ্ধতি প্ৰয়োগৰ দ্বাৰা উপন্যাসৰ ধাৰণা সলনি হৈ আহিছে। উপন্যাস গতিশীল প্ৰক্ৰিয়াৰে কাহিনীৰ মাধ্যমত বিষয়বস্তু গঢ়লৈ উঠে। য'ত মানৱ-জীৱনৰ সৰু-বৰ বাস্তৱ ঘটনা, আশা- আকাংশা, আৱেগ-অনুভূতি জড়িত নেপথ্যৰ বহু কথা প্ৰকাশিত হয়। সেইবাবে উপন্যাস মননশীল আৰু জনপ্ৰিয়। উপন্যাস যে এটা কাহিনী বা ঘটনা নিৰ্ভৰ প্ৰকৃতাৰ্থত তেনে নহয়, ঘটনাক কেন্দ্ৰ কৰি সৃজনশীলতাৰ আংগিক কলা-কৌশল প্ৰয়োগৰ জৰিয়তে মানৱ সমাজৰ চিত্ৰ উন্মোচিত কৰা হয়। কেৱল কাহিনীৰ ভিত্তিত যদি উপন্যাস সৃষ্টি হ'লহেঁতেন, তেন্তে উপন্যাস জন্ম হোৱাৰ বহু বছৰ আগতে কাহিনীযুক্ত গ্ৰন্থ ৰামায়ণ, মহাভাৰতৰ সৃষ্টি নহ'লহেঁতেন। মানৱ জীৱন আৰু সমাজ বিৱৰ্তনৰ লগে লগে উপন্যাসৰ ৰূপ কাহিনীৰ আধাৰত নতুন প্ৰাণ পাই উঠিছে। ফলত উপন্যাসৰ নিখুঁত সংজ্ঞা দিয়া সম্ভৱ নহয়। বিষয়বস্তুৰ ভাব-ভাষা-ভঙ্গী, শিল্পীৰ আৱেগ আৰু মনৰ বৈচিত্ৰ্য সদায় শিল্পকলা বুলি উপন্যাসত স্বীকৃতি পাই আহিছে। উপন্যাস যিমানেই বাস্তৱ নহওঁক কিয় কল্পনা আৰু সৃজনশীলতাৰ পৰা সম্পূৰ্ণ মুক্ত নহয়। উপন্যাসত

মানৱ জীৱনৰ ৰঙ আৰু সুখ-দুখৰ বাস্তৱ চিত্ৰ ঔপন্যাসিকে নিজ মনৰ তুলিকাৰে যেতিয়া চিত্ৰিত কৰে, তেতিয়া ই হৈ উঠে উপন্যাস। এক কথাত ই মানুহৰ মনৰ কথা, সমাজ-জীৱনৰ কথা য'ত পৰিপূৰ্ণ আৰু সাৰ্থকভাৱে নেপথ্যৰ বহু কাহিনী প্ৰকাশ কৰিব পৰা যায়। অৰ্থাৎ উপন্যাস হ'ল জীয়া মানুহৰ জীৱনৰ কথা।

উপন্যাস মূলত গদ্য আখ্যান। M.H. Abrams ৰ 'A Glossary of Literary terms' গ্ৰন্থত উল্লেখ আছে—

> *'As an extended narrative, the novel is distinguished from the short story and from the work of middle lenght called the 'novelette'; its magnitude permits a greater variety of characters, greater complication of plot (a plot), an ampler development of milieu, and a more sustained and subtle exploration of character than do shorter, hence necessarily more concentrated, modes.'* [2]

ইউৰোপীয় ভাষাত 'novel' বুজাৱলৈ 'roman' কল্পকাহিনী হিচাপে প্ৰচলিত হৈ আহিছে। ইটালিয়ান ভাষাত 'novella' (tale, piece of news), যাৰ অৰ্থ 'a litlte new things'. ভাৰতীয় সাহিত্যত 'novel' শব্দটি 'উপন্যাস' হিচাপে বহল প্ৰচলিত। 'হেমকোষ' অভিধানত 'উপন্যাস'ৰ অৰ্থ 'সজা উপাখ্যান বা মিছা সাধুকথা' বুলি উল্লেখ আছে। কিন্তু সময় আৰু মানৱ সমাজ জীৱন পৰিৱৰ্তনশীল। মানৱ সমাজ জীৱনৰ পটনিৰ্ভৰশীল উপন্যাসৰ প্ৰধান উপাদান। এই পটনিৰ্ভৰশীলতা ঔপন্যাসিকৰ অভিজ্ঞতাৰ ফচল। গতিকে 'হেমকোষ' অভিধানত উল্লিখিত উপন্যাসৰ অৰ্থ বৰ্তমান অচল। উপন্যাসৰ গতি প্ৰকৃতিৰ ওপৰত ভিত্তি কৰি 'চন্দ্ৰকান্ত' অভিধানত উল্লিখিত 'উপন্যাস'ৰ অৰ্থ 'প্ৰকৃত জীৱনৰ চিত্ৰ থকা সজা গল্প।' ইয়ে বৰ্তমান সংজ্ঞা নিৰূপিত উপন্যাসৰ অৰ্থটি গ্ৰহণযোগ্য।

**উপন্যাসৰ বিশেষত্ব ঃ**

উপন্যাস হৈছে মানৱ সমাজ জীৱন সম্পৰ্কিত দলিল। উপন্যাসত মানৱ মনৰ দ্বন্দ্ব,

জীৱন গাঁথা আৰু সমাজৰ বিৱৰ্তন পূৰ্ণাংগ আৰু পৰিপূৰ্ণভাৱে প্ৰকাশ কৰিব পৰা যায়। উপন্যাসত যে মানৱ জীৱনৰ ছবিয়ে প্ৰকাশ পায়, ঠিক তেনে নহয়, বৰং বৰ্তমানৰ লগত অতীত আৰু ভৱিষ্যতৰ ইংগিত বহন কৰে। অতীত মানেই যে ইতিহাসৰ তথ্য আৰু চৰিত্ৰৰ বৰ্ণনা থাকিব লাগিব, তেনে নহয়। অতীতৰ ৰাস্তৱ ঘটনা চৰিত্ৰৰ লগত বৰ্তমানৰ চৰিত্ৰৰ অংগাঙ্গী সম্পৰ্কযুক্ত ঘটনা বিন্যাসেৰে কাহিনী নিৰ্দিষ্ট দেশ কাল পাত্ৰ আৰু অতীতৰ অতীত কাহিনী কল্পিত বাস্তৱ সন্মতভাৱে পুনৰ্জীৱিত হয়।এই প্ৰসংগত প্ৰহলাদ কুমাৰ বৰুৱাই উল্লেখ কৰিছে —

> *‘ৰজনীকান্ত বৰদলৈৰ উপন্যাসৰ ৰজা, ডা ডাঙৰীয়া আৰু মিঙ্গিমাহাৰ দৰে সেনাপতিৰ চৰিত্ৰ বুৰঞ্জীৰ সঁচা ঘটনাৰ বাবে উজ্জ্বল হৈ উঠা নাই। এই সঁচা চৰিত্ৰবোৰৰ স্বচ্চতা প্ৰকাশ পাইছে মনোমতী, ৰহদৈ, ৰঙিলী, পদুমী আৰু পমিলা দৰে কাল্পনিক চৰিত্ৰবোৰৰ বাবেহে। কাৰণ এনে ধৰণৰ কাল্পনিক চৰিত্ৰবিলাকৰ লগত বুৰঞ্জীৰ সঁচা চৰিত্ৰবোৰক জড়িত কৰি আচলতে চৰিত্ৰবোৰৰ মৌলিক মানৱীয় প্ৰকৃতিবোৰক পোহৰলৈ অনা হৈছে।’* [৩]

ঐতিহাসিক বা সামাজিক উপন্যাসেই নহওঁক কিয়, তাত কেৱল পৰিচিত মানৱ জীৱনৰ কীৰ্তি-কলাপ, আৱেগ-অনুভূতি, দ্বন্দ্ব-সংঘাত আদি সহজ-সৰল ভাষাত প্ৰকাশ কৰা হয়। জীৱনৰ নৈতিক সংকট, ঘটনা আৰু পৰিস্থিতি ঔপন্যাসিকৰ আলোচ্য বিষয়। ফলত মানুহ যে নৈতিক আৱেগত বিক্ষোভৰ মাজত থাকি আচাৰ আচৰণগত যি সমস্যা সৃষ্টি হয় আৰু মানৱ সমাজত নিত্য-নতুন সমস্যাৰ সৃষ্টি কৰে, সেই সমস্যাৰ লগত ঔপন্যাসিকৰ প্ৰত্যক্ষ সম্পৰ্ক। এই প্ৰসংগত E.M. Foster উল্লেখ কৰিছে—

> *‘The novel is sogged with humanity, there is no escaping the uplit and the downpour, nor then be kept out of criticism.’* [৪]

সমালোচনা আৰু জটিলতাৰ মাজেদি ঔপন্যাসিকে বস্তু জগতৰ আহৰিত তথ্য আৰু জ্ঞানৰ ওপৰত ভিত্তি কৰি অপাৰ মানসিক ক্ষমতাৰ জৰিয়তে সমগ্ৰ জীৱন আৰু জীৱনৰ কীৰ্তি-কলাপ জীৱনী ৰূপত গঢ়ি তোলে। সেয়েহে উপন্যাস বাস্তৱৰ ভেটিত নিৰ্মিত আৰু গদ্যত ৰচিত এক দীৰ্ঘতম স্বতন্ত্ৰ কথাশিল্প। দেবীপদ ভট্টাচাৰ্যই উপন্যাস সম্পৰ্কত উল্লেখ কৰিছে—

*'উপন্যাসকে ব্যালাড, এপিক, নভেল বা তথাকথিত ৰোমান্সেৰ কালানুক্রমিক পৰিণতি বলা সঙ্গত নয়। বৰং উপন্যাস নতুন সৃষ্টি, নতুন সমাজ মানসেৰ সৃষ্টি।'* [৫]

ঔপন্যাসিক এজন যেতিয়া উপন্যাস লিখাৰ কথা মগজুত সোমাই লয়, তেতিয়া বিষয়বস্তু বা ঘটনাৰ প্রণালীৱদ্ধ উপস্থাপনৰ মাধ্যমত চৰিত্রৰ বৰ্ণনা, বৰ্ণনাৰ কৌশল আৰু গদ্যশৈলীৰ চিত্রপট আঁকি লয়, যিয়ে বিষয়বস্তুৰ স্বৰূপ প্রকাশৰ বাবে নতুন নতুন শিল্পকেন্দ্রিক ধাৰণা আনি দিয়ে। অন্তৰ জগত বা মনোজগতত বিচৰণ কৰা দৃষ্টি সামাজিক পটভূমিৰ উপস্থাপন ৰীতিয়ে সাম্প্রতিক কালৰ উপন্যাসৰ গতি-প্রকৃতি সলনি কৰি দিছে। সেয়ে সাম্প্রতিক কালৰ উপন্যাসৰ গতি-প্রকৃতিৰ প্রতি লক্ষ্য ৰাখি উপন্যাসৰ বিশেষত্বসমূহ তলত দিয়া ধৰণে উল্লেখ কৰিব পাৰি।

ক) উপন্যাস মানৱ সমাজ জীৱনৰ দলিল। ই বাস্তৱ সন্মত ৰূপে আত্মপ্রকাশ কৰে।

খ) সাৰ্থক উপন্যাস সত্যান্বেষী।

গ) উপন্যাসে ইতিহাস আৰু জীৱনী আশ্রয়ী তথ্যৰ সহায়ত প্রাত্যহিক সমাজ আৰু বাস্তৱতাৰ আক্ষৰিক সত্যৰ অনুসন্ধান কৰে।

ঘ) উপন্যাস গদ্যত ৰচিত হ'লেও ই কাব্যিক সুৰৰ পৰা সম্পূৰ্ণ মুক্ত নহয় আৰু চৰিত্রৰ সংলাপ নাটকীয় গুণ সম্পন্ন।

ঙ) নতুন আংগিক প্রয়োগৰ সহায়ত ঔপন্যাসিক কল্পনা আশ্রয়ী কাহিনীৰ মাধ্যমত মানুহৰ মনোজগতৰ মনস্তাত্বিক দিশ বিশ্লেষণ কৰে।

**আঞ্চলিক উপন্যাস ঃ**

উপন্যাস প্রধানতঃ সমাজ সচেতন শিল্পকৰ্ম। উপন্যাসৰ বিষয় মানুহ আৰু সমাজ। মানুহৰ জীৱনৰ বাস্তৱতা আৰু কল্পনা জগতক কেন্দ্ৰ কৰিয়ে উপন্যাস ৰচিত হয়। সেয়েহে সকলোবোৰ উপন্যাস সামাজিক উপন্যাসৰ অন্তৰ্গত। ই ঐতিহাসিক বা আঞ্চলিক উপন্যাসেই নহওঁক কিয়, সমাজৰ লগত জড়িত ৰাজনীতি, অৰ্থনীতি, শিক্ষানীতি, সমাজনীতি, ইতিহাস আদি যিকোনো প্রকাৰে উপন্যাসত সন্নিৱিষ্ট হয়। উপন্যাসৰ কেন্দ্ৰস্থল প্রচলিত সমাজ, য'ত

চৰিত্ৰ আৰু ঘটনা সমাজৰ উপকৰণ মাত্ৰ, মানৱ জীৱনৰ চিত্ৰ চিত্ৰিত হয় শিল্প সন্মতভাৱে, সেয়াই সামাজিক উপন্যাস। বিষয়বস্তু, প্লট বা সংযুতি আৰু মনোভংগীৰ ফালৰ পৰা উপন্যাসৰ যিবোৰ ভাগ পোৱা যায়, প্ৰতিটো ভাগৰ মূল উৎস জীৱনৰ অভিজ্ঞতা। জীৱনৰ অভিজ্ঞতাক যেতিয়া শিল্প অভিজ্ঞতাৰ মাধ্যমত বহিঃপ্ৰকাশ ঘটাব পৰা যায়, তেতিয়া ই হৈ উঠে উপন্যাস। বিশেষকৈ ৱিষয়বস্তুৰ নতুন ধাৰণা, নিত্য নতুন চিন্তা-চৰ্চা আৰু ক'লা-কৌশলৰ প্ৰয়োগে উপন্যাস সাহিত্যক নতুন মাত্ৰা প্ৰদান কৰিছে। ইয়ে উপন্যাস সাহিত্যত নতুন নতুন সুঁতিৰ সংযোজন ঘটাইছে। উপন্যাস সাহিত্যত আঞ্চলিক উপন্যাসৰ সুঁতি এক নতুন সংযোজন।

সাম্প্ৰতিক কালত এক শ্ৰেণীৰ উপন্যাস হ'ল আঞ্চলিক উপন্যাস। ই সামাজিক উপন্যাসৰ অন্তৰ্গত। অৱশ্যে কিছুমানে ক'ব খোজে আঞ্চলিক উপন্যাস সামাজিক উপন্যাসৰ অন্তৰ্গত নহয়। তেওঁলোকৰ যুক্তি সামাজিক উপন্যাসৰ পৰিসৰ বহল আৰু বিস্তৃত, আনহাতে আঞ্চলিক উপন্যাসৰ পৰিসৰ সীমিত। ই একেবাৰে যুক্তি অসংগত কথা। কাৰণ অঞ্চলক বাদ দি সমাজ গঢ় ল'ব নোৱাৰে। সমাজ গঢ়ে মানুহে সচাঁ, কিন্তু সমাজ গঢ়াত অঞ্চল বিশেষৰ মাটি, বায়ু, পানীৰ প্ৰাকৃতিক পৰিৱেশৰ ওপৰত সমাজ নিৰ্ভৰশীল। সেয়ে অঞ্চল আৰু সমাজৰ সম্পৰ্ক নিবিড়। গতিকে আঞ্চলিক উপন্যাস সামাজিক উপন্যাসৰ অন্তৰ্গত। সমাজৰ বাস্তৱ পটভূমিৰ ওপৰত নজৰ ৰাখি ভৌগোলিক অৱস্থান আৰু পৰিচিত পৰিৱেশৰ মাজেৰে ঔপন্যাসিকে জীৱনৰ ব্যাপ্তি আৰু গভীৰতা বিচাৰি পায়, য'ত কোনো এটি বিশেষ অঞ্চল বা তাৰ প্ৰাকৃতিক, সামাজিক, মানৱিক বাস্তৱতা ফুটি উঠে। সেই অৰ্থে হয়তো প্ৰায়বোৰ উপন্যাসক আঞ্চলিক উপন্যাসৰ শাৰীত ধৰিব পাৰি। কিন্তু সমাজ বা কোনো এটি অঞ্চলৰ প্ৰতিচ্ছবি প্ৰকাশ পোৱা উপন্যাস পূৰ্ণাংগ আঞ্চলিক উপন্যাস হ'ব নোৱাৰে। আঞ্চলিক উপন্যাস হ'বলৈ হ'লে কোনো এটি অঞ্চলৰ আদিম জনগোষ্ঠীয় অঞ্চল, নৈপৰীয়া মানুহৰ জীৱনৰ বাস্তৱ চিত্ৰ আৰু ভৌগোলিক পৰিৱেষ্টনীৰ মাজত আৱদ্ধ ভাষা-কৃষ্টি আৰু জীৱন-জীৱিকাৰ অহৰহ সংগ্ৰামযুক্ত মানৱ জীৱনৰ কাহিনী সম্বলিত বাস্তৱ প্ৰতিচ্ছবি প্ৰতিফলিত হোৱা উপন্যাসক সাধাৰণ অৰ্থত আঞ্চলিক উপন্যাস বুলিব পাৰি। অৰ্থাৎ কোনো ঔপন্যাসিক যেতিয়া কোনো বিশেষ অঞ্চলৰ মানুহৰ জীৱনযাত্ৰা, সামাজিক ৰীতি-নীতি, আচাৰ-ব্যৱহাৰ, ভাষা-কৃষ্টি, প্ৰাকৃতিক পৰিৱেশ, অন্ধবিশ্বাস, কু-সংস্কাৰ আৰু সংস্কাৰৰ জৰিয়তে উপন্যাসত চিত্ৰিত চৰিত্ৰসমূহ সেই বিশেষ

অঞ্চলৰ বাস্তৱ পৰিৱেশৰ শক্তি আৰু সত্তাৰ প্ৰতীক হৈ উঠে, সেই অঞ্চলৰ মানুহৰ লগত অন্তৰংগ আত্মিক ঘনিষ্ঠতা, সুখ-দুখৰ মৰ্মবেদনা স্বতন্ত্ৰ ৰূপত চৰিত্ৰত প্ৰতিফলন ঘটে, তদুপৰি অঞ্চলগত মানুহৰ দৈহিক গঠন, কথা কোৱাৰ ভংগী, ভাষাৰ উচ্চাৰণ, লোক-কৃষ্টিৰ অবিকল বৰ্ণনা আৰু উপস্থাপনৰ মাধ্যমত ঔপন্যাসিকে শিল্পসন্মতভাৱে ৰস্বাদান আৰু মনৰ অভিজ্ঞতাৰ তুলিকাৰে জনজীৱনৰ স্থানীয় চিত্ৰ তুলি ধৰে, তেনেধৰণৰ ৰচনাক আঞ্চলিক উপন্যাসৰ শাৰীত ধৰিব পাৰি। আঞ্চলিক উপন্যাসৰ বিষয়বস্তু মূলতঃ কোনো অঞ্চলৰ নদী প্ৰধান, গোষ্ঠী প্ৰধান, পৰ্বত প্ৰধান, ৰাষ্ট্ৰীয় সীমা ভিত্তিক জীৱন-জীৱিকাৰ সংগ্ৰামৰ মাধ্যমত গঢ়লৈ উঠা কৰ্মসংস্কৃতি, নিম্নশ্ৰেণী আৰু মধ্যবিত্ত শ্ৰেণীৰ মানুহৰ জীৱন-জীৱিকাৰ অহৰহ সংগ্ৰাম, কষ্টসহিষ্ণুতা, শ্ৰম দক্ষতাৰ পৰিচয়ৰ ঘটনাগত ক্ৰিয়া-প্ৰতিক্ৰিয়াৰ পৰিসীমিত অঞ্চল বিশেষৰ বৈশিষ্ট্যৰ ভেটি। অৰ্থাৎ কোনো নদীৰ লগত ঘনিষ্ঠতা গঢ়ি উঠা জনগোষ্ঠীয় জীৱনৰ কথা, কোনো ভৌগোলিক অঞ্চল বিশেষৰ জীৱন-যাপন, জীৱিকা তথা আঞ্চলিক জীৱন দৰ্শনৰ ইতিবৃত্ত প্ৰকাশ পায় আঞ্চলিক উপন্যাস অভিধাটিত।

**আঞ্চলিক উপন্যাসৰ সংজ্ঞা আৰু বৈশিষ্ট্য ঃ**

উপন্যাস সাহিত্যৰ ক্ষেত্ৰত 'আঞ্চলিক' অভিধাটি বিংশ শতিকাৰ দ্বিতীয়াৰ্দ্ধৰ পৰা এক বৈচিত্ৰ্যময় গতিৰে যাত্ৰা আৰম্ভ কৰিছে। যাক ইংৰাজীত 'Regional novel', বুলি কোৱা হয়। ভাৰতীয় বিভিন্ন ভাষা তথা অসমীয়াত 'Regional novel' ৰ প্ৰতিশব্দ হিচাপে 'আঞ্চলিক উপন্যাস' অভিধাটি গ্ৰহণ কৰা হৈছে। অৱশ্যে আঞ্চলিক উপন্যাসৰ প্ৰসংগত অঞ্চল শব্দৰ অৰ্থ সীমাৱদ্ধ হৈ পৰিছে। অঞ্চল শব্দই কোনো ভূখণ্ড বা দেশ বা প্ৰান্তভাগ অৰ্থক বুজায়। যাৰ ভৌগোলিক অৱস্থান, ঐতিহাসিক পৰম্পৰা, ভাষা-সংস্কৃতিৰ নিজস্ব ৰূপৰ বিভিন্ন সমস্যা আৰু আধুনিকতাৰ বতাহে সাধাৰণ জীৱন জড়িত সমাজক স্পৰ্শ কৰিব নোৱাৰে, য'ত লুকাই থাকে নিজস্বতা আৰু স্থানীয় ৰঙৰ সবিশেষ, সেয়াই অঞ্চল। ইংৰাজীত 'Region' মানে 'অঞ্চল' (a part of it) অৰ্থাৎ 'local colour' বা 'স্থানীয় চিত্ৰ'। 'Local colour' ৰ তাৎপৰ্য সম্পৰ্কত L.T. Lemon য়ে উল্লেখ কৰিছে —

*'Generally 'local colour' is a mildly pejorative term*

*describing works that however pleasant, have little value other than the portrayal of life in a given area. ‘Regional’ usually implies wider interest, and is occasionally used even for writers such as Herdy or faulkner whose works tends to be centered in a particullar geographical area but which also has a more general interest. But movements were influenced by and contributed to realism and its demand for literal accuacy.’* [৬]

‘আঞ্চলিক উপন্যাস’ৰ সাধাৰণ অৰ্থ ‘Novel of the local colour’ বা ‘Novel of the soil’ বুলি অভিহিত কৰিব পাৰি। সাধাৰণত ‘local colour’ এটি সামান্য ‘pejorative’ শব্দ যিটোৱে সুখ্যপাঠ্য কৰ্মসমূহক সূচায়, যিবোৰৰ নিৰ্দিষ্ট এটি অঞ্চলৰ জীৱনৰ চিত্ৰ অঙ্কনৰ ব্যাতিৰেক আন কোনো মূল্য নাই। ফলত কোনো ক্ষেত্ৰ বিশেষ বা অঞ্চলক লৈ যেতিয়া সাহিত্য সৃষ্টিৰ প্ৰচেষ্টা আৰম্ভ হ’ল তেতিয়াৰ পৰা ‘আঞ্চলিকতা’ শব্দটো ব্যৱহাৰ হ’বলৈ ধৰিলে। পিছলৈ ‘আঞ্চলিকতা’ বুলি এটি শ্ৰেণীৰ ৰূপত পৰিণত হ’ল। আঞ্চলিকতাৰ অৰ্থ হ’ল অঞ্চল বিশেষৰ জীৱনৰ সত্য উদঘাটন কৰা। কোনো অঞ্চলৰ ভৌগোলিক বা সামাজিক বা সাংস্কৃতিক সীমাৰদ্ধতা আগত ৰাখি কোনো এক বিশেষ অঞ্চলৰ সমাজ জীৱনৰ সত্যৰ একক ৰূপতাৰ নিদৰ্শন, দেশ, কাল, জাতি, ধৰ্মৰ ভৌগোলিক স্থিতি, ভাষা-সংস্কৃতি, লোক-সাহিত্য, সমাজ পদ্ধতি, আচাৰ-ব্যৱহাৰৰ মনোবৈজ্ঞানিক দৃষ্টিভংগীৰ প্ৰকাশ আৰু অঞ্চলগত সমাজ জীৱনৰ স্বীকৃতিয়ে হ’ল আঞ্চলিকতা। অৰ্থাৎ অঞ্চল বিশেষৰ ভৌগোলিক সন্ধানৰ নামে হ’ল আঞ্চলিকতা। এই সন্ধান অঞ্চল বিশেষৰ সমাজ জীৱনৰ হাড়ে-হিমুজুৰে লুকাই থকা সংস্কৃতি আৰু ইতিহাসৰ সন্ধান। আঞ্চলিকতাবাদীয়ে সৰ্বপ্ৰথম অঞ্চলক গুৰুত্ব দিয়ে আৰু সেই অঞ্চলৰ মাটিৰ গোন্ধ থকা তথ্যৰ সন্ধান কৰে। ‘আঞ্চলিকতা’ সন্ধানৰ মূল তত্ত্ব দুটা —

(ক) অঞ্চল বিশেষৰ সত্য অনুসন্ধান কৰা আৰু

(খ) ভৌগোলিক পৰিসীমাৰ অৱস্থানগত জনসংখ্যা অন্তৰ্ভুক্ত কৰণ।

কোনো অঞ্চল বিশেষৰ সমাজ জীৱনৰ অধ্যয়ন আৰু তাৰ বাস্তৱ চিত্ৰায়ণ, যিয়ে সমগ্ৰ অঞ্চল বা ভূখণ্ডক সাঙুৰি ভৌগোলিক, সামাজিক, অৰ্থনৈতিক আৰু সাংস্কৃতিক ৰূপ তুলি ধৰে সিয়ে আঞ্চলিকতা। আঞ্চলিক উপন্যাসত জীৱন সত্যৰ বিভিন্নতা আৰু একক ৰূপতাৰ নিদৰ্শনৰ লগতে অঞ্চল বিশেষক প্ৰধান চৰিত্ৰ ৰূপে তুলি ধৰাটোৱে আঞ্চলিক উপন্যাসৰ উদ্দেশ্য।

বিংশ শতিকাত উপন্যাসৰ অঞ্চলগত পটভূমি, বিষয়বস্তু আৰু বৈশিষ্ট্যগত দিশৰ ওপৰত ভিত্তি কৰি সমালোচকসকলে বিশেষ ধৰণৰ উপন্যাসক 'আঞ্চলিক উপন্যাস' নামে অভিহিত কৰাৰ প্ৰৱণতা দেখা পোৱা যায়। বিশেষকৈ অঞ্চল বিশেষৰ সমাজ জীৱন চৰ্চাক কেন্দ্ৰ কৰি উপন্যাসত জীৱনৰ যি খাটি আৰু বাস্তৱ চিত্ৰৰ ঘটনা-প্ৰৱাহ অতি নিষ্ঠাৰে আলোকপাত কৰিব পাৰি, সিয়ে আঞ্চলিক উপন্যাস। আঞ্চলিক উপন্যাসৰ সুনিৰ্দিষ্ট সংজ্ঞা নিৰূপণ কৰা সম্ভৱ নহয় যদিও কোনো অঞ্চল বিশেষৰ স্থানীয় ৰঙ সম্বলিত সামগ্ৰিক পৰিচয়ৰ সুকীয়া সত্তা বহনকাৰী সাহিত্য কৰ্মকে আঞ্চলিক উপন্যাসৰ শ্ৰেণীভুক্ত কৰিব পাৰি। গতিকে এই শ্ৰেণীৰ সাহিত্যত উপন্যাসৰ সংজ্ঞা নিৰূপণৰ চেষ্টাও অব্যাহত আছে। সাধাৰণ অৰ্থত আঞ্চলিক উপন্যাস বুলি ক'লে আমি ইয়াকে ক'ব পাৰি যে, পৰিয়াল, গাঁও, জিলা, প্ৰদেশ, ৰাজ্য, দেশ তথা বিশ্বৰ সামাজিক প্ৰথা, ব্যক্তি জীৱনৰ সমস্যা, আৰ্থিক পৰিস্থিতি, ৰাজনৈতিক বিচাৰ ধাৰা, দাৰ্শনিক সিদ্ধান্ত আদি যি উপন্যাসত আলোচনা হয়, স্থানীয় সমস্যাৰ ওপৰত গুৰুত্ব আৰোপ কৰা হয়, অঞ্চল বিশেষক প্ৰাধান্য দিয়া হয়, তেনেধৰণৰ উপন্যাসক আঞ্চলিক উপন্যাস ক'ব পৰা যায়। সেয়ে আঞ্চলিক উপন্যাসৰ সংজ্ঞা সম্পৰ্কত সত্যেন্দ্ৰনাথ শৰ্মায়ে উল্লেখ কৰিছে—

> *'কোনো এটা সীমিত অঞ্চলক পটভূমি ৰূপে কাহিনী তৰিলেই সি আঞ্চলিক উপন্যাস হ'ব নোৱাৰে। একোটা পৰিসীমিত খণ্ড বা অঞ্চলৰ জীৱন পদ্ধতি কথা-বাৰ্তাৰ স্বকীয় ৰীতি, স্থানৰ কালিকা, ৰীতি-নীতি, বিশ্বাস, অন্ধসংস্কাৰ, ভাষাৰ আঞ্চলিক বৈশিষ্ট্য যি উপন্যাসত ফুটি উঠে সেয়ে প্ৰকৃত অৰ্থত আঞ্চলিক উপন্যাস।'*[৭]

শ্ৰীকুমাৰ বন্দোপাধ্যায়ে তেখেতৰ 'বঙ্গসাহিত্যে উপন্যাসেৰ ধাৰা' গ্ৰন্থৰ 'সৃজমান উপন্যাস সাহিত্যে' অধ্যায়টিত উল্লেখ কৰিছে—

> *'এই জাতীয় উপন্যাসেৰ বৈশিষ্ট্য হইল অপৰিচয়েৰ ৰহস্যমণ্ডিত, সুদুৰ*

*ভৌগোলিক ব্যবধানে অবস্থিত কোনও অঞ্চলের বিশিষ্ট জনপ্রকৃতিৰ সামাজিক ৰীতি-নীতি ও ধৰ্মবিশ্বাস সংস্কাৰেৰ ব্যাপক চিত্ৰাঙ্কন, অথবা কোনও বিশেষ ধৰনেৰ বৃত্তিজীবিগোষ্ঠীৰ বিশিষ্ট জীবন বোধেৰ পৰিস্ফুটন।'*[৮]

উমেশ ডেকাই আঞ্চলিক উপন্যাস সম্পৰ্কত লিখিছে—

*'A regional novel is one which depicts the life style of confined region, its peculiarities of language, customs, superstitions, thought, beliefs etc.'* [৯]

অৰ্থাৎ আঞ্চলিক উপন্যাস হ'ল এনে এবিধ উপন্যাস যিয়ে সীমায়িত এটা অঞ্চলৰ জীৱনধাৰা, ইয়াৰ ভাষিক বৈশিষ্ট্য আৰু সামিজিক প্ৰথা, কু-সংস্কাৰ, চিন্তা আৰু বিশ্বাস। আঞ্চলিক উপন্যাস সম্পৰ্কত M.H Abrams য়ে উল্লেখ কৰিছে —

*'The regional novel emphasizes the setting speech, and customs of a particular locality, not merely as a local colour, but a important conditions affecting the temperament of the character's, and thier ways of thinking, feeling and acting.'*[১০]

Phyllis Bently য়ে আকৌ আঞ্চলিক উপন্যাস সম্পৰ্কত উল্লেখ কৰিছে—

*'The regional novel is the national novel, which concertrating on a particular region of a nation is concious of the characteristics which are unique to that region, and differentiate it from other in common motherland.'* [১১]

অৰ্থাৎ ই একশ্ৰেণীৰ জাতীয় উপন্যাস, যি উপন্যাসে নিৰ্দিষ্ট এটি অঞ্চলৰ উপৰিও কেন্দ্ৰীভূত হৈ সেই অঞ্চলৰ বিশেষ বৈশিষ্ট্যবোৰ সম্পৰ্কে সচেতন থাকে, সেই উপন্যাসক সাধাৰণ মাতৃভূমিৰ অন্যান্য উপন্যাসৰ পৰা পৃথক কৰে। গতিকে কোনো অঞ্চল বিশেষৰ পটভূমি, ভাষা আৰু প্ৰথাক তুলি ধৰে কেৱল 'Local colour' হিচাপে নহয়, বৰঞ্চ চৰিত্ৰ এটিৰ মন-মেজাজ, চিন্তাধাৰা, কৰ্মধাৰাক প্ৰভাৱিত কৰে গুৰুত্বপূৰ্ণ চৰ্ত হিচাপে।

সাম্প্ৰতিক সময়ত আঞ্চলিক উপন্যাস হৈ পৰিছে আধুনিক কথাসাহিত্যৰ আটাইতকৈ ব্যাপক এটি ক্ষেত্ৰ। য'ত দেশৰ সৰু-বৰ অনেক অঞ্চলৰ জনগাঁথনি, গছ-গছনি, ফুলনি, ভৌগোলিক বৈশিষ্ট্য, লোক-জীৱনৰ পটভূমি, প্ৰথা, ভাষা, পৰিৱেশৰ প্ৰভাৱ, ঐতিহ্য আৰু বিকাশ প্ৰক্ৰিয়া, প্ৰাকৃতিক দৃশ্য নাইবা মানৱ বসতিস্থলৰ নিৰক্ষণ আৰু বৰ্ণনাৰ এটি মাধ্যম ৰূপে চিহ্নিত কৰিব পৰা যায়। গতিকে আঞ্চলিক উপন্যাস কেৱল আঞ্চলিকতাৰ পৰিসীমাৰ মাজতে আৱদ্ধ নাথাকে, ই বিশ্বজনীন আৰু সাৰ্বজনীন পৰ্য্যায়লৈ ৰূপান্তৰিত হ'ব পাৰে। ৰচনাৰ কৌশলগত বিশিষ্টতা আৰু শৈল্পিক গুণৰ ওপৰত যেতিয়া অঞ্চল বিশেষৰ মানুহৰ সমাজ জীৱন-যাপন পদ্ধতি, সংকীৰ্ণ গ্ৰাম্য সমাজৰ পৰিধিৰ মাজত জীৱনধাৰাৰ ভিন্নতাৰ লগত জড়িত মাত-কথা, চাল-চলন, সামাজিক প্ৰেক্ষাপট, প্ৰাকৃতিক পৰিৱেশ, ৰীতি-নীতি, উৎসৱ-অনুষ্ঠান, হাঁহি-কান্দোন, আনন্দ-বেদনা, স্বপ্ন-স্বপ্নভংগ, প্ৰেম-বঞ্চনা, অন্যায়-অবিচাৰ আদিৰ স্বকীয় সত্তাৰ সামগ্ৰীক প্ৰতিফলনৰ বহিঃপ্ৰকাশ ঘটে আৰু কোনো অঞ্চল বিশেষৰ ওপৰত গুৰুত্ব আৰোপ কৰে নাইবা সেই অঞ্চল বিশেষৰ মাটি, বায়ু, পানীৰ সৈতে আত্মিক সম্পৰ্কৰে সম্পৰ্কান্বিত মানৱ জীৱন কাহিনী সম্বলিত যি কথাসাহিত্য, সিয়ে আঞ্চলিক উপন্যাস।

ঔপন্যাসিক এজনে যেতিয়া প্ৰচলিত উপন্যাস ৰচনাৰ পৰিৱৰ্তে 'আঞ্চলিক' বিশেষণ শব্দ প্ৰয়োগ কৰি আঞ্চলিক উপন্যাস ৰচনাৰ বাবে অগ্ৰসৰ হয়, তেতিয়া আঞ্চলিকতাৰ চেতনাবোধ, অঞ্চল বিশেষৰ ইতিহাস, ভাষা-সংস্কৃতিৰ অভিজ্ঞতা আৰু অধ্যয়নৰ বিশেষ প্ৰয়োজন। সেই দৃষ্টিকোণৰ পৰা আঞ্চলিক উপন্যাসৰ কিছু সুকীয়া বৈশিষ্ট্য তলত দিয়া ধৰণে উল্লেখ কৰিব পাৰি—

ক) আঞ্চলিক উপন্যাসৰ ঔপন্যাসিকে কোনো অঞ্চল বিশেষৰ ভৌগোলিক পৰিসীমাৰ অন্তৰ্গত সমাজ জীৱন সম্পৰ্কত জ্ঞান, অভিজ্ঞতা আৰু ধাৰণা থকা বৰকৈ প্ৰয়োজন। অৰ্থাৎ নিৰ্বাচিত অঞ্চলটোৱে হ'ব উপন্যাসৰ পটভূমি। তদুপৰি ঔপন্যাসিক যদি নিৰ্বাচিত অঞ্চলৰ বাসিন্দা হয়, তেন্তে সেই অঞ্চলৰ মাটি, বায়ু, পানীৰ লগত নিবিড় সম্পৰ্ক গঢ়ি উঠে। ফলত চিনাকি পৰিৱেশ আৰু আঞ্চলিক চেতনাৰ মাধ্যমত উপস্থাপন ৰীতি সহজ হৈ পৰে।

খ) নিৰ্বাচিত অঞ্চল বিশেষৰ লোক জীৱন পদ্ধতি আৰু সমাজ জীৱনৰ উত্থান-পতন, পৰম্পৰা, আচাৰ-ব্যৱহাৰ, উৎসৱ-অনুষ্ঠান সম্পৰ্কত ঔপন্যাসিক সচেতন হোৱা দৰকাৰ।

আঞ্চলিক উপন্যাসত অঞ্চল বিশেষৰ সামাজিক ৰীতি-নীতি আৰু সাংস্কৃতিক বৈশিষ্ট্য বিবৃত হয়।

গ) ঔপন্যাসিকে আঞ্চলিকতাৰ লগতে প্রকৃতিৰ চৰিত্রবোৰৰ মাজত পাৰস্পৰিক সম্পৰ্ক জীয়াই ৰখাটো প্রয়োজন আৰু চৰিত্রবোৰৰ স্ব-মহিমাৰ মাজেৰে এক বিশেষ দার্শনিক উপলব্ধি গ্রহণ কৰাত সহায় কৰে।

ঘ) আঞ্চলিক উপন্যাসৰ বিশেষ বিশেষত্ব আঞ্চলিক ভাষা আৰু সংলাপৰ ব্যৱহাৰ। আঞ্চলিক ভাষা আৰু সংলাপৰ ব্যৱহাৰে চৰিত্রবোৰক জীৱন্ত আৰু সজীৱ কৰি তোলে।

ঙ) ঔপন্যাসিকে যেতিয়া প্রচলিত উপন্যাস ৰচনাৰ পৰিৱৰ্তে আঞ্চলিক উপন্যাস ৰচনাৰ বাবে অগ্রসৰ হয়, তেতিয়া বৈচিত্র্য, অভিনৱত্ব, স্বাতন্ত্র্য আৰু বাস্তৱতা সৃষ্টিৰ প্রয়োজনত নির্বাচিত অঞ্চল বিশেষৰ ইতিহাস, নৃতত্ত্ব, ভূগোল, বিজ্ঞান আৰু সেই বিশেষ অঞ্চলৰ লোক জীৱনৰ সাংস্কৃতিক পৰম্পৰাগত সংস্কাৰ-কুসংস্কাৰ, লোককথাৰ লগতে সমাজ সংস্কৃতিৰ বিভিন্ন বিষয়ৰ ওপৰত অধ্যয়ন কৰাটো অতীৱ প্রয়োজন।

চ) আঞ্চলিক উপন্যাসৰ বিশেষ বিশেষত্ব হ'ল নির্বাচিত অঞ্চল। নির্বাচিত অঞ্চলটোৱে মুখ্য চৰিত্রৰ ৰূপত অৱতীর্ণ হয়। অঞ্চলটোৰ সংশ্লিষ্ট জন-জীৱনক লৈ গঢ় লয় এটি স্বতন্ত্র চৰিত্র। সেয়ে আঞ্চলিক উপন্যাসৰ ঔপন্যাসিকজন অভিজ্ঞতাপূর্ণ ব্যক্তি হোৱাটো বিশেষ প্রয়োজন। বিশেষকৈ প্রত্যক্ষ অভিজ্ঞতা আৰু সুক্ষ্ম দৃষ্টি ইয়াৰ ঘাই সমল।

## আঞ্চলিক উপন্যাসৰ উপাদান ঃ

আঞ্চলিক উপন্যাস ৰচোঁতা ঔপন্যাসিক সততে অঞ্চল বিশেষৰ লোক জীৱনৰ মাটি, বায়ু, পানীৰ সৈতে নিকট সম্বন্ধ গঢ়ি তোলে। বিশেষকৈ জীৱন-জীৱিকাৰ যন্ত্রণা আৰু অস্তিত্ব বজাই ৰখাৰ ব্যাকুলতা বিশুদ্ধ বৈশিষ্টতা প্রকাশৰ ক্ষেত্রত গুৰুত্ব আৰোপ কৰে। এনে দৃষ্টিকোণৰ পৰা আঞ্চলিক উপন্যাসত অনিবার্য আৱশ্যকতা স্বৰূপ কিছু দিশ মানি চলিবলগীয়া হয়। বিশেষকৈ আঞ্চলিক উপন্যাসত কথাবস্তুৰ বিশালতা, স্থানীয় ৰঙৰ প্রয়োগ আৰু উপস্থাপনৰ প্রকাশভংগীয়ে কিছু সুকীয়া উপাদান তুলি ধৰে।

ক) ভৌগোলিক অৱস্থান আৰু পৰিৱেশ

খ) আঞ্চলিকতা

গ) কথাবস্তু

ঘ) আঞ্চলিক ভাষা বা লোক ভাষা

ঙ) সাংস্কৃতিক উপাদান

চ) ধৰ্মীয় সংস্কৃতি

ছ) লোকাচাৰ আৰু লোকবিশ্বাস

জ) স্থানীয় ৰঙ

ঝ) লোকতন্ত্ৰ

**ক) ভৌগোলিক অৱস্থান আৰু পৰিৱেশ ঃ**

আঞ্চলিক উপন্যাসৰ সৰ্বপ্ৰথম উপাদান ভৌগোলিক অৱস্থান আৰু পৰিৱেশ। আঞ্চলিক উপন্যাসত কোনো অঞ্চল বিশেষৰ ভৌগোলিক অৱস্থান আৰু পৰিৱেশেই প্ৰেক্ষাপট নহয়, ক'বলৈ গলে ভৌগোলিক সত্তা আৰু জাতীয় চেতনা, সেই অঞ্চলৰ মানৱ জীৱন সম্পৰ্কিত অস্তিত্ব গঢ় লয় পৰিৱেশৰ ওপৰত। গতিকে বাস্তৱ প্ৰতিচ্ছবি ভৌগোলিক অৱস্থান আৰু পৰিৱেশে কোনো অঞ্চল বিশেষৰ ভৌগোলিক সংস্কৃতিৰ ঐতিহাসিক পৰম্পৰা বৰ্ত্তাই ৰাখি বৈজ্ঞানিক অধ্যয়নৰ প্ৰতি গুৰুত্ব আৰোপ কৰে। ভৌগোলিক উপাদানসমূহে লোক সমাজৰ সাজ-পাৰ, খাদ্যাভ্যাস, লোকাচাৰ, চিন্তা-ভাবনা, দৈহিক গঠন আৰু ভাষা সংস্কৃতিৰ নিজস্ব ৰূপ তুলি ধৰাত সহায় কৰে। বিশেষকৈ মাটি, বায়ু, পানীৰ লগত খাপ খাই পৰা লোক জীৱন, লোক সমাজৰ প্ৰতিটো মূহুৰ্তত পৰিৱেশৰ গুৰুত্ব অপৰিহাৰ্য। ভৌগোলিক পৰিসীমাৰ মাজত আৱদ্ধ পৰিৱেশে অঞ্চল বিশেষৰ সত্য উদ্‌ঘাটন কৰে।

**খ) আঞ্চলিকতা ঃ**

আঞ্চলিকতাৰ সংজ্ঞা প্ৰসংগত প্ৰফুল্ল কটকীয়ে উল্লেখ কৰিছে—

*'কোনো অঞ্চল বিশেষৰ বৈশিষ্ট্য তাৰ লোক সাধাৰণ, সিবিলাকৰ মাত-কথা, আচাৰ-ব্যৱহাৰ, চাল-চলন, ভাব-গতি ইত্যাদি যেতিয়া বিশদকৈ কোনোবা*

*লেখকৰ ৰচনাত সঘনে ব্যৱহাৰ কৰা হয় আৰু তাৰ যোগেদি সেই বিশেষ অঞ্চলৰ স্বকীয়তা পৰিস্ফুট হয়, তাকে আঞ্চলিকতা আখ্যা দিয়া হয়।'*[১২]

গতিকে একে ভূখণ্ডৰ অন্তৰ্গত কোনো বিশেষ অঞ্চলৰ সুকীয়া বিশেষত্ব থাকে। সামাজিক, সাংস্কৃতিক, শৈক্ষিক, অৰ্থনৈতিক পৰিকাঠামোৰ বিভিন্ন সমস্যাও সুকীয়া। সেইক্ষেত্ৰত একে ভূখণ্ডৰ অংগ হৈয়ো প্ৰতিটো অঞ্চল ঐতিহাসিক পটভূমি, ভাষা-সংস্কৃতিৰ বিশেষত্ব, লোক-পৰম্পৰাৰ স্থানীয় ৰহণ, দেশ, কাল, জাতি, ধৰ্ম, ভাষা আদিৰ ভৌগোলিক স্থিতি, আৰ্থ-সামাজিক ব্যৱস্থা আৰু পৰিৱেশগত বিভিন্ন সমস্যাৰ মাজত অঞ্চল বিশেষৰ চিত্ৰ পৰিস্ফুটিত হয়, তাকে আঞ্চলিকতা বুলিব পাৰি। অৰ্থাৎ অঞ্চল বিশেষৰ বিভিন্ন সমস্যাৰ মাজত থকা লোক জীৱন অধ্যয়নৰ জৰিয়তে সত্য প্ৰকাশ কৰাটোৱে আঞ্চলিক উপন্যাসৰ প্ৰাথমিক উদ্দেশ্য। আঞ্চলিক উপন্যাসত অঞ্চল বিশেষৰ নিজস্ব বিধিগত প্ৰয়োগ আৰু সমাজ জীৱনৰ লগত জড়িত পৰম্পৰা, ভৌগোলিক ইতিহাস, আৰ্থিক, সাংস্কৃতিক আৰু ৰাজনৈতিক বিশেষত্ব সমূহ ৰূপায়িত কৰাৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰা হয়।

**গ) কথাবস্তু ঃ**

উপন্যাস এখনৰ মূল উপজীৱ্য কথাবস্তু। কথাবস্তু গতি কৰা অবিহনে উপন্যাস তিষ্ঠি থকা অসম্ভৱ। আঞ্চলিক উপন্যাসো কথাবস্তু নিৰ্ভৰশীল। সেয়ে কথাবস্তু আৰু পটভূমিৰ মাজত নিবিড় সম্পৰ্ক। ঔপন্যাসিকে আঞ্চলিক উপন্যাসৰ সৃষ্ট কাহিনী বা কথাবস্তু কোনো অঞ্চল বিশেষ গাঁও বা চহৰ, দেশ বা ৰাজ্য হ'ব পাৰে। অঞ্চল বিশেষৰ পৰিসীমা সৰু বা ডাঙৰ হ'ব লাগিব বুলি কোনো কথা নাই। অঞ্চলগত বৈশিষ্ট্য তুলি ধৰিব পৰাটোৱে আঞ্চলিক উপন্যাসৰ মূল। অৰ্থাৎ আঞ্চলিক উপন্যাসৰ কথাবস্তু অঞ্চলকেন্দ্ৰিক হোৱাটো বাঞ্চনীয়। সেয়ে নিৰ্বাচিত অঞ্চলৰ পৰিসীমাৰ মাজত আৱদ্ধ জনসাধাৰণ, ঐতিহাসিক পটভূমি, সাংস্কৃতিক লোক-পৰম্পৰা, ভাষিক ক্ৰিয়া-কলাপ, দৈনন্দিন জীৱন পৰিক্ৰমাৰ স্থানীয় ৰং সানি কথাবস্তুৰ সত্যতা, সংশ্লিষ্টতা আৰু ঘটনাৰ চিত্ৰাত্মক দৃশ্যৰ ৰূপায়ণ কৰা হয়। নিৰ্বাচিত অঞ্চল বিশেষৰ সংস্কৃতিত প্ৰভাৱ পৰা বাহ্যিক সংস্কৃতিয়ে সভ্যতাৰ মাজত সংঘাত আনি দিয়ে। এই সংঘাত নতুন আৰু পুৰণিৰ সংঘাত। আঞ্চলিক উপন্যাসৰ কথাবস্তু নিৰ্মাণৰ ক্ষেত্ৰত সৰু-বৰ অসংখ্য সংঘাত পূৰ্ণ স্থানীয়তাৰ

ৰং স্পষ্ট। সেয়ে কথাবস্তুৰ লগত পটভূমিৰ প্ৰত্যক্ষ সম্পৰ্কৰ মাধ্যমত সমাজ জীৱনৰ মানৱীয় সত্তা প্ৰতিফলিত হয়।

### ঘ) আঞ্চলিক ভাষা ঃ

ভৌগোলিক পৰিসীমা আৰু সাংস্কৃতিক বিশেষত্বই হ'ল আঞ্চলিক ভাষাৰ মূল। ভৌগোলিক সীমা সমস্যাই কোনো বিশেষ অঞ্চলৰ লোক জীৱন আৰু সমাজৰ মাজত ভাষিক পাৰ্থক্য গঢ়ি তোলে। সেয়ে অঞ্চল বিশেষৰ ভাষিক ভিন্নতাই আঞ্চলিক ভাষা। পৃথিৱীৰ প্ৰাচীন আৰু আধুনিক প্ৰতিটো ভাষাৰ আঞ্চলিক ৰূপৰ বিচিত্ৰতা আছে। একেখন ৰাষ্ট্ৰ বা ৰাজ্যৰ সামাজিক স্তৰ ভেদে ভাষাই পৃথক ৰূপ লাভ কৰে। তদুপৰি একে ভৌগোলিক সীমাত বিভিন্ন জাতি-গোষ্ঠী বসতি কৰে। প্ৰত্যেক জাতি-গোষ্ঠীৰ নিজস্ব ভাষা-সংস্কৃতি আছে। কিন্তু ৰাষ্ট্ৰীয় ঐক্যৰ বাবে সৰ্বজন ব্যৱহৃত উমৈহতীয়া ভাষাই যেতিয়া অঞ্চলভেদে ভাষিক ভিন্নতাৰ ৰূপ লয়, তেতিয়া ই হৈ উঠে আঞ্চলিক ভাষা। আঞ্চলিক ভাষাৰ বিশেষত্ব হ'ল কথনভংগী। কথা কোৱাৰ ঢং বা স্বৰভংগী, উচ্চাৰণগত বিশিষ্টতা, অৰ্থগত বৈচিত্ৰতা, শব্দ আৰু বাক্যৰ গঠন ৰীতি সম্পূৰ্ণ সুকীয়া। বিশেষকৈ ঘৰুৱা জীৱনত, দৈনন্দিন জীৱনযাত্ৰাত ব্যৱহাৰ কৰা ভাষাৰ পাৰ্থক্য মনকৰিবলগীয়া। ঔপন্যাসিকে আঞ্চলিক উপন্যাসৰ পটভূমি নিৰ্ণয় কৰোঁতে আঞ্চলিক ভাষা প্ৰয়োগৰ ক্ষেত্ৰত গুৰুত্ব প্ৰদান কৰাটো অপৰিহাৰ্য। কাৰণ ভাষাই অঞ্চল বিশেষৰ পৰিৱেশ বা বাতাবৰণ চিত্ৰিত কৰিবলৈ নিৰ্বাচিত অঞ্চল বিশেষৰ সমাজ জীৱনৰ স্বাভাৱিক সজীৱতা বা সহজ-সৰলতা প্ৰকাশৰ মাধ্যম ভাষা। আঞ্চলিক পৰিৱেশ পৰিস্থিতিৰ সহজ-সৰল উপস্থাপন ৰীতিৰ ক্ষেত্ৰত স্থানীয় বা আঞ্চলিক ভাষাৰ প্ৰয়োগক আধাৰ হিচাপে গ্ৰহণ কৰে। সেয়ে ভাষিক তাৎপৰ্য আৰু বৈচিত্ৰ্যই ঔপন্যাসিকৰ সৃষ্ট কথাবস্তু, প্ৰকাশৰ ক্ষেত্ৰত স্থানীয় শব্দ বা ভাষাৰ প্ৰয়োগে অচিনাকি পৰিৱেশ, চৰিত্ৰক চিনাকি কৰি দিবলৈ আঞ্চলিকতাৰ ৰহণ আৰু আঞ্চলিক ভাষাৰ প্ৰয়োগ থকাটো বিশেষ প্ৰয়োজন। কাৰণ মানৰ মনৰ ভাব প্ৰকাশৰ বাবে হাত মুখ, চকু আৰু বিভিন্ন অংগৰ ভংগীমাৰ মাধ্যমত ভাবৰ প্ৰকাশ কৰে। ইয়ে বৰ্ণিত কথাবস্তুক পাঠক বৰ্গৰ ওচৰলৈ লৈ যোৱাত সহায় কৰে।

### ঙ) সাংস্কৃতিক উপাদান ঃ

আঞ্চলিক উপন্যাসৰ অন্যতম উপাদান হ'ল সাংস্কৃতিক উপাদান। অঞ্চল বিশেষৰ স্বৰূপ আৰু ভৌগোলিক সংস্কৃতিৰ ইতিহাস নিৰ্ণয়ৰ ক্ষেত্ৰত আঞ্চলিক উপন্যাসৰ ভূমিকা গুৰুত্বপূৰ্ণ। ঔপন্যাসিকে আঞ্চলিক উপন্যাসত সাংস্কৃতিক উপাদান সন্নিৱিষ্ট কৰোঁতে সততে তাৰ অবিকল ৰূপ উপস্থাপনৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰে। বিশেষকৈ লোক জীৱনত দৈনন্দিন প্ৰচলিত লোকাচাৰ জন্ম, বিবাহ, মৃত্যু, সামাজিক আচাৰ-অনুষ্ঠান, উৎসৱ, নৃত্য-গীত, খেল-ধেমালি, সাজ-পাৰ, খাদ্যাভ্যাস, সংস্কাৰ, কু-সংস্কাৰ, বিশ্বাস, অন্ধবিশ্বাস, ৰীতি-নীতি আদিৰ প্ৰয়োগ মনকৰিবলগীয়া। এই উপাদানবোৰ ঔপন্যাসিকে য'তেই সুবিধা পায় তাতেই সোমাই দিয়াৰ অপ্ৰাণ চেষ্টা কৰে।

### চ) ধৰ্মীয় সংস্কৃতিৰ আভাস ঃ

মানৱ সমাজ সম্পৰ্কিত ধৰ্মৰ স্থায়ী প্ৰভাৱ বিৰাজমান। অঞ্চল বিশেষৰ ধৰ্ম জাতি-গোষ্ঠী অনুযায়ী ভিন্ন আৰু প্ৰত্যেক ধৰ্মৰে নিজস্ব সত্তা আছে, যিয়ে সমাজ জীৱনক নিয়ম সংযমৰ অনুশাসনৰে বান্ধি ৰাখে। কিন্তু অঞ্চল বিশেষে এই ধৰ্মচৰ্চাৰ ৰূপ বেলেগ বেলেগ হয়। ই আঞ্চলিক ধৰ্মীয় সংস্কৃতি বা জনজাতীয় ধৰ্মীয় সংস্কৃতি হ'ব পাৰে। ধৰ্মীয় উৎসৱ-অনুষ্ঠান, পূজা-পাতল, ধৰ্মীয় গীত-মাত আদিৰ বিশ্বাস আৰু দৰ্শনৰ মাধ্যমত মূল্যবোধ গঢ়ি তোলে। আঞ্চলিক ঔপন্যাসিকসকলে ধৰ্মীয় চিন্তাৰ এনে বিভিন্ন দিশৰ পৰা ধৰ্মীয় সংস্কৃতিৰ বহিঃপ্ৰকাশ ঘটাই ধৰ্মীয় সংস্কৃতি আৰু পৰিৱেশৰ চিত্ৰ তুলি ধৰিবলৈ চেষ্টা কৰে।

### ছ) লোকাচাৰ আৰু লোকবিশ্বাস ঃ

লোক সমাজত প্ৰচলিত উৎসৱ-অনুষ্ঠান, পূজা-পাতলক কেন্দ্ৰ কৰি বিশ্বাস-অবিশ্বাসৰ ধাৰণা প্ৰাচীন কালৰে পৰা চলি আহিছে। ই জীৱ-জন্তু বিষয়ক, প্ৰকৃতি বিষয়ক, ভূত-প্ৰেত বিষয়ক বিশ্বাস-অবিশ্বাসৰ লোক-প্ৰথাগত যি ধাৰণা আৰু লোক-ৰীতি লোকাচাৰৰ জৰিয়তে সমাজত প্ৰচলিত অবিকল বৰ্ণনা তুলি ধৰিব পৰাটো আঞ্চলিক উপন্যাসৰ সাৰ্থকতা। আঞ্চলিক উপন্যাসত অঞ্চল বিশেষৰ লোক বিশ্বাস আৰু লোকাচাৰ মাধ্যমত কথাবস্তুৰ পৰিৱেশ আৰু

চৰিত্ৰ গতি কৰে। কাৰণ আঞ্চলিক উ পন্যাসত অঞ্চল বিশেষৰ অনিবাৰ্য প্ৰয়োজনৰ তাগিদাত লোকবিশ্বাস আৰু লোকাচাৰৰ জীৱন-যাপন প্ৰণালীৰ স্বৰূপ স্পষ্ট ৰূপত প্ৰকাশ কৰিবলৈ সুকীয়া কিছু দৃষ্টিভংগী গ্ৰহণ কৰা হয়।

**জ) স্থানীয় ৰঙ ঃ**

কোনো ঔপন্যাসিক যেতিয়া কোনো বিশেষ অঞ্চলৰ বিভিন্ন জাতি-জনগোষ্ঠীৰ মানুহৰ বসতি আৰু লোক সমাজ জীৱনৰ জীৱনযাত্ৰা, আচাৰ-ব্যৱহাৰ, ৰীতি-নীতি, সংস্কাৰ-কুসংস্কাৰ, বিশিষ্ট ভূ-সংস্থান, জলবায়ু, প্ৰাকৃতিক পৰিৱেশ আৰু ভাষাৰ লগত একাত্ম হৈ অঞ্চল বিশেষৰ স্থানীয় ৰঙৰ চিত্ৰ আঁকিব পাৰে, তেতিয়া ই হৈ উঠে আঞ্চলিক উপন্যাস। আঞ্চলিক উপন্যাসত স্থানীয় ৰঙৰ অনিবাৰ্য আৱশ্যকতা অনুযায়ী প্ৰয়োগ কৰা হয়। স্থানীয় ৰঙৰ সমাৱেশে অঞ্চল বিশেষৰ চাৰিত্ৰিক বৈশিষ্ট্য প্ৰতিফলিত কৰে।

**ঝ) লোকতন্ত্ৰ ঃ**

আঞ্চলিক উপন্যাসৰ উল্লেখনীয় উপাদান লোকতন্ত্ৰৰ প্ৰতিষ্ঠা। সমাজ প্ৰতিষ্ঠা হোৱাৰে পৰা সমাজত সামন্ততন্ত্ৰ, একককতন্ত্ৰ , সমাজতন্ত্ৰ, আভিজাত্যবাদ আদিৰ যি ধাৰা অব্যাহত আছিল, সেয়া উপন্যাস সাহিত্যত প্ৰতিফলিত হোৱা দেখা যায়। বিশেষকৈ জমিদাৰী প্ৰশাসন ব্যৱস্থা, মহাজনবাদৰ পৰম্পৰা, উচ্চশ্ৰেণীৰ আভিজাত্যবাদ, শাসকশ্ৰেণীৰ শোষণবাদ ব্যৱস্থাৰ বিৰুদ্ধে হোৱা শ্ৰমিকশ্ৰেণী আৰু মালিকশ্ৰেণীৰ সংঘাত; মধ্যবিত্তশ্ৰেণী আৰু নিম্নবিত্তশ্ৰেণীৰ সংঘাতৰ যি সমাজ জীৱন ধাৰণ পদ্ধতি, তাৰ পৰিৱৰ্তে সমতা স্থাপন আৰু সম-অধিকাৰ প্ৰতিষ্ঠা আৰু গান্ধীবাদীৰ বিচাৰধাৰাৰ পৰিণতিত গাঁও আৰু সমাজ ব্যৱস্থাত পৰিৱৰ্তন আৰু আন্দোলনৰ ৰেহৰূপ চিত্ৰিত কৰে। আঞ্চলিক ঔপন্যাসিকে অঞ্চল বিশেষৰ লোকতন্ত্ৰ প্ৰতিষ্ঠা কৰাৰ ক্ষেত্ৰত দুয়োশ্ৰেণীৰ সমাজৰ ওপৰত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে।

**আঞ্চলিক উপন্যাসৰ শৈলী ঃ**

সাহিত্যত শৈলী মানে ভাষা ব্যৱহাৰৰ বিচিত্ৰতা আৰু প্ৰকাশভংগীৰ স্বকীয়তা।

কথনভংগীৰ প্ৰকাশৰ মাজেৰে ই স্পষ্ট হৈ পৰে। শৈলী আৰু শিল্পসত্তাৰ মাজত সম্পৰ্ক নিবিড়। প্ৰকাশৰ ধৰণ অনুযায়ী শৈলীৰ পৰিৰৰ্তন হয়। উপন্যাস সাহিত্যত নিজস্ব শৈলীৰ প্ৰয়োগ ৰীতিয়ে ঔপন্যাসিকৰ ব্যক্তি সত্তাৰ প্ৰতিফলন ঘটে শিল্পকৰ্মৰ মাজেদি। কিয়নো প্ৰত্যেকৰে প্ৰকাশভংগীৰ একোটা সুকীয়া আৰ্হি আছে আৰু সেই আৰ্হি উপস্থাপন ৰীতিত প্ৰকাশ পায়। কাৰণ আঞ্চলিকতাই উপন্যাস সাহিত্যক এক বিশিষ্ট শ্ৰেণীৰ ৰূপ দিছে। সেয়ে আঞ্চলিক উপন্যাসৰ ক্ষেত্ৰত শৈলী প্ৰয়োগ পদ্ধতি কিছু সুকীয়া হোৱাৰ মূলতঃ ঔপন্যাসিকৰ ব্যক্তি স্বতন্ত্ৰ। ঔপন্যাসিকৰ চিন্তাৰ বহিঃপ্ৰকাশ আৰু মননশীল অনুভূতিৰ যি নিজস্ব ধাৰণা সেয়া প্ৰকাশ ঘটে শিল্পৰীতিৰ মাধ্যমত। সেয়ে উপন্যাসৰ শিল্পৰীতিক তলত দিয়া ধৰণে উল্লেখ কৰিব পাৰি ঃ

ক) বৰ্ণনাত্মক

খ) বিশ্লেষণাত্মক

গ) নাটকীয়ত্ব

ঘ) প্ৰতীকাত্মাক

এই আটাইকেইটা শিল্পৰীতিক শৈলীগত দিশৰ পৰা মূলতঃ চাৰিটা ভাগত ভাগ কৰিব পাৰি,

ক) তৃতীয় পুৰুষৰ প্ৰয়োগ

খ) আত্মকথাগত ভাবৰ প্ৰকাশ

গ) পত্ৰ শৈলী

ঘ) ডায়েৰী শৈলী

আঞ্চলিক উপন্যাস যিহেতু উপন্যাসৰেই এটা ৰূপ, গতিকে ওপৰত উল্লিখিত যিকোনো এটা শৈলীৰ প্ৰয়োগ আঞ্চলিক উপন্যাসত কৰিব পৰা যায়। প্ৰধানতঃ আঞ্চলিক উপন্যাস বৰ্ণনাত্মক শিল্পৰীতিৰ অন্তৰ্গত। বৰ্ণনাত্মক শিল্পৰীতি প্ৰয়োগৰ জৰিয়তে ঔপন্যাসিকে কথাবস্তু উপস্থাপনৰ ক্ষেত্ৰত নিজস্ব শৈলী ব্যৱহাৰ কৰে। কথাবস্তু উপস্থাপন ৰীতিক কথনভংগীয়ে স্বকীয় ৰূপ প্ৰদান কৰে। ই লেখকৰ মনৰ ভাব, লেখাৰ উদ্দেশ্য বা লক্ষ্য কিছু পৰিমাণে পূৰণ কৰে। ই হ'ল কথাবস্তুৰ উপস্থাপনগত পদ্ধতি, যিয়ে কলাত্মক দৃষ্টিভংগীৰে পৰিৱেশ, পৰিস্থিতি আৰু উপলব্ধিৰ ক্ষেত্ৰত পটভূমিৰ এক নিখুঁত চিত্ৰ আঁকি দিবলৈ সক্ষম হয়।

**অসমীয়া আঞ্চলিক উপন্যাসৰ ধাৰা ঃ**

ভাৰতীয় উপন্যাস সাহিত্যত আঞ্চলিকতাৰ সূচনা হয় ঊনবিংশ শতিকাত। বাংলা উপন্যাস সাহিত্যত ইয়াৰ প্ৰথম পাতনি মেলে। এইক্ষেত্ৰত ঔপন্যাসিক শৰৎচন্দ্ৰ চট্টোপাধ্যায়ৰ নাম প্ৰথমে ল'ব লাগিব। তেখেতৰ 'পল্লী সমাজ' (১৯১৬) উপন্যাসত গাঁৱলীয়া সমাজৰ সামাজিক চিত্ৰ অংকন কৰিছে আৰু ইয়ে আঞ্চলিকতাৰ প্ৰভাৱ বিস্তাৰ কৰে। শৰৎচন্দ্ৰৰ প্ৰভাৱত আঞ্চলিকতাৰ উত্তৰাধিকাৰী স্বৰূপ তাৰাশংকৰ বন্দোপাধ্যায়েৰ 'হাঁসুলি বাঁকেৰ উপকথা', মাণিক বন্দোপাধ্যায়েৰ 'পদ্মানদীৰ মাঝি', অদ্বৈতমল্ল বৰ্মণেৰ 'তিতাস একটি নদীৰ নাম', সীতানাথ ভাদুৰীৰ 'ঢোঁৰাই চৰিত মানস', সমৰেশ বসুৰ 'গঙ্গা', ফণীশ্বৰনাথ ৰেণুৰ 'মৈলা আঁচল' আদি উপন্যাসসমূহৰ উপৰিও আৰ, কে, নাৰায়ণৰ মালগুড়ি অঞ্চলক কেন্দ্ৰ কৰি ৰচনা কৰা উপন্যাসৰ পটভূমিত আঞ্চলিকতাৰ প্ৰভাৱে আঞ্চলিক উপন্যাস সাহিত্যৰ এটি ধাৰাৰ সৃষ্টি কৰিছে। অসমীয়া উপন্যাস সাহিত্যতো আঞ্চলিক উপন্যাসৰ বীজ ৰোপণ কৰে ৰজনীকান্ত বৰদলৈয়ে।

অসমীয়া আঞ্চলিক উপন্যাসৰ ক্ষেত্ৰ অসমৰ ভৌগোলিক অৱস্থান আৰু স্থিতি। খ্ৰীষ্টান মিছনেৰী সকলে ঊনবিংশ শতিকাত অসমীয়া উপন্যাসৰ বীজ-ৰোপণ কৰিছিল আৰু পৰৱৰ্তী সময়ত পদ্মনাথ গোহাঞি বৰুৱা, ৰজনীকান্ত বৰদলৈ, লক্ষ্মীনাথ বেজবৰুৱা, বিৰিঞ্চি কুমাৰ বৰুৱা প্ৰভৃতি ঔপন্যাসিকৰ হাতত উপন্যাসৰ ধাৰাটোৱে প্ৰাণ পাই উঠে। অসমীয়া উপন্যাসৰ প্ৰাৰম্ভিক স্তৰত শ্ৰীমতী পদ্মাৱতী দেৱীৰ 'সুধৰ্মাৰ উপাখ্যান'ৰ কাহিনী যদিও উদ্দেশ্য ধৰ্মী আৰু নৈতিকতা প্ৰতিষ্ঠা কৰা তথাপি উপন্যাসখনত লোক জীৱনৰ চিত্ৰ চিত্ৰিত হৈছে। সেইফালৰ পৰা 'সুধৰ্মাৰ উপাখ্যান'ত প্ৰথম আঞ্চলিকতাৰ আংশিক প্ৰলেপ পৰিছে। ইয়াৰ পাছত ৰজনীকান্ত বৰদলৈৰ 'মিৰিজীয়ৰী'(১৮৯৪) উপন্যাসত আঞ্চলিকতাৰ এটি মনোগ্ৰাহী ৰূপ পৰিস্ফুটিত হৈ উঠা দেখিবলৈ পোৱা যায়। ঔপন্যাসিকে 'মিৰিজীয়ৰী'ৰ পাতনিত উল্লেখ কৰিছে —

> *'কি লিখিম ভাবিছোঁ, এনেতে স্বাভাৱিকতে নাৰত গৈ থকা বাবেই হ'ব পায় মিৰিহঁতৰ নাওবোৱা কথালৈ, লগে লগে উত্তৰ লখিমপুৰলৈ তাৰ দৃশ্যবিলাকলৈ, সোৱণশিৰি নৈলৈ, মিৰিহঁতৰ ধৰ্ম-কৰ্মলৈ, সিহঁতৰ দাৰা-দস্তৰ, বিয়াৰ নিয়ম প্ৰণালীলৈ, সামাজিক ৰীতি-নীতিলৈ, কাছাৰী ঘৰত মাজে মাজে*

*মিৰি ডেকা-গাভৰুৰ মামলা-মোৰ্কদমালৈ মনত পৰিল। বিহুগীতবিলাকলৈ মনত পৰিল। কাপ ধৰিলো, আপোনা-আপুনি কিযে এটা inspiration আহিল মই ক'ব নোৱাৰোঁ, নাওঁত যাওঁতে দুদিনৰ ভিতৰতে মিৰি-জীয়ৰী লিখি পেলালো।'*[১৩]

ইয়াৰ পৰা স্পষ্ট যে, উপন্যাসখনত মিৰি জনজাতি মানুহৰ সমাজ জীৱনৰ কথা কোৱা হৈছে। মিৰি সমাজ জীৱনৰ পৰম্পৰাগত ধ্যান-ধাৰণা, লোক-উৎসৱ, লোকনৃত্য, লোকগীত, বিশ্বাস-অবিশ্বাস আৰু মিৰি ডেকা-গাভৰুৰ প্ৰেমৰ কৰুণ কাহিনীৰ সাৱলীল বৰ্ণনা তুলি ধৰিছে। 'মিৰিজীয়ৰী' উপন্যাসত আঞ্চলিকতাৰ এনে ৰূপ উন্মেষিত হোৱাৰ পাছৰ পৰা অসমীয়া আঞ্চলিক উপন্যাস ৰচনাৰ পথ সুগম কৰি তোলে। অসমীয়া আঞ্চলিক উপন্যাসৰ উত্তৰাধিকাৰী স্বৰূপ বিৰিঞ্চি কুমাৰ বৰুৱাৰ 'জীৱনৰ বাটত' উপন্যাসখনত বৰ্ণিত চাহ বাগিচাৰ জীৱন আৰু সমীপৱৰ্তী অসমীয়া গাঁৱলীয়া সমাজৰ সমাজ-সংস্কৃতিৰ চিত্ৰ সুন্দৰভাৱে তুলি ধৰিছে। দ্বিতীয় মহাসমৰ প্ৰভাৱত সামাজিক আৰু ৰাজনৈতিক প্ৰেক্ষাপট সলনিয়ে গাঁও-নগৰ-চহৰত পৰিৱৰ্তন আনিছে যদিও চহা জীৱনৰ কু-সংস্কাৰৰ পৰা ব্যক্তি জীৱনৰ প্ৰেমৰ পবিত্ৰতা আৰু সামন্ততন্ত্ৰৰ মাধ্যমত মানৱ জীৱন চৰ্চাৰ ৰূপ সন্নিৱিষ্ট কৰিছে। উপন্যাসখনৰ সূচনাতে থকা কমলাকান্তৰ বিয়াৰ চিত্ৰ অংকনৰ জৰিয়তে অসমীয়া সমাজৰ বিয়াৰ পৰম্পৰাগত নিয়ম, তামোল-পাণৰ ব্যৱহাৰ, অতিথি আপ্যায়ন আদিৰ ওপৰিও গ্ৰাম্য সমাজত আধুনিক চিকিৎসাৰ পৰিৱৰ্তে কবিৰাজী চিকিৎসা পদ্ধতি আৰু বিশ্বাস, তগৰৰ প্ৰসৱ বেদনাৰ সময়ত ধৰণীয়ে কবিৰাজী পদ্ধতি গ্ৰহণ কৰাৰ দৃষ্টান্তই লোক-বিশ্বাস আৰু তন্ত্ৰ-মন্ত্ৰৰ পৰিচয়ে নিভাঁজ গ্ৰাম্য জীৱনৰ ছবি দাঙি ধৰিছে। আনহাতে 'সেউজী পাতৰ কাহিনী' উপন্যাসখনৰ মূল অসমীয়া সমাজ জীৱনৰ পৰিচয়, ঐতিহ্য চেতনা, সামাজিক ৰীতি-নীতি আৰু সংস্কাৰ, সমাজত নিষিদ্ধ প্ৰেমৰ চিত্ৰৰ উপস্থাপনৰ মাধ্যমত আঞ্চলিকতাৰ উন্মেষ ঘটাইছে। নৱকান্ত বৰুৱাৰ 'কপিলীপৰীয়াৰ সাধু' উপন্যাসখন কপিলী নৈক কেন্দ্ৰ কৰিয়েই ৰূপাই আৰু সোণপাহিৰ মাজত প্ৰেমৰ সম্পৰ্কৰ মাজেৰে কপিলী নৈয়ে সংগ দিছে। কপিলী নৈয়ে নৈ-পৰীয়া সমাজ জীৱনক প্ৰতিনিধিত্ব কৰিছে। কপিলী নৈখনে জীয়াই থকাৰ আশা-ভৰসাৰ সম্বল। নৈৰ বুকুত গঢ়লৈ উঠিছে সংস্কৃতি, জীৱিকাৰ আহিলা আৰু পৰম্পৰাগত প্ৰথা। কপিলীৰ বাঢ়নী পানীয়ে কেতিয়াবা জীৱনলৈ

অমানিশা নমাই আনিছে আৰু কেতিয়াবা আশাৰ বতৰা কঢ়িয়াই আনিছে। জলকোঁৱৰ-জলকুৱঁৰী, ভূত-প্ৰেত আদিৰ বিশ্বাস, অন্ধবিশ্বাস, কু-সংস্কাৰৰ প্ৰভাৱ কপিলীপৰীয়া কৃষক সমাজখনৰ চিত্ৰণৰ মাজত আঞ্চলিক বৈশিষ্ট্য বিৰাজমান। আনহাতে অসমীয়া উপন্যাস সাহিত্যত অমূল্য বৰুৱাৰ 'এই পদুমণি', বীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্যৰ 'ইয়াৰুঙ্গম', দীননাথ শৰ্মাৰ 'নদাই', স্বৰ্ণ বৰাৰ 'ডিয়ুং নদীৰ গীত', ভূবন মোহন মহন্তৰ 'নৈ বৈ যায়', নিৰুপমা বৰগোহাঞিৰ 'সেই নদী নিৰৱধি', মামণি ৰয়চম গোস্বামীৰ 'দঁতাল হাতীৰ উঁৱে খোৱা হাওদা', ৰংবং তেৰাঙৰ 'ৰংমিলিৰ হাঁহি', লুম্বেৰ দাইৰ 'পৃথিৱীৰ হাঁহি', লক্ষ্মীনন্দন বৰাৰ 'গঙা চিলনীৰ পাখি', হোমেন বৰগোহাঞিৰ 'মৎস্যগন্ধ্যা', ৰীতা চৌধুৰীৰ 'দেওখুংলাই' আদি উপন্যাস প্ৰমূখ্যে ঔপন্যাসিক সকলৰ হাতত অসমীয়া আঞ্চলিক উপন্যাসৰ ধাৰাটো টনকিয়াল হৈ উঠিছে সচাঁ, কিন্তু সত্তৰ দশকত অসমীয়া কথাসাহিত্যৰ জগতলৈ পৰ্দাপণ ঘটা শীলভদ্ৰৰ কথাবস্তু নিৰ্বাচন আৰু কথনশৈলীৰ নিজস্ব উপস্থাপন পদ্ধতিয়ে আঞ্চলিকতাক সুকীয়া ৰূপ প্ৰদান কৰিছে।

শীলভদ্ৰৰ কথাসাহিত্যৰ বিষয়বস্তু গঢ় লৈছে এটি ক্ষুদ্ৰ অঞ্চলক কেন্দ্ৰ কৰি। সেই ক্ষুদ্ৰ অঞ্চল মধুপুৰ। মধুপুৰ ধুবুৰী জিলাৰ এখন সৰু ঠাই। জমিদাৰী শাসন ব্যৱস্থাত সামাজিক, সাংস্কৃতিক দিশত কিছু আগবঢ়া আছিল যদিও শৈক্ষিক আৰু অৰ্থনৈতিক দিশত পিছপৰা। জমিদাৰৰ অভিজাত, উচ্চশ্ৰেণী আৰু নিম্নশ্ৰেণীৰ সংঘাতৰ মাজৰ পৰা সামাজিক প্ৰমূল্যবোধৰ অৱক্ষয়ৰ পৰিণতিত মধুপুৰৰ উৰলি যাব খোজা গ্ৰাম্য জীৱনৰ চিত্ৰ সুন্দৰ ৰূপত উপস্থাপন কৰিছে। অৰ্থাৎ মধুপুৰ অঞ্চলটোৱে শীলভদ্ৰৰ কথাসাহিত্যত কেন্দ্ৰীয় চৰিত্ৰৰ ৰূপ ধাৰণ কৰিছে। মধুপুৰৰ কথিত ভাষাৰ প্ৰয়োগ, মানুহবোৰৰ মন-মেজাজ আৰু সাংস্কৃতিক জগতৰ স্থানীয় ৰং আৰু ঢং অঞ্চলটোক জীৱন্ত কৰি তুলিছে। অঞ্চলটোৰ আঞ্চলিক চৰিত্ৰ আৰু পৰিৱেশ সৃষ্টিৰ ক্ষেত্ৰত দেখুওৱা এনে দক্ষতাই শীলভদ্ৰক এতিয়ালৈকে কোনোও অতিক্ৰম কৰিব পৰা নাই। শীলভদ্ৰৰ প্ৰথম উপন্যাস 'মধুপুৰ'। 'মধুপুৰ' উপন্যাসখনেই আঞ্চলিক বৈশিষ্ট্য সম্পন্ন প্ৰথম অসমীয়া আঞ্চলিক উপন্যাস। মধুপুৰত অতীতৰ স্মৃতিৰ চিত্ৰ স্পষ্ট। অতীত স্মৃতিৰ আধাৰত মধুপুৰ অঞ্চলৰ মানুহৰ জীৱনগাঁথা, হাঁহি-কান্দোন, ভাষা-সংস্কৃতি, লোকাচাৰ, লোক-বিশ্বাস, ৰাজনীতিৰ ঢৌৱে মধুপুৰ অঞ্চললৈ বিভিন্ন পৰিৱৰ্তনৰ ক্ষুদ্ৰ ক্ষুদ্ৰ দিশবোৰ উন্মোচিত হৈছে। অৰ্থাৎ মধুপুৰ অঞ্চলক আলম কৰি লিখা

উপন্যাসখনত আঞ্চলিকতাৰ ৰহণ স্পষ্ট। সেয়ে নিৰ্বাচিত অঞ্চল বিশেষৰ কথাবস্তুৰ উপস্থাপন ৰীতিৰ সুকীয়া বিশেষত্বৰ ওপৰত গুৰুত্ব আৰোপ কৰি সত্যেন্দ্ৰ নাথ শৰ্মাই উল্লেখ কৰিছে—

> *'শীলভদ্ৰৰ মধুপুৰ, তৰংগিনী, আহঁতগুৰি, আগমনীৰ ঘাট, অবিচ্ছিন্ন আদি উপন্যাস সত্তৰ দশকৰ প্ৰকাশ। নতুন যুগৰ অভিঘাতত মৰ্যাদা আৰু স্থানচ্যুত হোৱা পুৰণি অভিজাত শ্ৰেণীৰ ত্ৰিশঙ্কু অৱস্থা, হেৰাই যাবলৈ উপক্ৰম কৰা বিগত যুগৰ ৰসাল চিত্ৰায়ণ, বিবিধ চৰিত্ৰৰ বিচিত্ৰ ৰূপৰ পাৰ্শ্বিক প্ৰতিফলন (Profiled representation) আৰু নিঃস্ব-নিষ্পেষিতৰ প্ৰতি সহানুভূতি শীলভদ্ৰৰ উপন্যাসৰ সাধাৰণ বৈশিষ্ট্য।'* [১৪]

বৰ্ণনাৰ সাৰলীলতা আৰু কথাবস্তুৰ সুকীয়া উপস্থাপন ৰীতিয়ে শীলভদ্ৰৰ উপন্যাসৰ নতুনত্ব আৰু আঞ্চলিক বিশেষত্বই এক অনন্য মাত্ৰা প্ৰদান কৰিছে। সেইফালৰ পৰা শীলভদ্ৰক অসমীয়া আঞ্চলিক উপন্যাসৰ বাটকটকীয়া বুলিব পাৰি।

## অসমীয়া আঞ্চলিক উপন্যাসৰ শ্ৰেণী বিভাজন ঃ

আঞ্চলিক উপন্যাসৰ স্বাভাৱিক স্থিতি ক্ষুদ্ৰতমৰ পৰা ব্যাপকতাৰ সন্ধান। ক্ষুদ্ৰ অঞ্চল, সৰু সৰু জাতি-জনগোষ্ঠী, কোনো নৈ-পৰীয়া জীৱন আদিয়েই হ'ল আঞ্চলিক উপন্যাসৰ সমল। অসমীয়া আঞ্চলিক উপন্যাসক সমলৰ ওপৰত ভিত্তি কৰিয়ে প্ৰধানতঃ তিনিটা ভাগত বিভক্ত কৰিব পাৰি ঃ

ক) অঞ্চলকেন্দ্ৰিক আঞ্চলিক উপন্যাস

খ) নদীকেন্দ্ৰিক আঞ্চলিক উপন্যাস

গ) জনজাতীয় বা গোষ্ঠী প্ৰধান আঞ্চলিক উপন্যাস

## ক) অঞ্চলকেন্দ্ৰিক আঞ্চলিক উপন্যাস ঃ

কোনো উপন্যাসৰ পটভূমি আৰু বিষয়বস্তু কোনো অঞ্চল বিশেষ হয়, অঞ্চল বিশেষক অধিক গুৰুত্ব দি কেন্দ্ৰীয় চৰিত্ৰৰ ৰূপত তুলি ধৰিবৰ বাবে প্ৰযত্ন কৰা কৰা হয়, তেতিয়া তাক

অঞ্চলকেন্দ্রিক উপন্যাসৰ শাৰীত ধৰিব পৰা যায়। অঞ্চল মানে দেশৰ কোনো ভাগ বা অংশ। ই ক্ষুদ্ৰ বা বৃহত্তম অংশ হ'ব পাৰে। ইংৰাজীত 'region' শব্দটিৰ প্ৰতিশব্দ ৰূপে অসমীয়াত 'অঞ্চল' শব্দটি গ্ৰহণ কৰা হৈছে। অৰ্থাৎ 'a locality' অৰ্থত অঞ্চল শব্দটোৱে তাৎপৰ্য বহন কৰে। গতিকে কোনো উপন্যাসৰ নিৰ্বাচিত অঞ্চল কেৱল পটভূমিৰে নহয়, বৰঞ্চ ই বিষয়বস্তুগত ভৌগোলিক, সামাজিক, সাংস্কৃতিক, ভাষিক, অৰ্থনৈতিক, ৰাজনৈতিক আদি দিশবোৰৰ ওপৰিও জীৱন ধাৰণ পদ্ধতি, কথা-বাৰ্তাৰ স্বকীয় শৈলী, ঐতিহ্য আৰু পৰম্পৰাগত পদ্ধতিৰ পুংখানুপুংখ বিৱৰণে অঞ্চল বিশেষৰ স্বকীয় পৰিচয় তুলি ধৰিব পাৰে, তেতিয়া ই হৈ উঠে অঞ্চলকেন্দ্ৰিক আঞ্চলিক উপন্যাস।

উপন্যাস সাহিত্যত অঞ্চলকেন্দ্ৰিক আঞ্চলিক উপন্যাসৰ সূচনা হয় পাশ্চাত্য সাহিত্যত। ইংৰাজী সাহিত্যত থমাছ হাৰ্ডিয়ে অঞ্চল বিশেষক কেন্দ্ৰ কৰি সাহিত্যৰাজি সৃষ্টি কৰিছিল। তেওঁৰ সাহিত্যৰাজিৰ মূল বিষয়বস্তু পশ্চিম ইংলেণ্ডৰ এটা নিৰ্দিষ্ট অঞ্চল, যিটো অঞ্চল 'Wessex' বুলি জনা যায়। এই অঞ্চলটোৰ ওপৰত ভিত্তি কৰি ৰচনা কৰা প্ৰায়বোৰ উপন্যাসে অঞ্চলকেন্দ্ৰিক আঞ্চলিক উপন্যাসৰ অন্তৰ্গত। তেওঁৰ 'Return of the native' নামৰ উপন্যাসখন ইয়াৰ উৎকৃষ্ট নিদৰ্শন। তদুপৰি ৱাল্টাৰ স্কটৰ ৰেভালি উপন্যাস সমূহ, ষ্টেইনবেকৰ ছেলিনা উপত্যকাক কেন্দ্ৰ কৰি ৰচনা কৰা উপন্যাস সমূহ এইশ্ৰেণীৰ। ভাৰতীয় উপন্যাস সাহিত্যত হিন্দী ভাষাৰ ওপৰিও বাংলা, অসমীয়া আদি বিভিন্ন আঞ্চলিক ভাষাত অঞ্চলকেন্দ্ৰিক আঞ্চলিক উপন্যাসৰ সৃষ্টি হয়। ফণীশ্বৰ নাথ ৰেণুৰ 'মৈলা আঁচল' উপন্যাসখনে হিন্দী আঞ্চলিক উপন্যাসৰ ধাৰাটো আৰম্ভ কৰে। 'মৈলা আঁচল' উপন্যাসখনৰ পটভূমি বিহাৰৰ পূৰ্ণিয়া জিলাৰ মেৰীগঞ্জ অঞ্চল। তদুপৰি অমৃতলাল নাগৰ, নাগাৰ্জুন, প্ৰেমচান্দ, ভৈৰৱ প্ৰসাদ জৈন, হিমাংশু শ্ৰীবাস্তৱ আদিৰ উপন্যাসৰাজিয়ে হিন্দী আঞ্চলিকতাৰ ধাৰাটো অব্যাহত ৰাখে। বাংলা উপন্যাস সাহিত্যত শৰৎচন্দ্ৰ বন্দোপাধ্যায়ৰ ৰচনাত আঞ্চলিকতাৰ প্ৰভাৱ আছে, কিন্তু শৈলজানন্দৰ হাতত আঞ্চলিক উপন্যাসৰ ধাৰা আৰম্ভ হয় যদিও তাৰাশঙ্কৰৰ 'হাঁসুলি বাঁকেৰ উপকথা' উপন্যাসখনে বাংলা আঞ্চলিক উপন্যাসৰ খঁটি মজুত কৰে। উপন্যাসখন বীৰভূম অঞ্চলকেন্দ্ৰিক নিম্নশ্ৰেণীৰ বৰ্ণিত জীৱনগাঁথা। পাছলৈ বিভূতিভূষণ বন্দোপাধ্যায়, মাণিক বন্দোপাধ্যায়, অমিয়ভূষণ মজুমদাৰ, অদ্বৈতমল্ল বৰ্মণৰ উপন্যাসৰাজিত অঞ্চল বিশেষৰ গুৰুত্ব

অধিক হোৱা দেখা যায়। অসমীয়া অঞ্চলকেন্দ্রিক উপন্যাসৰ ক্ষেত্ৰত ৰজনীকান্ত বৰদলৈৰ 'মিৰিজীয়ৰী' উপন্যাসখন বাটকটকীয়া। সোঁৱণশিৰি নৈ আৰু মিচিং বসতি প্ৰধান লখিমপুৰ অঞ্চলক কেন্দ্ৰ কৰি পটভূমি আৰু কাহিনী গতি কৰিছে। পাছলৈ ভালেকেইগৰাকী অসমীয়া ঔপন্যাসিকে অঞ্চল বিশেষৰ পটভূমিত উপন্যাস ৰচনা কৰিলে যদিও শীলভদ্ৰৰ মধুপুৰ অঞ্চলকেন্দ্রিক উপন্যাস সৃষ্টিয়ে অসমীয়া উপন্যাস সাহিত্যত এটি নতুন ধাৰাৰ সংযোজন কৰিলে। 'মধুপুৰ', 'আগমনীৰ ঘাট' আদি উপন্যাসত অঞ্চলটোৰ চাৰিত্ৰিক বৈশিষ্ট্য আৰু পৰিৱেশৰ স্থানীয় ৰহণ সন্নিৱিষ্ট কৰিছে। ফলত অঞ্চলটো হৈ পৰে মুখ্য চৰিত্ৰ। অঞ্চলটো যেতিয়া মুখ্য চৰিত্ৰৰ ভূমিকা গ্ৰহণ কৰে, তেতিয়া ই হৈ পৰে অঞ্চলকেন্দ্রিক আঞ্চলিক উপন্যাস।

## খ) নদীকেন্দ্রিক আঞ্চলিক উপন্যাস ঃ

নদীৰ লগত মানুহৰ সম্পৰ্ক নিবিড়। মানুহৰ জীৱন প্ৰৱাহমান নদীৰ দৰে গভীৰ। নদীক কেন্দ্ৰ কৰি আমাৰ আদি সভ্যতাৰ উদ্ভৱ আৰু বিকাশ হৈছে। সিন্ধু নদীক কেন্দ্ৰ কৰি হিন্দু সভ্যতা, নীল নদীক কেন্দ্ৰ কৰি মিশ্বৰীয় সভ্যতা, হোৱাং-হো আৰু ইয়াংচিকিয়াং নদীক কেন্দ্ৰ কৰি চীনা সভ্যতা, টাইগ্ৰিচ-ইউফ্ৰেটিচ নদীক কেন্দ্ৰ কৰি মেচোপটেমিয়া, ইৰাৱতী নদীক কেন্দ্ৰ কৰি বাৰ্মা সভ্যতা বিকাশ লাভ কৰে। ভাৰতীয় সভ্যতা আৰু সংস্কৃতিও নদীৰ দ্বাৰা বিশেষভাৱে প্ৰভাৱিত। ঋক্‌বেদৰ পৰা আৰম্ভ কৰি আধুনিক সাহিত্যলৈকে নদী ঐশ্বৰ্যশালী আৰু গৰিমাৰ উপাদান হৈ থকা নাই, বৰঞ্চ সজীৱ হৈ উঠিছে কবি-শিল্পীৰ কল্পনাত। অসমীয়া ভাষা-সাহিত্য-সংস্কৃতিৰ লগত নদীৰ আজন্ম গভীৰ সম্পৰ্ক বিৰাজমান। অসমৰ প্ৰধান নদী ব্ৰহ্মপুত্ৰ। ব্ৰহ্মপুত্ৰৰ বহু নৈ-উপনৈ বিৰাজমান। এই নৈ-উপনৈক কেন্দ্ৰ কৰি অসমীয়া মানুহৰ এটি বৃহৎ অংশ সমাজ জীৱন-জীৱিকা নিৰ্ভৰশীল। এই নৈ-উপনৈয়ে যেনেকৈ জীৱিকাৰ আহিলা স্বৰূপ, আনপিনে নৈ-উপনৈৰ গৰাখহনীয়াই জীৱনলৈ বিপৰ্যয় আনে। বিপৰ্যয়ৰ মাজতো নৈৰ লগত চলাই যায় অহৰহ জীৱন সংগ্ৰাম। জীৱনৰ অবিৰত সংগ্ৰামক কেন্দ্ৰ কৰিয়ে অসমীয়া কথা-সাহিত্যত নদীৰ প্ৰসংগ বিদ্যমান। নদীকেন্দ্রিক অসমীয়া উপন্যাস ইয়াৰে এক ফচল। অসমীয়া সাহিত্যত বিভিন্ন শাখাৰ ভিতৰত উপন্যাস সাহিত্যত নদীক কেন্দ্ৰ কৰি নদীকেন্দ্রিক উপন্যাস বুলি এটি নতুন ধাৰাৰ সংযোজন হৈছে।

নদী সংগ্রামৰ প্ৰতীক। অসমীয়া মানুহৰ নদীৰ লগত সম্পৰ্ক নিবিড়। নদী নিৰ্ভৰ মানুহবোৰে কোনোৱাই মাছ মাৰে, কোনোৱাই মাঝিৰ কাম কৰে, কোনোৱাই জাল তৈয়াৰ কৰে, কাৰোবাৰ নৌকা আছে, কোনোৱাই নৌকাত মজুৰি কৰে, কোনোৱাই নদীৰ বালিচৰত তৰমুজৰ খেতি কৰে, কোনোৱাই নৈৰ পাৰৰ মাটিত শালি ধানৰ খেতি কৰে, আন কোনোৱাই নদীত শিল-বালিৰ ঠিকা কৰে। নদীৰ লগত জড়িত জীৱন জীৱিকাৰ অহৰহ সংগ্ৰামে নৈ-পৰীয়া মানুহৰ জীৱনৰ ৰং সলনি কৰাৰ লগতে মন-মেজাজ, ক্ৰিয়া-কৰ্ম গতানুগতিক সমাজ-জীৱনৰ পৰা কিছু বেলেগ হয়। এনেধৰণৰ মানুহৰ জীৱনৰ কিছু ৰোমাঞ্চকৰ কাহিনী স্থান পায় কথাসাহিত্যত, য'ত নদী নিৰ্ভৰ জীৱন আৰু অনুষংগ চিত্ৰ, ক'ৰবাত নদী সমাজৰ বৃত্তিধাৰী গোষ্ঠীৰ প্ৰাণ ভৰা জীৱনৰ চিত্ৰ, কোনো উপন্যাসত আকৌ নদীত চলিত জীৱনৰ মমতাময়ী বা ভয়ংকৰী ৰূপৰ প্ৰকাশ ঘটে। তদুপৰি নদীক কেন্দ্ৰ কৰি সংস্কৃতি, বিশ্বাস-পূজা-পাৰ্বন, অনুষ্ঠানাদিৰ মাজেৰে প্ৰকাশ পায় লোক-সংস্কৃতিৰ এক ভাণ্ডাৰ। কিন্তু কোনো নদীক কেন্দ্ৰ কৰি উপন্যাস সৃষ্টি কৰিলে সি নদীকেন্দ্ৰিক আঞ্চলিক উপন্যাস নহ'বও পাৰে যদিহে নদীকেন্দ্ৰিক সভ্যতা-সংস্কৃতিৰ বাস্তৱ জীৱনযাত্ৰাৰ নিখুঁত প্ৰতিচ্ছবি উপস্থাপন নহয়। সেয়ে, নদীকেন্দ্ৰিক আঞ্চলিক উপন্যাস সম্পৰ্কে সত্যেন্দ্ৰ নাথ শৰ্মাই উল্লেখ কৰিছে —

> *'নদী বিশেষে যদি উপন্যাসত বৰ্ণিত পাত্ৰ-পাত্ৰী আৰু সমাজক ঘনিষ্ঠভাৱে প্ৰভাৱান্বিত নকৰে, বা নদীয়ে প্ৰধান ভূমিকা গ্ৰহণ নকৰে, তেন্তে কোনো নদীৰ নামেৰে উপন্যাসৰ নামকৰণ হ'লেও নদীকেন্দ্ৰিক উপন্যাস বুলি কোৱা নাযায়।'* [১৫]

নদীকেন্দ্ৰিক আঞ্চলিক উপন্যাস হ'বলৈ কাহিনী তথা পটভূমিৰ স্থান, কাল, সমাজ জীৱনৰ ভাষা-সংস্কৃতিৰ বাস্তৱ তাৎপৰ্য বিস্তাৰিতভাৱে উপস্থাপন অত্যন্ত প্ৰয়োজন। নদীক কেন্দ্ৰ কৰি গঢ় লোৱা সমাজ তথা গোষ্ঠী অৰ্থাৎ মৎস্যজীৱি সমাজ, নাঁৱৰীয়া মানুহৰ জীৱিকাৰ কেন্দ্ৰবিন্দু য'ত নদী, নদীয়ে সেই সমাজৰ প্ৰত্যেকজন মানুহৰ সুখ-দুখৰ সমভাগি, নদীক কেন্দ্ৰ কৰিয়ে সংস্কৃতি, অলৌকিক সংস্কাৰ-বিশ্বাস, জন্ম-মৃত্যু, আচাৰ-আচৰণ, নদীকেন্দ্ৰিক মানুহৰ মুখৰ ভাষা আৰু নৈ-পৰীয়া বসতি প্ৰধান মানুহৰ জীৱন জীৱিকাৰ অহৰহ সংগ্ৰামৰ চিত্ৰ, অবিৰত সংগ্ৰামৰ প্ৰতি মুহূৰ্তত মৃত্যু ৰহস্যৰ সন্মূখীন, প্ৰৱাহমান নৈৰ সোঁতত যাৰ জীৱনৰ গতি সলাব পাৰে,

প্ৰাকৃতিক প্লাৱনৰ মাজত জীৱন অতিবাহিত কৰা সমাজ জীৱনৰ চিত্ৰ, আঞ্চলিক বৈশিষ্ট্যগত উপাদান য'ত নিখুঁতভাৱে প্ৰতিফলিত হয়, নদীয়ে মুখ্য ভূমিকা গ্ৰহণ কৰে, নদীৰ লগত চৰিত্ৰৰ সম্পৰ্ক গভীৰ হয় আৰু নদীয়ে এটি চৰিত্ৰৰ ৰূপ লয়, সাধাৰণ অৰ্থত সিয়ে নদীকেন্দ্ৰিক আঞ্চলিক উপন্যাস।

নদীকেন্দ্ৰিক আঞ্চলিক অসমীয়া উপন্যাসৰ প্ৰথম বীজ অংকুৰিত হয় ৰজনীকান্ত বৰদলৈৰ হাতত। তেখেতৰ 'মিৰিজীয়ৰী'(১৮৯৪) উপন্যাসখনৰ মূল পটভূমি সোঁৱণশিৰি নৈ আৰু মিচিং জনগোষ্ঠী। মিচিং সকলৰ লগত সোঁৱণশিৰি নৈৰ সম্পৰ্ক নিবিড়। উপন্যাসখন সম্পৰ্কত সত্যেন্দ্ৰনাথ শৰ্মাই এনেদৰে মন্তব্য কৰিছে—

> *'সোঁৱণশিৰি কেৱল ঘটনাৰ পটভূমিয়ে নহয়, মিৰি জীৱনৰ যেনিবা অধিষ্ঠাত্ৰী দেৱী। সুখে-দুখে মিৰিয়ে সোৱণশিৰিক নেৰে...ই যেন কাহিনীৰ এক নিৰ্বাক জীৱন্ত  চৰিত্ৰ। ...ৰিটাৰ্ণ অৱ দা নেটিভ উপন্যাসৰ এগ্‌ডন হিথৰ দৰে সোঁৱণশিৰিৰ পাৰত বসবাস কৰা মিৰিসকলৰ জীৱনৰ আঁহে আঁহে যেন নদীখন সোমাই আছে।'*[১৬]

উপন্যাসখনত সোঁৱণশিৰি নদীৰ বিশেষ প্ৰসঙ্গ থাকিলেও উপন্যাসৰ কাহিনীত বিশেষ প্ৰভাৱ বিস্তাৰ লাভ কৰিব পৰা নাই। সেয়েহে 'মিৰি জীয়ৰী'ক প্ৰকৃত নদীকেন্দ্ৰিক আঞ্চলিক উপন্যাস বুলিব নোৱাৰি।

অসমীয়া উপন্যাস সাহিত্যত নদীক কেন্দ্ৰ কৰি কাহিনী, চৰিত্ৰৰ আধাৰত নদীকেন্দ্ৰিক উপন্যাসৰ সৃষ্টি বহুত হৈছে, কিন্তু নদীকেন্দ্ৰিক আঞ্চলিক অসমীয়া উপন্যাসৰ সংখ্যা তেনেই নগণ্য। এনে নদীকেন্দ্ৰিক উপন্যাসবোৰ অধ্যয়ন কৰিলে দেখা যায়, পঞ্চাশৰ দশকত নৱকান্ত বৰুৱাৰ 'কপিলীপৰীয়া সাধু' (১৯৫৪) উপন্যাস ৰচনাৰ জৰিয়তে এক নতুন দিগন্তৰ সৃষ্টি কৰিলে। য'ত কপিলী নদীক মুখ্য স্থান দিছে। কপিলী নৈখনে মুখ্য চৰিত্ৰৰ ভূমিকা পালন কৰিছে। কপিলী নৈৰ সৰস বৰ্ণনা, ৰূপাইৰ লগত কপিলীৰ পিতৃ-মাতৃ দৰে সম্পৰ্ক, য'ত কপিলীয়ে ৰূপাইক তুলি দিছিল মানুহৰ হাতত আৰু জীৱনৰ অন্তিম সময়তো ৰূপাইয়ে ঢাপলি মেলিছে কপিলীৰ বুকুলৈ।কপিলীৰ দুয়োপাৰৰ মানুহখিনি সুখে-দুখে কপিলীৰ লগত, য'ত তেওঁলোকৰ ইতিহাস, জীৱন সংগ্ৰামৰ ঘটনাৰ ৰেঙণি, কপিলীৰ বানত উঠি ভাঁহি যোৱা

মানুহখিনিৰ নাজল-নাথল অৱস্থাৰ জীৱন্ত চিত্ৰৰ লগতে নগাঁওৰ নেলী, গোভা, ডিমৰীয়া, খলা, বাৰপূজীয়া আদি অঞ্চলৰ জনজীৱনৰ চিত্ৰ অংকিত হৈছে। কপিলী নৈয়ে কপিলীপৰীয়া মানুহৰ সুখ-দুখ, হাঁহি-কান্দোনৰ সমভাগি স্বৰূপ অৱতীৰ্ণ হৈছে। তদুপৰি কপিলীপৰীয়া মানুহৰ বিশ্বাস-অবিশ্বাস, সংস্কাৰ, ধ্যান-ধাৰণা, ৰীতি-নীতিৰ সু-প্ৰকাশ ঘটাৰ লগতে কপিলী এটি চৰিত্ৰৰ ৰূপ ধাৰণ কৰিছে। এনে দিশৰ ওপৰত ভিত্তি কৰি ‘কপিলীপৰীয়া সাধু’ উপন্যাসখন নিঃসন্দেহে নদীকেন্দ্ৰিক আঞ্চলিক উপন্যাস। যিহেতু উপন্যাসখনৰ কাহিনী নদীকেন্দ্ৰিক আৰু নৈ-পৰীয়া জন-জীৱনৰ জীৱন্ত চিত্ৰ প্ৰকাশ পাইছে, সেয়েহে উপন্যাসখনক প্ৰথম নদীকেন্দ্ৰিক আঞ্চলিক অসমীয়া উপন্যাস বুলিব পাৰি।

পঞ্চাশৰ দশকত কৃষ্ণপ্ৰসাদ বৰঠাকুৰৰ ‘লুইতৰ ইপাৰে সিপাৰে’ আৰু ‘লুইতৰ ধুনীয়া ছোৱালীজনী’, কুমাৰ কিশোৰৰ ‘কপিলী নীৰৱে কান্দে’ আদি উপন্যাস ৰচিত হৈছে। কিন্তু উপন্যাসৰ বিষয়বস্তু উপস্থাপনে নদীকেন্দ্ৰিক উপন্যাসৰ শাৰীত পেলাব পৰা নাই। এনেধৰণৰ নদীক কেন্দ্ৰ কৰি ৰচনা কৰা অসমীয়া উপন্যাসৰ সংখ্যা সৰহ। কিন্তু নদীকেন্দ্ৰিক অসমীয়া আঞ্চলিক উপন্যাসৰ ধাৰালৈ চালে দেখা যায়, ঔপন্যাসিক চৈয়দ আব্দুল মালিকৰ ‘সূৰজমুখীৰ স্বপ্ন’ (১৯৬০), প্ৰণীতা দেৱীৰ ‘ধনশিৰিৰ উচুপনি’ (১৯৬১), উমা বৰুৱাৰ ‘লুইতৰ পাৰে পাৰে’, ‘ছিয়ন নদীৰ ঢৌ’ (১৯৬১), লক্ষ্মীনন্দন বৰাৰ ‘গঙাচিলনীৰ পাখি’ (১৯৬৫), নিৰুপমা বৰগোহাঞিৰ ‘সেই নদী নিৰবধি’ (১৯৬৩), ‘ইপাৰৰ ঘৰ সিপাৰৰ ঘৰ’ (১৯৭৯), অমূল্য বৰুৱাৰ ‘এই পদুমণি’ (১৯৬৫), পশুপতি ভৰদ্বাজৰ ‘ছিমছাঙৰ দুটি পাৰ’ (১৯৬৫), লীলা গগৈৰ ‘ নৈ বৈ যায়’ (১৯৮৩), স্বৰ্ণ বৰাৰ ‘পগলাদিয়াৰ সোণালী ৰং’, ‘ছিমছাং নদীৰ হাঁহি’ (১৯৮৭), ‘লুইত পাৰৰ কণ্ঠ’ (১৯৮৯), ‘সোঁৱণশিৰিত ৰেলৰ উকি’, ‘নদীৰ পাৰৰ সুগন্ধি কবিতা’ (১৯৯০), ‘মেঘনা যমুনা থমাছ’ (১৯৯৫), ‘দুধনৈৰ বেদনা’ (১৯৯৮), ‘আই নদীৰ উচুপণি’, ‘কিলিং নদীৰ প্ৰেম’, ‘কুণ্ডিল নদীৰ নিছিগা ধাৰ’, ‘বুঢ়ীদিহিঙৰ মৌপ্যা আৰু আচাৰ্য্য’, ‘ব্ৰহ্মপুত্ৰৰ হৃদয়ৰ স্পন্দন’, চিৰাজউদ্দিন আহমেদৰ ‘নদীৰ নাম শিয়ালদহ’, ৰাজেন পামৰ ‘নদীৰ নাম দুধনৈ’, ইত্যাদি।

অসমীয়া উপন্যাস-সাহিত্যত নদীকেন্দ্ৰিক উপন্যাস এটি বিশিষ্ট ধাৰা। নদী নিৰ্ভৰ জীৱন আৰু তাৰ অনুষঙ্গ বিভিন্ন ধৰণে এই ধাৰাৰ উপন্যাসত ভূমকি মাৰিছে। কেতিয়াবা নদী নিৰ্ভৰ

এক বিশেষ গোষ্ঠী বা সমাজ জীৱনৰ চিত্ৰ চিত্ৰিত হৈছে, কেতিয়াবা আকৌ কোনো কোনো উপন্যাসত নদীৰ মমতাময়ী ৰূপ আৰু কেতিয়াবা ভয়ংকৰী ৰূপে মুখ্য বিষয় হিচাপে স্থান লোৱা দেখা যায়। কাৰণ নদী মানুহৰ জীৱনত পৰোক্ষ বা প্ৰত্যক্ষভাৱে জড়িত। নদীৰ গতিশীলতাই উপন্যাসত গতিশীলতাৰ প্ৰতীক ৰূপে নদীৰ চিত্ৰণ, প্ৰৱাহমান ঘটনাৰ নীৰৱ সাক্ষী আৰু নদী কেতিয়াবা নিজেই হৈ উঠে এটি জীৱন্ত চৰিত্ৰ।উপন্যাসত যেতিয়া নদী এটি জীৱন্ত চৰিত্ৰ ৰূপে সন্নিৱিষ্ট হয়, নৈ-পৰীয়া সমাজ জীৱনৰ সুখ-দুখ, ভাব-ভাষা-সংস্কৃতি, লোক-গীত, লোক-বিশ্বাস, পূজা-পাৰ্বন অনুষ্ঠানাদিক লৈ কোনো উপন্যাস ৰচিত হয়, তেতিয়া ই হৈ পৰে নদীকেন্দ্ৰিক আঞ্চলিক উপন্যাস। অসমীয়া উপন্যাস সাহিত্যত নদীৰ প্ৰয়োজনীয়তা আৰু গুৰুত্ব অনুযায়ী উপন্যাসত নৈসমূহৰ অৰ্ন্তভূক্তিৰ প্ৰচেষ্টা সততে দেখা যায়। সেয়ে অসমীয়া উপন্যাস সাহিত্যত অতি কম সংখ্যক নদীকেন্দ্ৰিক আঞ্চলিক উপন্যাস পোৱা যায়।

**গ) জনজাতীয় বা গোষ্ঠী প্ৰধান আঞ্চলিক উপন্যাস ঃ**

বৃহত্তৰ অসমীয়া জাতি গঠন প্ৰক্ৰিয়াত অসমৰ বিভিন্ন জনজাতি বা গোষ্ঠীৰ অৱদান অলেখ। ভাষা-সাহিত্য আৰু সংস্কৃতিৰ বিভিন্ন উপাদান সংমিশ্ৰিত ৰূপ বৃহত্তৰ অসমীয়া জাতি। কিন্তু প্ৰত্যেক জনজাতি বা গোষ্ঠীৰ নিজস্ব ভাষা-সাহিত্য সংস্কৃতি বিৰাজমান। সেইফালৰ পৰা জনজাতি বা গোষ্ঠী শব্দটো বৰ্তমান কোনো এটা নিৰ্দিষ্ট জনজাতি বা গোষ্ঠীক বুজোৱাৰ উপৰিও বহল অৰ্থত জাতিক বুজাবলৈ লৈছে। জনজাতি বা গোষ্ঠীৰ আভিধানিক অৰ্থ অমসীয়া, বাংলা, ইংৰাজী অভিধানত বিভিন্ন ধৰণে উল্লেখপোৱা যায়। ইংৰাজী ‘commune’ শব্দৰ প্ৰতিশব্দ ‘গোষ্ঠী বা সম্প্ৰদায়’, য’ত মেয়ৰ দ্বাৰা শাসিত সৰু প্ৰশাসনিক গোট বা এটি ক্ষুদ্ৰ অঞ্চলক বুজায়। ‘Pocket Oxford English Dictionary’ ত ‘commune’ শব্দৰ অৰ্থ হ’ল ‘a group of people living together and sharing possessions and responsibilities.’ ইংৰাজী ‘Commune’ পৰা ‘Community’ শব্দ আহিছে। ‘Community’ শব্দৰ আভিধানিক অৰ্থ ‘The term community relates to a wide range of phenomena and has been used as an omnibus word loaded with diverse assosiations.’ আনহাতে, ‘The new millennium pronouncing Anglo-

Assamese Dictionary' ত 'Community' শব্দৰ আভিধানিক অৰ্থ 'People living in one place and having common interests, as in a college or a monastery.' আৰু, 'Tribe' শব্দৰ আভিধানিক অৰ্থ 'A large family descended from one ancestor' 'a primitive race or group of related families governed by a chief' 'a group of people described contemtuously a tribe of flatterers' বুলি উল্লেখ আছে। অৰ্থাৎ 'Community' শব্দই এটি গোষ্ঠী বা সম্প্ৰাদায়ক বুজাইছে ঠিক তেনেদৰে 'Tribe' শব্দই গোষ্ঠী বা জনজাতিক বুজায় যদিও গোষ্ঠী, বংশ, পৰিয়াল আদিৰ ওপৰিও দল, উপদল, শাখাদল, সম্প্ৰদায় ইত্যাদি বিভিন্ন অৰ্থত ব্যৱহৃত হয়। এই দুয়োটা শব্দ অসমীয়াত গোষ্ঠী শব্দাৰ্থৰে অনুৰূপ।

বহুধা বিভক্ত গোষ্ঠী বা জনজাতিৰ অৰ্থগত বৈচিত্ৰ্যৰ এটি কাৰণ হ'ল কোনো কোনো সমাজতত্ত্ববিদ্ নিৰ্দিষ্ট ভৌগোলিক পৰিসীমাৰ একক সমাজ হিচাপে গণ্য কৰিছে। আন কিছুমানে সমাজ-সম্পৰ্কৰ কথা কয়। এনে দৃষ্টিকোণৰ পৰা আমি ধাৰণা কৰিব পাৰি যে, কোনো ভৌগোলিক পৰিসীমাৰ ভিতৰত মানৱ সমাজৰ ধৰ্ম, ভাষা, সংস্কৃতি, বৃত্তি, জাতি আৰু জাতিত্ব ইত্যাদিৰ মাজত ঐক্যৰ সম্পৰ্ক গঢ় লয়, সেয়াই গোষ্ঠী বা জনজাতি। অৱশ্যে ধৰ্ম, ভাষা-সংস্কৃতিৰ ঐক্য কেৱল আদিম জনজাতি বা গোষ্ঠীৰ নহয়, নৃ-তাত্ত্বিক সকলে কিছু লক্ষণ নিৰ্ধাৰণ কৰিছে। তাৰ ভিতৰত আদিম জনজাতি বা গোষ্ঠীৰ লোক সকলে একে ভাষাত কথা কয়, একে ভৌগোলিক পৰিসীমাৰ ভিতৰত বাস কৰে, একে সংস্কৃতি মানি চলে, এনে ঐক্যৰ ভিত্তিত জীৱনযাত্ৰা অব্যাহত থাকে। ভৌগোলিক, ভাষাগত, আচাৰগত, মিথ্‌গত, বৃত্তিগত য'ত সমতা আছে আৰু গোষ্ঠীগত উপাদান সুৰক্ষিত, আধুনিক সমাজ ব্যৱস্থাই গোষ্ঠীগত সমাজ ব্যৱস্থাক চুব পৰা নাই, সভ্য সমাজৰ পৰা সম্পূৰ্ণ নিলগত থাকি নিজস্বতা বৰ্তাই ৰাখিবলৈ সক্ষম, তেওঁলোকে জনজাতি বা গোষ্ঠী। এনে লক্ষণৰ ভিত্তিত জনজাতীয় বা গোষ্ঠীপ্ৰধান আঞ্চলিক উপন্যাসৰ সংজ্ঞা নিৰ্ণয় কৰা টান যদিও জনজাতীয় বা গোষ্ঠীপ্ৰধান আঞ্চলিক উপন্যাসৰ অৰ্ন্তনিহিত উদ্দেশ্য কোনো অচিনাকি অঞ্চল বিশেষৰ অজ্ঞাত জাতি-জনগোষ্ঠীয় জীৱনৰ বিবিধ চিত্ৰণৰ ৰূপ প্ৰদান কৰা। জনজাতীয় বা গোষ্ঠীপ্ৰধান আঞ্চলিক উপন্যাস প্ৰসংগত সত্যেন্দ্ৰ নাথ শৰ্মাই উল্লেখ কৰিছে—

*'জনজাতীয় জীৱনভিত্তিক উপন্যাসবাজি আঞ্চলিক উপন্যাস, কাৰণ এটা*

*ভৌগোলিক পৰিসীমাৰ মাজত আৱদ্ধ কৌলিক প্ৰথানুসৰি বাস কৰা, স্বতন্ত্ৰ ভাষা আৰু সংস্কৃতি সম্পন্ন এটা উপজাতিৰ আশা-আকাংশা আৰু সমাজক ইয়াত ৰূপ দিয়া হয়।'*[১৭]

উপন্যাসৰ ক্ষেত্ৰত জনজাতীয় বা গোষ্ঠীপ্ৰধান আঞ্চলিক অভিধাটি সংযুক্ত কৰাৰ লগে লগে ধাৰণা কৰিব পৰা যায় যে, উপন্যাস যি পটভূমি নিৰ্ভৰশীল, সেই পটভূমিকেন্দ্ৰিক জনজাতি বা গোষ্ঠীৰ ইতিহাস, ভাষা-সংস্কৃতি, ভৌগোলিক, সামাজিক, ৰাজনৈতিক, অৰ্থনৈতিক পৰিকাঠামোৰ বিশ্লেষণৰ ওপৰিও ৰীতি-নীতি, লোক-বিশ্বাস, লোকপ্ৰথা, লোকাচাৰ, মিথ্ আদিৰ নিখুঁত বৰ্ণনা দাঙি ধৰিব পৰা যায়, সেই উপন্যাসকে জনজাতীয় বা গোষ্ঠীপ্ৰধান আঞ্চলিক উপন্যাস বুলিব পাৰি। এইখিনিতে উল্লেখ কৰিব পাৰি যে, ১৮৯৪ চনত প্ৰকাশিত ৰজনীকান্ত বৰদলৈৰ জনজাতীয় জীৱন আৰু সমাজ-সংস্কৃতি বিষয়ক প্ৰথম অসমীয়া উপন্যাস 'মিৰিজীয়ৰী', য'ত অসমৰ জনজীৱনৰ প্ৰাণস্বৰূপ ব্ৰহ্মপুত্ৰৰ দুয়োপাৰে বসবাস কৰা মিচিংসকলৰ জীৱনগাঁথা বিদ্যমান।

ভাৰতৰ পূব প্ৰান্তত অৱস্থিত অসম তথা সাতভনী বুলি পৰিচিত মেঘালয়, মিজোৰাম, ত্ৰিপুৰা, অৰুণাচল, মণিপুৰ, নাগালেণ্ডৰ মধ্যমণি অসম। অসমক কেন্দ্ৰ কৰি বাকী ছয় ৰাজ্যৰ সংযোগী ভাষা অসমীয়াৰ প্ৰচলন আৰু অসমীয়া ভাষাত সাহিত্য চৰ্চাৰ নজিৰ বৰ্তমান। উত্তৰ-পূব ভাৰতৰ বাঢ়ে বৰণীয়া সংস্কৃতিৰ লগতে বিভিন্ন সম্প্ৰদায়, জনগোষ্ঠীৰ বসতি প্ৰধান অঞ্চল। জনগোষ্ঠীবোৰৰ ভাষা-সংস্কৃতিৰ নিজস্ব ৰূপ, আঞ্চলিক প্ৰাকৃতিক পৰিৱেশ, আঞ্চলিক বৈশিষ্ট্যৰ লগত খাপ খোৱা জীৱন-নিৰ্বাহ পদ্ধতি, পৰম্পৰাগত ৰীতি-নীতি, চৰিত্ৰৰ চাৰিত্ৰিক শৈলী, সমাজ-ব্যৱস্থা বিৰাজমান। বিভিন্ন জনগোষ্ঠীয় সমাজ ব্যৱস্থাৰ ওপৰত বিভিন্ন জনগোষ্ঠীয় লেখকে কথাসাহিত্য সৃষ্টি কৰাৰ ভিতৰত ৰংবং তেৰাং, য়েছে দৰ্জি ঠংছি, জয়ন্ত ৰংপি, মনোৰঞ্জন লাহৰী, লুম্বেৰ দাই আদিৰ নাম ল'ব পাৰি। জনগোষ্ঠীয় সমাজৰ ওপৰত যে কেৱল জনজাতিৰ লেখকে কথাসাহিত্যৰ সৃষ্টি কৰিছে, তেনে নহয় বৰং অজনজাতীয় লেখকৰ অৱদান বিশেষভাৱে মনকৰিবলগীয়া। এই ক্ষেত্ৰত ৰজনকান্ত বৰদলৈৰ পৰা ৰীতা চৌধুৰীলৈকে বিভিন্ন জনজাতীয় বৈশিষ্ট্য সম্পন্ন উপন্যাস সাহিত্য সৃষ্টি হোৱা দেখা যায়। জনগোষ্ঠীয়মূলক সকলোবোৰ উপন্যাসক আঞ্চলিক উপন্যাসৰ শাৰীত স্থান দিব নোৱাৰি। কিন্তু জনগোষ্ঠীয়

বৈশিষ্ট্য সম্পন্ন জীৱনৰ হাঁহি-কান্দোন, সুখ-দুখ, প্ৰেম-প্ৰীতি, মাত-কথা, আচাৰ-ব্যৱহাৰৰ দিশ সমূহ তুলি ধৰাটোৱে গুৰুত্বপূৰ্ণ কথা। অসমীয়া উপন্যাস সাহিত্যৰ বুৰঞ্জীত জনজাতীয় বা গোষ্ঠী প্ৰধান আঞ্চলিক উপন্যাসৰ উপাদানযুক্ত প্ৰথম অসমীয়া উপন্যাস ৰজনীকান্ত বৰদলৈৰ 'মিৰিজীয়ৰী'। 'মিৰিজীয়ৰী' উপন্যাসত বৰদলৈয়ে মিচিং জনগোষ্ঠীৰ সমাজ আৰু জীৱনক প্ৰাধান্য দি মিচিং সমাজ ব্যৱস্থা, মিচিং মানুহৰ সুখ-দুখ, হাঁহি-কান্দোনৰ লগতে ভাষা-সংস্কৃতিৰ সুকীয়া প্ৰয়োগে এক অনন্য মাত্ৰা প্ৰদান কৰিছে। চহা সমাজৰ প্ৰেম কাহিনীৰ ৰমণীয় পৰিৱেশত মিচিং সমাজৰ ৰীতি-নীতি, উৎসৱ-পাৰ্বন, গীত-মাত আদিয়ে এটা অঞ্চলৰ লোক জীৱন পদ্ধতি, লোক-বিশ্বাস, কুসংস্কাৰ আদিৰ বিস্তৃত ৰূপ চিত্ৰিত কৰিছে। সেইফালৰ পৰা নিঃসন্দেহ 'মিৰিজীয়ৰী' উপন্যাসখন আঞ্চলিক উপন্যাস। মিৰি বা মিচিং সমাজ জীৱনক লৈ অসমীয়া সাহিত্যত কেইবাখনো উপন্যাস ৰচনা হৈছে। বিষ্ণু প্ৰসাদ ৰাভাৰ 'মিচিং কনেং', গনেশ পেগুৰ 'পঃ পৃৰ' (১৯৮৬), তৰুণ চন্দ্ৰ পামেগামৰ 'সমাজৰ শেষ সীমাত' যতীন মিপুনৰ 'মিকচিজিলি', ভৰেন পেগুৰ 'ঐয়াও' শাৰন্তী পেগুৰ 'কটা নৈৰ আৰ্তনাদ' আদি উপন্যাস মিচিং জনজাতিৰ সমাজ-জীৱনক কেন্দ্ৰ কৰি কাহিনী গঢ় লৈছে। মিচিং সমাজৰ লোক পৰম্পৰা, লোক-বিশ্বাস, পাহাৰী জীৱনৰ টুকুৰা টুকুৰা জনজীৱনৰ ছবি, সংস্কাৰৰ মনোভাব, মহাপুৰুষীয়া ধৰ্মৰ প্ৰভাৱ, নাৰী নিষ্পেষণৰ প্ৰতিবাদ, গ্ৰাম্য সমাজৰ এশকুৰি সমস্যা আদি উপন্যাসৰ মাধ্যমত প্ৰতিফলিত কৰিছে। কাৰ্বি জনগোষ্ঠীৰ ওপৰত ৰংবং তেৰাঙৰ 'ৰং মিলিৰ হাঁহি' উপন্যাসত কাৰ্বি জনগোষ্ঠীৰ সমাজ জীৱনৰ ছবিবোৰ লাহে লাহে হেৰাই যাব খোজা চিত্ৰ অংকন কৰিছে। সাধাৰণতে কৃষি জীৱন, ধৰ্মীয় বিশ্বাস, উৎসৱ-অনুষ্ঠান, ভৈয়ামৰ সমাজ-ব্যৱস্থাৰ ছবি মহিমাময়ী হৈ উঠিছে। তেনেকৈ গাৰো সমাজক লৈ পশুপতি ভৰদ্বাজৰ 'ছিমছাঙৰ দুটি পাৰ', খাছি সমাজক লৈ অমূল্য বৰুৱাৰ 'উ কুন জঙা', ৰাভা সমাজক লৈ খগেন ৰাভাৰ 'ৰমলা', ডিমাচা সমাজক লৈ স্বৰ্ণ বৰাৰ ডিয়ুং নদীৰ গীত, নগা সমাজক লৈ কৈলাশ শৰ্মাৰ ' বিদ্ৰোহী নগাৰ হাতত' আদি সমাজক লৈ লুম্বেৰ দাইৰ 'পৃথিৱীৰ হাঁহি' বড়ো সমাজক লৈ স্বৰ্ণ বৰাৰ 'আই নদীৰ উচুপনি', তিৱা সমাজক লৈ ৰীতা চৌধুৰীৰ 'দেওলাংখুই' উপন্যাস আদিত বিভিন্ন জনগোষ্ঠীৰ জীৱন চিত্ৰ প্ৰকাশ পাইছে। উল্লেখিত উপন্যাসসমূহত সামাজিক জীৱনৰ বিভিন্ন দিশ, শৈক্ষিক বাতাবৰণৰ নতুন পৰিৱেশ আৰু পৰিৱৰ্তন, নিত্য-নতুন সমস্যা আৰু সমাধানৰ

উপলব্ধি কৰিব পৰা যায়। ভাষা, উপমা-চিত্ৰকল্প, প্লটৰ গঠন, সময় ইত্যাদিৰ ক্ষেত্ৰত জনগোষ্ঠীয় জীৱন সংশ্লিষ্ট উপাদানসমূহৰ বৈচিত্ৰ্যময় উপস্থাপন ৰীতিৰ প্ৰকাশভংগীয়ে জনগোষ্ঠীয়মূলক উপন্যাসসমূহক মনোগ্ৰাহী কৰি তোলে।এইক্ষেত্ৰত জনগোষ্ঠীয় জীৱন চেতনা আৰু নিৰ্বাচিত জনগোষ্ঠীয় অঞ্চল বিশেষৰ জীৱনৰ গভীৰতা অনুধাৱনৰ ক্ষেত্ৰত ঔপন্যাসিক সদা সচেতন হোৱা বিশেষ প্ৰয়োজন। কিয়নো আঞ্চলিক প্ৰাকৃতিক পৰিৱেশৰ লগত-সংস্কৃতিৰ ঐতিহ্য আৰু জনগোষ্ঠীয় সমাজ জীৱনৰ লগত একাত্মভাৱ গঢ়ি তোলা বাঞ্চনীয়, নহ'লে জনগোষ্ঠীয় জীৱন চেতনা আৰু সমস্যা উপন্যাসত বাস্তৱায়িতভাৱে প্ৰতিফলিত কৰা সম্ভৱ নহয়।

**শীলভদ্ৰৰ উপন্যাস সমগ্ৰ ঃ**

ৰেৱতীমোহন দত্ত চৌধুৰী। ছদ্মনাম শীলভদ্ৰ। শীলভদ্ৰই 'অভিযোগ' নামৰ গল্প ৰচনাৰে অসমীয়া কথা-সাহিত্যত গদ্যশৈলীৰ এক নতুন ধাৰা সংযোজনৰে অসমীয়া উপন্যাস সাহিত্যৰ পথাৰত খোজ পেলায় সত্তৰ দশকত। এই সময়ছোৱাত অৰ্থনৈতিক সংকট, দুৰ্নীতি অধঃপতন, মধ্যবিত্ত শ্ৰেণীৰ পাশ্চাত্য অনুকৰণ, ৰাজনৈতিক বেমেজালি, মূল্যবৃদ্ধি, নিবনুৱা সমস্যা, খাদ্য সংকট আদি এশ-এবুৰি সমস্যাই অসমৰ সমাজ জীৱনক অস্থিৰ কৰি তুলিছিল। এনে অস্থিৰতাই ঐতিহ্য আৰু মূল্যবোধত আঘাত হানে। যাৰ পৰিণতিত সমাজত পৰিৱৰ্তনৰ সূচনা হয়। এনে এক জটিল সন্ধিক্ষণত শীলভদ্ৰই উপন্যাস জগতত প্ৰৱেশ কৰা হেতু শীলভদ্ৰৰ উপন্যাসত বাস্তৱ চেতনাবোধৰ গভীৰতা আৰু শোষিত, লাঞ্ছিত, বঞ্চিত জনসাধাৰণৰ প্ৰতি সহানুভূতিশীলতা, প্ৰাচীন ঐতিহ্য আৰু পুৰণি মূল্যবোধৰ ছবি স্পষ্ট। ১৯৭১ চনত 'মধুপুৰ' আৰু 'তৰংগিনী' উপন্যাসৰ জৰিয়তে অসমীয়া সাহিত্যত আত্মপ্ৰকাশ কৰা শীলভদ্ৰ ৰচিত উপন্যাস আঠখন। প্ৰকাশিত উপন্যাসসমূহ হ'ল — 'মধুপুৰ' (১৯৭১), 'তৰংগিনী' (১৯৭১), 'আহঁতগুৰি', (১৯৭৩), 'আগমনীৰ ঘাট' (১৯৭৩), 'অবিচ্ছিন্ন' (১৯৮০), 'প্ৰাচীৰ' (১৯৮০), 'গধূলি' (১৯৮১), 'অনুসন্ধান' (১৯৮৭)।

শীলভদ্ৰৰ উপন্যাসৰ বিষয়বস্তু মূলতঃ এটি অঞ্চল ভিত্তিত আহৰণ কৰা পূৰ্ণ অভিজ্ঞতাৰ জীৱন্ত ফচল। যি অভিজ্ঞতাই সোঁৱৰাই দিয়ে একো-একোটা অঞ্চলৰ তিতা-মিঠা-

কেঁহা সমাজৰ আইন-শৃংখলা, সমাজ-ব্যৱস্থা, আচাৰ-আচৰণ, ভাষিক বিচিত্ৰতা, সাংস্কৃতিক সমন্বয়, ঐতিহ্য আৰু পৰম্পৰা, অভিজাতৰ ঢং, জাত্যািভিমান সমাজৰ অধঃপতন আৰু মধ্যবিত্ত শ্ৰেণীৰ উত্থান। এই বিষয়বোৰ শীলভদ্ৰৰ উপন্যাসত সততে প্ৰতিফলিত হয়। বিশেষকৈ উপন্যাসৰ অন্তৰ্গত কথাবোৰ পৰিকল্পিতভাৱে সংযোগ নকৰা বাবে কাহিনীৰ এককত্ব বিচাৰি পোৱা টান। সৰু কাহিনী বা ক্ষুদ্ৰ ঘটনাবোৰ সংযোজন কৰোঁতে বাস্তৱ প্ৰতিচ্ছবিৰ অবিকল ৰূপ তুলি ধৰাত নিৰ্দিষ্ট কোনো নায়ক বা নায়িকা বিচাৰি পোৱা নাযায়। তাৰ বিপৰীতে সৰু-বৰ অনেক চৰিত্ৰৰ সংযোজন দেখা যায়। বৰ্ণিত বিষয় আৰু চৰিত্ৰবোৰ সবল আৰু প্ৰোজ্জ্বল। গতিকে শীলভদ্ৰৰ উপন্যাসৰ পটভূমি, কাহিনী, বিষয়বস্তু, চৰিত্ৰ লৈ লক্ষ্য কৰিলে তেখেতৰ উপন্যাসৰ এটি সাৰ্বজনীন বৈশিষ্ট্য ফুটি উঠে, সেয়া হ'ল অতীত স্মৃতি ৰোমন্থন। ঔপন্যাসিক সততে অতীত মূখী হৈ ইতিহাসৰ পাতত বিচৰণ কৰে। অতীত স্মৃতি ৰোমন্থনৰ অন্তৰালত লুকাই থাকে ঐতিহ্য চেতনা। ঐতিহ্য চেতনাক সমল হিচাপে লৈ কোনো এক নিৰ্দিষ্ট অঞ্চলৰ আঞ্চলিকৰেহ-ৰূপ, বিশেষকৈ থলুৱা ভাষা-সংস্কৃতি, থলুৱা চৰিত্ৰৰ নিখুঁত ৰূপ, পাৰিপাৰ্শ্বিক পৰিৱেশ আদিৰ বৰ্ণিত চিত্ৰৰ মাধ্যমত মানুহৰ সুখ-দুখ, হাঁহি-কান্দোন, আশা-আকাংশাৰ বাস্তৱ প্ৰতিচ্ছবি ফুটি উঠা দেখা যায়। বাস্তৱ চিত্ৰ ফুটি উঠাৰ মূলতে শীলভদ্ৰৰ জীৱনৰ প্ৰত্যক্ষ অভিজ্ঞতা। সেই সম্পৰ্কত শীলভদ্ৰই 'গৰীয়সী'ক দিয়া এটি সাক্ষাৎকাৰত উল্লেখ কৰিছে—

> *'উপন্যাস এখন লিখিবলৈ যিহেতু যথেষ্ট অভিক্ষতাৰ দৰকাৰ। সাৰ্থক উপন্যাস লিখিব লাগিলে সামাজিক, ৰাজনৈতিক, অৰ্থনৈতিক আদি সকলো দিশৰ সম্যক ধাৰণা থাকিব লাগিব। আনকি ঐতিহাসিক জ্ঞানৰো প্ৰয়োজন।'* [১৮]

এনে দৃষ্টিকোণৰ পৰা শীলভদ্ৰৰ উপন্যাস সমগ্ৰ অৱলোকন কৰিলে দেখা যায় যে, উপন্যাস সমগ্ৰৰ পটভূমি মধুপুৰ তথা গৌৰীপুৰ। গৌৰীপুৰকেন্দ্ৰিক অবিভক্ত গোৱালপাৰা জিলাৰ ঐতিহ্য আৰু ইতিহাস, কৃষ্টি, লোক-পৰম্পৰা, নৈ-পৰীয়া মানুহৰ জীৱন চিত্ৰ, মাত-কথা আৰু সামাজিক পৰিৱৰ্তন আৰু পৰিৱৰ্ধন শীলভদ্ৰৰ উপন্যাসত সততে দেখা যায়। বিশেষকৈগৌৰীপুৰ অঞ্চলৰ খিলঞ্জীয়া অধিবাসী কোচ-ৰাজবংশী, ৰাভা আৰু থলুৱা মুছলমানৰ লগতে কলিতা, বামুন, নাথ-যোগী, বঙালি, বিহাৰী, মাৰোৱাৰী আদি জাতি-জনগোষ্ঠীৰ

সাতামপুৰুষীয়া সমন্বয় আৰু লোক-সংস্কৃতিৰ বহিঃপ্ৰকাশ শীলভদ্ৰৰ উপন্যাসত স্পষ্ট। গতিকে শীলভদ্ৰৰ উপন্যাস সমগ্ৰ অঞ্চলভিত্তিত ৰচনাৰ পটভূমি, বিষয়বস্তু আৰু বৈশিষ্ট্যগত দিশৰ ওপৰত ভিত্তি কৰি আঞ্চলিক উপন্যাসৰ শাৰীত পেলাব পাৰি। সেইহেতুকে শীলভদ্ৰৰ উপন্যাস সমগ্ৰ আঞ্চলিক দৃষ্টিৰে অৱলোকনৰ প্ৰয়াস কৰা হ'ব।

**মধুপুৰ ঃ**

শীলভদ্ৰ ৰচিত প্ৰথম উপন্যাস 'মধুপুৰ'। প্ৰকাশিত চন ১৯৭১। মধুপুৰ বৰ্তমানৰ গৌৰীপুৰ। গৌৰীপুৰ আছিল জমিদাৰ শাসন ব্যৱস্থাৰ কেন্দ্ৰস্থ। য'ত ঔপন্যাসিক ধূলি-মাকতি, বতাহ, নদ-নদীৰ উতলা ঢৌত লুতুৰি-পুতুৰি ডাঙৰ-দীঘল হৈছিল, দ্বিতীয় বিশ্বযুদ্ধ আৰু স্বাধীনতা আন্দোলনৰ প্ৰভাৱত জমিদাৰ শাসনৰ উত্থান-পতন, সুফল-কুফল আদি স্বচক্ষে প্ৰত্যক্ষ কৰিছিল, তাৰেই বাস্তৱ অভিজ্ঞতাৰ ফচল 'মধুপুৰ' উপন্যাস। ইয়াত বৰ্ণিত কথাবোৰ অবিভক্ত গোৱালপাৰা জিলাৰ ইতিহাস আৰু ঐতিহ্য বিজড়িত জন-জীৱনৰ কথা।

মধুপুৰ। মধুপুৰ এখন সৰু ঠাই। যাৰ ঐতিহ্য চিৰ প্ৰৱাহমান। যিয়ে আজিও চিনাকি কৰি দিয়ে পশ্চিম অসমৰ ধুবুৰী জিলাৰ গৌৰীপুৰ অঞ্চল। ঘুৰলাৰ জমিদাৰ প্ৰতাপ চন্দ্ৰ বৰুৱাই ১৮৫০ চনত গৌৰীপুৰ চহৰ প্ৰতিষ্ঠা কৰে। গৌৰীপুৰ ঐতিহ্য বিজড়িত সামাজিক সাংস্কৃতিক কেন্দ্ৰ হিচাপে গঢ় দিয়াৰ ক্ষেত্ৰত জমিদাৰে অগ্ৰণী ভূমিকা গ্ৰহণ কৰিছিল। তাৰ নিদৰ্শন স্বৰূপ জমিদাৰবাৰী বা ৰাজবাৰীত বিভিন্ন সময়ত পূজা-পাৰ্বন, উৎসৱ অনুষ্ঠিত হৈছিল। অনুষ্ঠানত স্থানীয় লোকগীতি নাট্য কুশানগান, ময়নামতী, সত্যপীৰ, মনাই যাত্ৰা, পদ্মপুৰাণ, বাশীপুৰাণ, ভাৰীগান, খাৰাতাল আদি অনুষ্ঠিত হোৱাৰ লগতে মহামায়া মাঠত দুৰ্গা পূজাৰ সময়ত বহিঃৰাজ্যৰ অপেৰা নাট্যদলৰ নাট মনস্থ হৈছিল। উৎসৱ অনুষ্ঠানবোৰত আমোলা মহৰী জোতদাৰৰ বাহিৰেও স্থানীয় পুৰোহিত, ব্ৰাহ্মণ, জ্যোতিষী, নাপিত, বাদ্যকৰ, হীৰা, মালী, ভূঁইমালী আদি সাধাৰণ শ্ৰেণীৰ মানুহেও অংশ গ্ৰহণ কৰিব পাৰিছিল। তদুপৰি মহিলা সকলেও কাতিকা নৃত্য, ব্ৰত কথা, আইনাম আদি পৰিৱেশন কৰাৰ সুবিধা পাইছিল। ফলত গৌৰীপুৰ গঢ় লৈছিল সাহিত্য সাংস্কৃতিক জগতৰ কেন্দ্ৰ আৰু সমন্বয়ৰ প্ৰতীক ৰূপত। ভাৰত স্বাধীনতাৰ পাছত জমিদাৰী শাসন ব্যৱস্থা, মাটিৰ মালিকানা স্বত্ব, বংশানুক্ৰমিক উত্তৰাধিকাৰী পৰম্পৰা

ক্ৰমন্বাৰয়ে নিঃশেষ হ'বলৈ ধৰে। ইয়াৰ মূলতে বৃটিছ শাসন ব্যৱস্থা, লৰ্ড কৰ্ণৱালচিৰ চিৰস্থায়ী বন্দোৱস্তী, স্বাধীনতা আন্দোলনৰ প্ৰভাৱ আৰু স্বাধীনতা লাভ, ইয়ে জমিদাৰী শাসন ব্যৱস্থাৰ পট পৰিৱৰ্তনৰ অন্যতম কাৰক। স্বাধীনতাৰ পাছত চৰকাৰী নীতি গ্ৰহণ, আইন প্ৰণয়ন কৰি জমিদাৰী অধিগ্ৰহণৰ ফলত সম্পূৰ্ণ অৰ্থনৈতিক ব্যৱস্থা ভাঙি পৰে। গৌৰীপুৰ জমিদাৰ পৰিয়ালৰ উচ্চাভিলাষী মনোভাব আৰু জমিদাৰী শাসন ব্যৱস্থাৰ প্ৰতি অনীহা নামি আহে। জমিদাৰী পৰিয়াল লাহে লাহে কলিকতা মুখী হয়। কলিকতাৰ পৰাই জমিদাৰী শাসন আমোলা বিষয়াৰ হতুৱাই পৰিচালনা কৰিবলৈ লয়। ফলত গৌৰীপুৰৰ চৌদিশে বিশৃংখল দেখা দিয়ে। পৰম্পৰাগত সমাজ ব্যৱস্থাৰ পৰিৱৰ্তে নতুন চিন্তাধাৰা গা কৰি উঠে। এনে নিত্য নতুন পৰিৱৰ্তন আৰু পৰিৱৰ্ধন হ'ল গৌৰীপুৰৰ ঐতিহ্য। একাযাৰত 'মধুপুৰ'ৰ কাহিনীভাগ আগবাঢ়িছে জমিদাৰ আৰু সামন্তযুগীয় অভিজাত শ্ৰেণীৰ অৱক্ষয় আৰু অতদিনে অৱহেলিত, অৱদমিত মানুহখিনি মুৰ দাঙি উঠি অহাৰ চিত্ৰ।

ঔপন্যাসিকে ক'ত অক'ণো খোকজা নলগাকৈ বিভিন্ন চৰিত্ৰ চিত্ৰণৰ সহায়ত কাহিনীভাগ আগবঢ়াই লৈ গৈছে। চৰিত্ৰ সমূহৰ মূখত দিয়া সংলাপে ঐতিহ্য চেতনাবোধ, আধুনিক চেতনাবোধ আৰু লোকজীৱনৰ বাৰ্তাবাহক হিচাপে প্ৰতিনিধিত্ব কৰিছে। 'মধুপুৰ' উপন্যাসত চিত্ৰিত চৰিত্ৰ সমূহৰ ভিতৰত- গজেন মণ্ডল, ভগীৰথ, বীৰেন মূখাৰ্জী, জীতেন ৰায়, আকালু মিস্ত্ৰী, নৰেন চৌধুৰী, গাৰীয়া, প্ৰবীণ, মধুসুধন ৰায়, বীৰেন্দ্ৰ নাৰায়ণ, আৰতি, দীপ্তি, সুৰবালা, অৰুণা আদি কৰি সৰু-বৰ অনেক চৰিত্ৰ। এই চৰিত্ৰবোৰক অভিজাতৰ প্ৰতীক, নিম্ন মধ্যবিত্ত শ্ৰেণীৰ প্ৰতীক আৰু স্ত্ৰী-শিক্ষা আৰু গ্ৰাম্য সমাজৰ প্ৰেমৰ প্ৰতীকি  চৰিত্ৰৰ মাজত সংঘাত, সেই সংঘাতৰ দিশবোৰ পৰ্য্যবেক্ষণ কৰিলে সাধাৰণতে অনুমান কৰিব পৰা যায়, মধুপুৰ কেন্দ্ৰিক জমিদাৰী শাসন, শিক্ষা-সংস্কৃতি আৰু স্বাধীনতা লাভৰ নতুন বাতাবৰণে অৰ্থনৈতিক, সামাজিক, ৰাজনৈতিক দিশত এক আমূল পৰিৱৰ্তন আনিছে। ভগীৰথৰ চৰিত্ৰটি আধুনিক চেতনাবোধৰ নায়ক আৰু স্ত্ৰী-শিক্ষাৰে সচেতন অৰুণা, আৰতিৰ দৰে সাধাৰণ পৰিয়ালৰ নাৰী উচ্চ শিক্ষাৰে শিক্ষিত হৈ আত্মসজাগ আৰু আধুনিক চেতনাবোধেৰে সচেতন হৈ উঠিছে। দিন হাজিৰা তথা সৰু সৰু ঠিকা-ঠাকুলি কৰি ভগীৰথে উন্নতি কৰাৰ লগতে নিজৰ ল'ৰা-ছোৱালী প্ৰবীণ, আৰতিক ইঞ্জিনীয়াৰ, এম, এছ, চি পঢ়ুৱাইছে। ভগীৰথ সাধাৰণ নিম্ন পৰিয়ালৰ, তথাপি

তেওঁৰ আছিল উচ্চাকাংশা, সময়ৰ সোঁতত খোজ মিলি চলিব পৰাকৈ সমাজৰ পৰিৱৰ্তন আৰু পৰিৱৰ্ধনত মিলি যাব পৰা ব্যক্তি। সেয়ে, ঔপন্যাসিকৰ ভাষাত—

*'নতুন যুগৰ নৱ ভগীৰথ। শিক্ষা আৰু সংস্কৃতিৰ বাহকৰ অগ্ৰদূত।'* [১৯]

এক প্ৰকাৰ আত্মকথা জাতীয় ৰচনাৰ দৰে শীলভদ্ৰ মধুপুৰৰ বাসিন্দা হোৱা হেতুকে উপন্যাসৰ আঞ্চলিক পটভূমি সম্পৰ্কে বাস্তৱ জ্ঞান আছিল প্ৰখৰ। উপন্যানখনত ঔপন্যাসিকে মধুপুৰৰ অতীত স্মৃতি ৰোমন্থন কৰি এটাৰ পাছত এটা চৰিত্ৰত আঞ্চলিকতাৰ প্ৰলেপ সানি মধুপুৰ এলেকাৰ প্ৰাকৃতিক পৰিৱেশ, নদ-নদী, মাটি, মানুহ ভাষা-সংস্কৃতি আৰু জমিদাৰ শাসিত শীৰ্ষকেন্দ্ৰ গৌৰীপুৰৰ ইতিহাস, ঐতিহ্যৰ লগত নিবিড় সম্পৰ্ক থকা শ্ৰেণীবিভক্ত নানা চৰিত্ৰ, সিহঁতৰ আচাৰ-আচৰণৰ লগত শ্ৰেণীগত অৱস্থান সুনিৰ্দিষ্টভাৱে বাস্তৱ দৃষ্টিভংগীসহ উপস্থাপন কৰিছে।

লোক-সাংস্কৃতিক দিশৰ পৰা 'মধুপুৰ' উপন্যাসত আঞ্চলিকতাৰ ছাপ সুনিৰ্দিষ্ট। মধুপুৰকেন্দ্ৰিক তথা পশ্চিম অসমকেন্দ্ৰিক লোক-সাংস্কৃতিক উপাদানৰ প্ৰয়োগ যথেষ্ট। জমিদাৰী সংস্কৃতিৰ পৰম্পৰা, কোচ-ৰাজবংশী আৰু স্থানীয় মুছলমান সমাজৰ লোক-সংস্কৃতি উপস্থাপনৰ লগতে কলিতা, বামুণ, নাথ-যোগী, বঙালী, বিহাৰী, মাৰোৱাৰী আদি জাতি-জনগোষ্ঠী মিলি সৃষ্টি কৰা অনন্যবদ্য সংমিশ্ৰিত গৌৰীপুৰীয়া লোক-সাংস্কৃতিক পীঠস্থান মধুপুৰ। স্থানীয় বৈশিষ্ট্যৰ মাজেদি মানুহৰ আচাৰ-আচৰণ, বিশ্বাস-অবিশ্বাস, সংস্কাৰ, পূজা-পাৰ্বন, লোক-প্ৰথা ইত্যাদি তুলি ধৰিছে। গৌৰীপুৰৰ মাঠত জমিদাৰী প্ৰথাৰে দুৰ্গাপূজা বেলবৰণ, অষ্টমী, হাতীৰ সমদল উলিওৱা, আলোকঝাৰী পাহাৰত মহামায়া পূজাৰ প্ৰচলনৰ উল্লেখ, গ্ৰাম্য সমাজৰ কবিৰাজী চিকিৎসা, লোক গীতৰ প্ৰয়োগ-*'পলান লাগি মোৰে আখিয়া'* ঢোকা বিয়াৰ প্ৰথা, ইটাভাতাৰ শুভাৰম্ভ আৰু লোক বিশ্বাসৰ ভিত্তিত আকালু মিস্ত্ৰিয়ে ইটাভাতাত জুই দিয়াৰ প্ৰথা স্পষ্ট —

*'আকালু মিস্ত্ৰিয়ে দিনটো উপবাসে থাকি শুদ্ধ চিত্তে গধূলি পূজা-পাতল কৰি ইটা ভাটাত অগ্নি সংযোগ কৰে। বাকীবোৰে চাৰিওফালৰ পৰা ভাটাত মুঠি মুঠি মচুৰ দাইল ছটিয়াই দিয়ে। সমবেত কণ্ঠে চিএৰি উঠে- 'মুচৰিকা দাইল ভাটা হো যায় লালে লাল।'* [২০]

সাংস্কৃতিকভাৱে চহকী মধুপুৰ। মহেন্দ্ৰ ৰায় গানৰ শিক্ষক। জমিদাৰৰ পৃষ্ঠপোষকতাত

কলিকতাত সুৰ-সাধনাৰ শিক্ষা লৈ চেতাৰ আৰু গানৰ শিক্ষা দি মধুপুৰক সাংস্কৃতিক দিশত চহকী কৰি তোলে। কেৱল সেয়াই নহয়, কলিকতাৰ যাত্ৰা দল, নট্ট কোম্পানি ভোলানাথ অপেৰা, শ্ৰীকান্ত ভাণ্ডাৰীৰ দল আদিৰ প্ৰৰ্দশন আঘোণ, পুহ, মাঘ মাহত প্ৰতি বছৰে সম্পন্ন হয়। সেয়ে, ঔপন্যাসিকৰ ভাষাত —

> *'গান-বাজনা, আমোদ-স্ফুৰ্তি, খেলা-ধূলা, অভিনয়, চিকাৰ পাৰ্টি। এইবোৰৰ মোহ কম নহয়। মানুহে কৈছিল মধুপুৰত মধু আছে। মধুপুৰৰ মানুহে মধু এৰি থাকিব নোৱাৰিছিল।'* [২১]

উপন্যাসত মুখ্য চৰিত্ৰ নায়ক-নায়িকাৰ সলনি স্থানক মুখ্য চৰিত্ৰত উপস্থাপন কৰাটো আঞ্চলিক উপন্যাসৰ এটি অন্যতম বৈশিষ্ট্য। 'মধুপুৰ' উপন্যাসখন আৰম্ভণিৰ পৰা সামৰণিলৈকে কাহিনীভাগ পৰ্য্যবেক্ষণ কৰিলে দেখা যায় যে, উপন্যাসখনত কোনো এটি নিটোল কাহিনী পাবলৈ নাই, বৰঞ্চ খণ্ডিত কাহিনী আৰু খণ্ডিত চৰিত্ৰৰে মধুপুৰ অঞ্চলক উপন্যাসখনৰ মুখ্য চৰিত্ৰ হিচাপে গঢ়ি তুলিছে। আনহাতে ঔপন্যাসিকে যেতিয়া প্ৰচলিত ৰীতিৰ উপন্যাস ৰচনাৰ পৰিৱৰ্তে আঞ্চলিক উপন্যাস ৰচনা কৰাৰ মন মেলে, তেতিয়া বাস্তৱ পটভূমি উপস্থাপনৰ তাগিদাত ইতিহাস, ভূগোল, বিজ্ঞান, নৃতত্ত্বগত বিষয়বোৰ অধ্যয়ন কৰি সেই বিশেষ অঞ্চলৰ লোকায়ত জীৱনৰ সংস্কাৰ-কুসংস্কাৰ, লোক-কথা, লোক-সংস্কৃতিৰ ভিন্ন দিশ উন্মোচিত হয়। অৰ্থাৎ সেই বিশেষ অঞ্চলৰ প্ৰত্যক্ষ অভিজ্ঞতাৰ মাজেৰে সেই অঞ্চলৰ অধিবাসীৰ লগত ভাবৰ আদান-প্ৰদান কৰিবলৈ সুযোগ পায়, তেতিয়া উপন্যাসত আঞ্চলিকতাৰ বাস্তৱ চিত্ৰ প্ৰতিফলিত হৈ উঠে।

'মধুপুৰ' উপন্যাসত প্ৰকৃতি আৰু মানুহৰ সম্পৰ্ক নিবিড়। চৰিত্ৰ চিত্ৰণত নিম্ন মধ্যবিত্ত শ্ৰেণী আৰু অভিজাত শ্ৰেণীৰ মানুহৰ অবিকল ৰূপ অংকন কৰি স্থানীয় ৰং (local colour) স্পষ্টভাৱে ফুটাই তুলিছে। স্থানীয় বৈশিষ্ট্যৰ মাজেৰে মানুহৰ আচাৰ-আচৰণ, লোকবিশ্বাস, সংস্কাৰ, পূজা পাৰ্বন, ভাষা আদিৰ উপস্থাপনে স্থানীয় ৰং অধিক প্ৰকট হৈ উঠিছে। কথা কোৱাৰ ধৰণ, উচ্চাৰণগত ভংগীমা, শাৰীৰিক গঠন, খাদ্য খোৱাৰ কৌশল, অভিজাত শ্ৰেণীৰ ধমকি, ভয়ত পেপুৱা লগা আদি উপস্থাপনে আঞ্চলিকতাৰ প্ৰভাৱ বিশেষভাৱে পৰিস্ফুটিত। আঞ্চলিক উপন্যাসৰ বৈশিষ্ট্যগত বিষয় 'মধুপুৰ' উপন্যাসত প্ৰতিফলিত হৈছে, সেয়ে 'মধুপুৰ' উপন্যাসক নিঃসন্দেহে আঞ্চলিক উপন্যাস বুলি ক'ব পাৰি।

**তৰংগিনী ঃ**

'তৰংগিনী' উপন্যাসৰ পটভূমি উজনি অসমৰ তৰংগিনী চাহ বাগিচা। তৰংগিনী চাহ বাগিচাত দুবছৰীয়া কৰ্ম জীৱনৰ স্মৃতিয়ে ঔপন্যাসিকক তৰংগিনী সৃষ্টিত অৰিহণা যোগাইছে। অতীত স্মৃতি ৰোমন্থনৰে 'তৰংগিনী' উপন্যাসত বৰ্ণিত কাহিনীয়ে চাহ মজদুৰৰ সমাজখনক প্ৰতিনিধিত্ব কৰে। বিশেষকৈ অসমৰ চাহ বাগানত ঘটি থকা নিয়মমাঁফিক জীৱনৰ যি অংক, সেই অংক বনুৱাসকলৰ। বনুৱাসকলৰ জীৱন পৰিকাঠামো, মালিকৰ স্বেচ্ছাৰিতা আৰু আভিজাত্য, বাগানীয়া সমাজত বিশ্বাস-অবিশ্বাস, নাৰী সমাজৰ অশোচনীয় অৱস্থাৰ বাস্তৱানুগ বিৱৰণ আৰু নৰ-নাৰীৰ ভিন্ন সুৰ হ'ল 'তৰংগিনী উপন্যাসৰ পটভূমি। সেই পটভূমিত ৰচিত চাহ বাগিচাত কাম কৰা অভিজ্ঞতাৰ বাস্তৱ চিত্ৰণৰ বহিঃপ্ৰকাশ হ'ল তৰংগিনী।

'তৰংগিনী' উপন্যাসৰ কাহিনী-কথনৰ যি প্ৰৱণতা, সেয়া অতীত স্মৃতিক সংগ কৰিয়ে কাহিনী গতি কৰিছে। দহ বছৰ পাছত এসময়ত মেনেজাৰ হিচাপে কাম কৰা মানুহজনৰ তৰংগিনী চাহ বাগিচাৰ কথা মনত পৰিছে। সেইবাবে তৰংগিনী বাগিচা বুলি ৰাওনা। কিন্তু তৰংগিনী বাগচাত উপস্থিত নহৈ উপস্থিত হ'ল ওচৰৰে আন এখন বাগিচাত। তেতিয়া তেওঁৰ মনত ভূমকি মাৰিলেহি দহ বছৰ পূৰ্বে কাম কৰা তৰংগিনীৰ ডুখৰীয়া স্মৃতিলৈ। ডুখৰীয়া স্মৃতিৰ সংযোগত 'তৰংগিনী' উপন্যাসৰ কাহিনী গঢ় লৈ উঠিছে। কাহিনী উপস্থাপনত কোনো একক কাহিনী পাবলৈ নাই। বৰ্ণিত কাহিনীত চাহ মজদুৰৰ জীৱন চিত্ৰৰ লগত প্ৰেমৰ চিত্ৰ সংযোজনৰে কাহিনী গতি কৰিছে। বাগিচাৰ চাহ মজদুৰ সমাজ কোনো এক জাতি বা জনগোষ্ঠীৰ সমাজ নহয়। বাগিচালৈ কাম কৰাৰ বাবে সময়ে সময়ে বিভিন্ন ঠাইৰ পৰা বিভিন্ন সম্প্ৰদায়ৰ মানুহ আনি বনুৱা হিচাপে নিয়োগ কৰিছিল। ঔপন্যাসিকে উল্লেখ কৰিছে —

> '*এই মজদুৰ সকলক অনা হৈছে ছোটনাগপুৰ, বিলাসপুৰ, সাওতাল পৰগনা ইত্যাদি ঠাইৰ পৰা।*' [২২]

এই বিভিন্ন সম্প্ৰদায়ৰ সংমিশ্ৰণত গঢ় লৈ উঠিছে চাহ মজদুৰ সমাজ। সমাজখনত ঘটা দৈনন্দিন জীৱন পৰিক্ৰমাৰ যি চিত্ৰ, তাৰ মূলতে শিক্ষাৰ অনগ্ৰসৰতা, অত্যাধিক মদপান আৰু লোক সমাজৰ পৰা আঁতৰি থকা। অৰ্থাৎ জীৱন আৰু সমাজ সম্পৰ্কে অজ্ঞতা। তথাপিও সিহঁতৰ মাজত অকৃত্ৰিম ভালপোৱা, সহজ জীৱন পদ্ধতিৰে চলা, মেনেজাৰ, কেৰাণী মহৰীয়ে সৰলতাৰ সুযোগ

লোৱা আদিৰ যি জীৱন চিত্ৰ, সেয়া তৰংগিনীত সুন্দৰ কৈ প্ৰকাশ পাইছে। মেনেজাৰ মহিম ৰায়ৰ চিলন্তীৰ প্ৰতি জৈৱিক কামনা, মহিম ৰায়ৰ ছোৱালী শোভাৰ প্ৰতি ঔপন্যাসিকৰ প্ৰেমানুগত্য আদিয়ে কাহিনীৰ মূল উপজীৱ্য। কাৰণ ঔপন্যাসিকৰ প্ৰেমৰ নীৰৱ প্ৰকাশভংগী আৰু শোভাৰ নীৰৱ প্ৰেমৰ যি মনঃসমীক্ষা, সেইকথা উপন্যাসখনৰ সামৰণিত উল্লেখ কৰিছে —

*'চিলন্তীয়ে ক'লে- 'সিদিনা কি কৈছিল মই বুজি পোৱা নাছিলোঁ। চিলন্তী বুলি মাতিব গৈয়ো চি বুলি আৰম্ভ কৰিয়ো নামটো তেওঁ শেষ পৰ্যন্ত নক'লে- তোমাৰ জীৱ সাৰ্থক। তোমাৰ মৰমে আশ্ৰয় বিচাৰি পাইছিল। মোৰ মৰমে চিৰদিন শূন্য আকাশত হাহাকাৰ কৰি ফুৰিব। তেওঁ কথাখিনি মোক কোৱা নাছিল, নিজকেই কৈছিল। কিন্তু প্ৰত্যেকটো শব্দ আজিলৈকে মোৰ স্পষ্ট মনত আছে।' চিলন্তীয়ে অনুসন্ধানী দৃষ্টিৰে মোৰ ফালে চালে। বিশুদ্ধ বাংলাত ক'লে- 'আজিহে বুজি পালোঁ শোভাই কাক মৰম কৰিছিল। আজিহে জানিলো কাৰ ছাঁ দেখিছিলোঁ মই সিদিনা শোভাৰ চকুত।'*[২৩]

প্ৰেমৰ গতিয়ে কাহিনী আগবঢ়াই লৈ গৈছে সঁচা, কিন্তু চাহ মজদুৰৰ জীৱন চিত্ৰ তাৰ মাজতে প্ৰকাশিত হৈছে। গতিকে এইখন উপন্যাসক সম্পূৰ্ণৰূপে আঞ্চলিক উপন্যাসৰ শাৰীত থ'ব নোৱাৰি।

উপন্যাসখন সৃষ্টিৰ প্ৰয়োজনত বহু চৰিত্ৰৰ সংযোজন কৰিছে। ইয়াত কেন্দ্ৰীয় চৰিত্ৰৰ স্থান নাই, ঔপন্যাসিকৰ স্মৃতিচাৰণ কথনভংগীয়ে যেন উপন্যাসখনৰ কেন্দ্ৰীয় চৰিত্ৰ। কিয়নো তৰংগিনী উপন্যাসৰ পটভূমি তৰংগিনী চাহ বাগিচা। সেইফালৰ পৰা উপন্যাসখনৰ বিষয়বস্তুৰ পৰিসৰ সীমিত। বাগিচাত কৰ্মৰত চাহ মজদুৰ সকলৰ দৈনন্দিন জীৱনৰ নিচেই সৰু-সুৰা ঘটনা আৰু সুখ-দুখক লৈ তৰংগিনী চাহ বাগিচা অঞ্চলৰ পৰিৱেশ জীৱন্ত ৰূপত আৰু জীৱন সংগ্ৰামৰ কাহিনী মূৰ্ত হৈ উঠিছে। কাহিনীৰ গতি আগবঢ়াই লওঁতে য'তেই সুযোগ পাইছে, তাতে চৰিত্ৰৰ সংযোজন কৰিছে। সৰু-বৰ অনেক চৰিত্ৰৰ ভিতৰত মহিম ৰায়, ৰাজখোৱা, শোভা, চিলন্তী, যোগানন্দ বৰুৱা, ৰঘুনাথ, ৰামহৰি, সোমৰা, সত্যবালা, লাহন, ওচমান, এৰশ্বাদ, মহাবীৰ, জগুনু, ফুলমতী আদি। এই চৰিত্ৰবোৰৰ ভিতৰত মহিম ৰায়, ৰাজখোৱা, শোভা আৰু চিলন্তীক উপন্যাসখনৰ আদিৰ পৰা অন্ত লৈ পোৱা যায়।

নয়নতৰা বাগানৰ নাম থকা মেনেজাৰ মহিম ৰায়। এজন ভাল চাহ প্ৰস্তুতকাৰক হিচাপে কলিকতাত নাম আছে। অথচ বাগিচাত এটি মুখৰোচক চৰিত্ৰ। পৰিয়ালত পত্নী আছে, আছে গাভৰু জীয়ৰী শোভা, তথাপিও যেন মহিম ৰায়ৰ কিবা এটাৰ অভাৱ। যাৰ বাবে সমাজে চৰিত্ৰহীন বুলি কৈছে। পৰ-নাৰীলৈ লোলুপ দৃষ্টি, চিলন্তীৰ লগত অবৈধ সম্পৰ্কৰ কথা আদি সমাজত বু-বা চলিছে, সেই লৈ মহিম ৰায়ৰ কোনো ভ্ৰূক্ষেপ নাই। অথচ বু-বা বোৰ কাণত নপৰা নহয়। সেয়েহে নিজ চৰিত্ৰ সম্পৰ্কত উপন্যাসখনত উল্লেখ কৰিছে —

> *'মই এটা পশু। পশুৰো অধম। পশু এটাইও নিজৰ সন্তানৰ অমঙ্গল নকৰে। মইয়ে ঠিক-ঠাক কৰি শোভাক বিয়া দিলোঁ। তাইক সুধিছিলোঁ। ক'লে - তুমি যি ঠিক কৰিবা সেয়েই হ'ব। কথা বুলিলেই বতাহ। মোৰ কীৰ্তিৰ কথা কলিকতা পালেগৈ। শোভাৰ ওপৰত অত্যাচাৰ। ক'তো ওলাব নিদিয়ে, কাৰো লগত কথা পাতিব নিদিয়ে। বাপ দুশ্চৰিত্ৰৰ, ছোৱালী ভাল হ'ব পাৰেনে? শোভাই এইবোৰ কথা নিজে মোক একো কোৱা নাই। কৈছোই নহয়। কথা বুলিলে বতাহ।'* [২৪]

উপন্যাসখনত শোভা আৰু চিলন্তী দুটা বিপৰীতধৰ্মী নাৰী চৰিত্ৰ। মহিম ৰায়ৰ ছোৱালী। শোভা মাক-দেউতাকৰ একান্ত বাধ্য ছোৱালী। একো অভাৱ নাই। কিন্তু দেউতাক দুশ্চৰিত্ৰৰ বাবে স্বামী এৰি গোটেই জীৱন কটাব লগা হ'ল। আনহাতে চিলন্তী মজদুৰৰ ছোৱালী। কিন্তু অভাৱগ্ৰস্ত চিলন্তীয়ে দুটা সন্তান আৰু মাকক লৈ পাত তোলা মজুৰিৰে নাটে। এপিনে পেটৰ ভোক, আনপিনে যৌন ক্ষুধা, যাৰ সুযোগ গ্ৰহণ কৰি মেনেজাৰ মহিম ৰায়ে উপপত্নীৰ স্থান দিছে। তদুপৰি যোগানন্দৰ পুত্ৰ যতীন বৰুৱাই আনৰ চৰিত্ৰত সন্দেহ কৰা অথচ নিজে গোপন অভিসাৰত লিপ্ত হোৱা, ৰাজখোৱা এজন কৰ্তব্য পৰায়ণ, অতিথি আপ্যায়ন মজদুৰ এৰশ্বাদ, ৰছিদ, ওচমান, ৰামহৰি আদি কৰ্মব্যস্ত আদি অনেক চৰিত্ৰ থাওকতে ভূমুকি মাৰি নিজৰ পৰিচয় দিবলৈ চেষ্টা কৰিছে। এনেদৰে উপন্যাসখনত উল্লিখিত সৰু-বৰ চৰিত্ৰসমূহ চিত্ৰণৰ সহায়ত বাগানীয়া সমাজ জীৱনৰ প্ৰতিচ্ছবি প্ৰতিফলিত হৈছে।

'তৰংগিনী' উপন্যাসখন বিশ্লেষণৰ দ্বাৰা সিদ্ধান্তলৈ আহিব পৰা যায় যে, উপন্যাসখনৰ পটভূমি তৰংগিনী চাহ বাগিচা। কিন্তু বাগিচাখনত গঢ়লৈ উঠা মজদুৰ সমাজৰ সামাজিক যি

জীৱন চিত্ৰ প্ৰতিফলিত হ'ব লাগিছিল, সেয়া প্ৰতিফলিত হোৱা নাই। তাৰ পৰিৱৰ্তে ঔপন্যাসিকৰ তৰংগিনীত কৰ্মৰত জীৱনৰ কিছু ডুখুৰীয়া স্মৃতিৰ প্ৰকাশ মাথোঁন। স্মৃতি ৰোমন্থনৰ সহায়ত মজদুৰ সমাজৰ মাজত লুকাই থকা সৰল প্ৰেমৰ চিত্ৰ প্ৰকাশ পাইছে। তেওঁলোকে নাজানে জীৱনৰ সংজ্ঞা, স্বাধীনতাৰ অৰ্থ, ৰাজনীতিৰ মেৰপেচ, মালিকৰ স্বৈৰাচাৰিতাৰ কথা। জানে মাথোঁন কৰ্মৰ বিনিময়ত পোৱা দু-পইচা, যি পইচাৰে নচলে সংসাৰ, নভৰে পেট। ফলত সংসাৰৰ প্ৰতি অমনযোগিতাৰ খণ্ড চিত্ৰ আংশিকভাৱে প্ৰকাশ কৰিছে। এই খণ্ড চিত্ৰৰ মাজতে লুকাই আছে লেখক জীৱনৰ অপ্ৰকাশিত প্ৰেম। এই প্ৰেমক কেন্দ্ৰ কৰিয়ে 'তৰংগিনী' উপন্যাসৰ কাহিনী সামৰিছে।

**আগমনীৰ ঘাট ঃ**

শীলভদ্ৰৰ 'আগমনীৰ ঘাট' উপন্যাসখন প্ৰকাশ পায় ১৯৭৩ চনত। শীলভদ্ৰৰ 'আগমনীৰ ঘাট' উপন্যাস এক অঞ্চল বিশেষৰ পটভূমিত ৰচিত কাহিনীৰ মাজেদি এটি সুন্দৰ সৰস চিত্ৰ দাঙি ধৰিছে। উপন্যাসৰ সমল এখন ক্ষুদ্ৰ অঞ্চল। সেই অঞ্চলৰ প্ৰত্যক্ষ দৃশ্য আৰু বাস্তৱ অভিজ্ঞতাৰ স্বাক্ষৰ 'আগমনীৰ ঘাট' উপন্যাস। আগমনীৰ ঘাট মধুপুৰৰ অন্তৰ্গত এখন সৰু ঠাই। এই ঠাইৰ এটি সুকীয়া বিশেষত্ব আছে। বিচিত্ৰ জাতি-জনজাতিৰ ঐক্য-সমন্বয়, ভাষিক বৈচিত্ৰ্য সত্বেও পশ্চিম অসমৰ একেবাৰে পশ্চিম প্ৰান্তত অৱস্থিত গংগাধৰ নদীৰ পাৰত আগমনীৰ ঘাট নামে খ্যাত শিল কঢ়িয়াই ৰাষ্ট্ৰীয় ঘাই পথত শিল পেলোৱাৰ ঠিকাদাৰী ব্যস্ততাৰ মাজত লেখকে সাধাৰণ জন-জীৱনৰ চিত্ৰ তুলি ধৰিছে। সেই আগমনীৰ ঘাটৰ জন-জীৱনৰ লগত সাঙোৰ খাই আছে ব্যৱসায়-বাণিজ্য, কৰ্মসংস্থাপন, জীৱন-জীৱিকাৰ অহৰহ সংগ্ৰামযুক্ত এখন সহজ-সৰল সমাজ। য'ত আছে লোক-সংস্কৃতিৰ নিটোল প্ৰচলন, কৃষিজীৱি সমাজৰ দৈনন্দিন জীৱন ধাৰাৰ লগত নদ-নদীৰ এৰাব নোৱাৰা নিবিড় সম্পৰ্ক। কিন্তু 'আগমনীৰ ঘাট' উপন্যাসত কোনো এক নিখুঁত কাহিনী নাই। কাহিনী মধুপুৰ, গোলকগঞ্জ, আগমনী অঞ্চলকেন্দ্ৰিক। গংগাধৰ নদী ইয়াৰ মূল উপজীব্য। গংগাধৰ নৈখনে জীৱিকা আৰু উপাৰ্জনৰ সমল। গংগাধৰ নৈৰ ঘাট য'ত অৱস্থিত, সেই অঞ্চলৰ নাম আগমনী। সেয়ে আগমনী অঞ্চলৰ আৰ্থ-সামাজিক দিশ প্ৰতিফলিত হোৱাৰ লগতে মধুপুৰৰ সমাজখনৰ চিত্ৰ বিশেষকৈ মধুপুৰৰ

সংস্কৃত টোলৰ বিৱৰণ, মৰাপাটৰ বেপাৰ-বাণিজ্যৰ কেন্দ্ৰ, ঠিকাদাৰী বৃত্তি সম্পৰ্কে মধুপুৰীয়া ধাৰণা, গদাধৰৰ পাৰৰ স্ত্ৰী-শিক্ষাৰ ব্যৱস্থা আদি বৰ্ণিত পৰিঘটনা, মধুপুৰকেন্দ্ৰিক অঞ্চলৰ লোক-সমাজৰ মধ্যবিত্ত শ্ৰেণীৰ উচ্চাত্মিকাভাৱ, থলুৱা নিম্নশ্ৰেণী কোচ-ৰাজবংশী, মুছলমান সকলৰ অৰ্থনৈতিক দুৰৱস্থা, কৰ্মৰ প্ৰতি অনিহা আদিৰ চাক্ষুষ বৰ্ণনাই তৎকালীন লোক-সমাজৰ স্বৰূপ স্পষ্ট। য'ত লোক জীৱন-ধাৰণ পদ্ধতি, পূজা-পাৰ্বন, বিভিন্ন উৎসৱৰ মনোগ্ৰাহী বিৱৰণ সন্নিৱিষ্ট হৈছে। সেয়ে 'আগমনীৰ ঘাট' উপন্যাসত পৰিৱৰ্তনৰ সাঁচ লক্ষণীয় হৈ পৰিছে। এনে পৰিৱৰ্তন আৰু পৰিৱৰ্ধনৰ মাজত 'আগমনীৰ ঘাট' উপন্যাসত স্থানীয় সংস্কৃতি উপস্থাপনৰ অভিনৱত্ব, কৃত্ৰিমতা বৰ্জিত গ্ৰাম্যজীৱনৰ কথ্য ভাষাৰ প্ৰয়োগ, শ্ৰমজীৱি মানুহৰ সহজ-সৰল মনোভাব আদিৰ মাজত গঢ় লয় আগমনী অঞ্চলৰ ভাষিক বিচিত্ৰতা, সাংস্কৃতিক সমন্বয়, য'ত ফুটি উঠে নিজস্ব স্বকীয়তাৰ আত্ম তৃপ্তি। সেই তৃপ্তিৰ মাজত লুকাই থাকে জীৱনৰ মাদকতা, হাঁহি-কান্দোন, সুখ-দুখৰ আখ্যান। তাৰেই বহিঃপ্ৰকাশ পাইছে 'আগমনীৰ ঘাট' উপন্যাসত।

'আগমনীৰ ঘাট' উপন্যাসখনৰ কাহিনীৰ মূল ৰাষ্ট্ৰীয় ঘাইপথত শিল পেলোৱা লেখক জীৱনৰ ঠিকাদাৰী ব্যস্ততাক কেন্দ্ৰ কৰি। ঠিকাদাৰী ব্যস্ততাৰ মাজত লেখকে প্ৰত্যক্ষ কৰিছে আগমনী অঞ্চলৰ জন-জীৱনৰ বাস্তৱ স্বৰূপ। য'ত নিভাঁজ জীৱনৰ চিত্ৰ আঁকিছে একো-একোটা চৰিত্ৰৰ মাজত। ফলত উপন্যাসখনৰ ক'তো একক কাহিনী পাবলৈ নাই। ক্ষুদ্ৰ ক্ষুদ্ৰ কাহিনী বৰ্ণিত চিত্ৰৰ মাজত যোগসূত্ৰ স্থাপন কৰিছে। যোগসূত্ৰৰ আহিলা ৰাষ্ট্ৰীয় ঘাইপথ। নতুনকৈ নিৰ্মাণ হ'ব লগা ৰাষ্ট্ৰীয় ঘাইপথত কৰ্মৰত বনুৱাসকলে আগমনীৰ ঘাটত এখন বৈচিত্ৰ্যময় পৃথিৱী গঢ়ি তুলিছে। বনুৱা সকলৰ বেছিভাগ বাহিৰৰ পৰা আমদানিকৃত বিহাৰী আৰু মুছলমান, কামত পাৰ্গত, তাৰ বিপৰীতে থলুৱা বনুৱাখিনিৰ কামৰ প্ৰতি অনীহা মনোভাব আছিল। উপায়বিহীন থলুৱা বনুৱাসকল পেটৰ তাৰণাত কাম কৰিছিল, যদিও নিজস্বতা পৰিহাৰ কৰা নাছিল। নিজস্বতাৰ মাজতে লুকাই আছিল ভাষা-সংস্কৃতিৰ ভাণ্ডাৰ। ইয়াৰ প্ৰত্যক্ষ অভিজ্ঞতাৰ বাস্তৱ চিত্ৰণৰ বহিঃপ্ৰকাশে আগমনীৰ ঘাট উপন্যাসৰ মূল।

উপন্যাসখনত গড়কাপ্টানি বিভাগৰ শিল যোগান ধৰা ঠিকাদাৰ, মজদুৰ, ট্ৰাক ড্ৰাইভাৰ, নাৱৰীয়া, বনুৱাৰ বাবে যেন আগমনীৰ ঘাট এখন ক্ষুদ্ৰ পৃথিৱী। য'ত নিৰ্মিত হৈছে তিৰিপালৰ সৰু সৰু তম্বু, টিন আৰু চাটাইৰে সজা সৰু সৰু ঘৰ, টুকুৰী, বেলচা, পেট্ৰল, মবিল আদি ৰখা

গুদাম। দিনটো কৰ্ম ব্যস্ততাৰ মাজত অতিবাহিত কৰে, কামৰ মাজে মাজে গীতৰ লহৰ তোলে, কেতিয়াবা কাৰোবাৰ লগত কাজিয়া লাগে, আজৰি পৰত তাচৰ আড্ডাত বহে, কোনোবাই দোতোৰা বজায়, কোনোবাই গীত গায়, কোনোবাই মদ খাই মাতাল হৈ চিঞৰ-বাখৰ কৰে। এনে কোলাহলপূৰ্ণ দৈনন্দিন জীৱন পৰিক্ৰমাৰ মাজত বিচাৰি পায় জীৱনৰ অৰ্থ। জীৱনৰ অৰ্থগত ভিন্ন বিচিত্ৰতাই উপন্যাসখনৰ কাহিনীত সাৰ পানী যোগাইছে। গতিকে আগমনীৰ ঘাট উপন্যাসখনত আদিৰ পৰা অন্তলৈ নিৰীক্ষণ কৰিলে দেখা যায় যে, ঔপন্যাসিকে ঠিকাদাৰী কৰি কিমান লাভ-লোকচান হ'ল সেই হিচাপ-নিকাচ কৰিবলৈ গৈ বহু সৰু-বৰ ঘটনা আৰু সেই ঘটনাসমূহ খণ্ড খণ্ডকৈ চৰিত্ৰৰ মনৰ ক্ৰিয়া-প্ৰতিক্ৰিয়াৰ ছবি মন পৰশাকৈ আঁকিছে।

আগমনীৰ ঘাট উপন্যাসত চিত্ৰিত চৰিত্ৰসমূহৰ বাস্তৱানুগ ভেটি মজবুত। চৰিত্ৰৰ মনস্তাত্বিক বিশ্লেষণ, স্থানীয় পৰিৱেশৰ জীৱন্ত বৰ্ণনা, চৰিত্ৰৰ বিভিন্ন কাৰ্য্যাৱলী আৰু মানসিক ক্ৰিয়া-প্ৰতিক্ৰিয়াৰ খণ্ডিত চিত্ৰৰ সংস্পৰ্শ লৈ আহি স্থানীয় জন-জীৱনৰ ওপৰত দৃষ্টি নিক্ষেপ কৰিছে। ফলত আগমনীৰ ঘাট উপন্যাসখনত চাৰিত্ৰিক বৈশিষ্ট্যগত দিশ স্থানীয় ৰঙৰ অবিকল স্নেপ উঠি আহিছে। ইয়াত যিবোৰ চৰিত্ৰ সন্নিৱিষ্ট কৰা হৈছে, সেই চৰিত্ৰবোৰ সমাজৰ কোনো নহয় কোনো এটি গুৰুত্বপূৰ্ণ দিশক প্ৰতিনিধিত্ব কৰিছে। বিশেষকৈ 'মই', 'মোৰ' বুলি প্ৰথম পুৰুষত বৰ্ণিত কাহিনীয়ে ঔপন্যাসিক নিজে এটি চৰিত্ৰত অৱতীৰ্ণ হৈছে। সেয়ে ইয়াত ঔপন্যাসিককে ধৰি সৰু-বৰ অনেক চৰিত্ৰৰ সমাহাৰ ঘটিছে। তেনে কিছু চৰিত্ৰ হ'ল প্ৰতুল। ভাল লোকগীত গায়। উচ্চাঙ্গ সংগীতৰ নাম কৰা ওস্তাদ নাৰায়ণ বৰদেউতা, গায়ক মনোৰঞ্জন বাবু, এছ, ডি, ও শৰ্মা ঘোচখোৰ, সেই সময়ৰ ঘোচখোৰ শোষক সমাজৰ প্ৰতিভূ। সূৰ্যবাবু সুযোগ সন্ধানী, দ্বিতীয় বিশ্বযুদ্ধৰ সময়ত অজস্ৰ ধন ঘটি অমিতব্যয়িতাৰ বাবে ধ্বংস, গুল মহম্মদ চৰিত্ৰটি হিন্দু-মুছলমানৰ সমন্বয়ৰ প্ৰতীক, শ্ৰীদাম মণ্ডল, গণেশ ড্ৰাইভাৰ পৰম্পৰাগত পণ প্ৰথাৰ মাধ্যমত লোক সমাজক প্ৰতিনিধিত্ব কৰিছে। গোপীবাবু, জ্ঞানবাবু ঠগ, প্ৰৱঞ্চক, মিছলীয়াৰ প্ৰতীক ৰূপত চিত্ৰিত কৰিছে। গজেন মণ্ডল সমাজ সচেতক ব্যক্তি। তেওঁৰ যোগেদি গোৱালপাৰাবাসীৰ উমৈহতীয়া ক্ষোভ প্ৰকাশ কৰিছে —

*'বুজিছা সিফালৰ মানুহে আমাক অসমীয়া বুলি মানিবই নোখোজে।'*

*একমাত্ৰ 'শ'ৰ উচ্চাৰণৰ ওপৰত ভিত্তি কৰি ভাষা এটা হ'ব পাৰে নে?*

*এইটো এটা কথা হ'লনে? ঢাকাৰ মানুহে 'শ' -'হ' কয় নে নকয়? শালাক কয় হালা।'* [২৫]

গোৱালপাৰাৰ মানুহ সম্পৰ্কত গঢ়ি উঠা ভ্ৰান্ত মনোভাব সম্পৰ্কে গজেন মণ্ডলৰ স্থিৰ সিদ্ধান্ত—

*'অস্পৃশ্যতা সকলোতে বেয়া। ভাষাৰ ক্ষেত্ৰতো বেয়া।'* [২৬]

নাৰী চৰিত্ৰ প্ৰমিলা বৌ। সাহসী আৰু স্পষ্টবাদী। স্বাধীনতা আন্দোলনত পৰোক্ষ সহায়কাৰী, যাৰ ফলত ঘূণীয়া হৈ ওৰে জীৱন দুৰ্ভোগ ভুগিবলগীয়া হ'ল। মঞ্জুলা লেখকৰ মনৰ প্ৰতিবিম্ব, আৰ্দশ নিষ্ঠ সুস্থ জীৱনবোধৰ প্ৰতীক। লেখকৰ ঠিকাদাৰী কামৰ প্ৰশংসাৰ সলনি নিন্দা কৰিছে —

*'টকাই তোমাৰ ডাঙৰ হ'ল? মদৰ দোকান এখন নল'লা কিয়? তাত হেনো বহুত টকা।'* [২৭]

উপন্যাসখনত চিত্ৰিত চৰিত্ৰ হৰেকান্ত গুৱাল, ধৈৰ্য মাঝি, ৰাম শংকৰ মিস্ত্ৰি, হাৰান, কাদেৰ, বৰাকতুল্যা, ৰঘুনন্দন, কেতু, জীতেন, ৰামচন্দ্ৰ, নটবৰ, কোব্বাত, ফয়াজ, মনচুৰ আদি চৰিত্ৰ উপস্থাপনৰ দ্বাৰা সমাজত আপেক্ষিকভাৱে অৱহেলিত, অখ্যাত জন-জীৱনৰ ওপৰত আলোকপাত কৰিছে। সমাজৰ অৰ্থনৈতিক অৱস্থা, জীৱন সংগ্ৰামত বিপৰ্যস্ত সৈনিকৰ পলায়নবাদী মনোভাব, গাঁৱলীয়া সমাজ ব্যৱস্থাত পৰম্পৰাগত প্ৰথাৰ সামাজিক ৰীতি-নীতি, পৰিৱৰ্তন আৰু পৰিৱৰ্ধন চৰিত্ৰ সমূহৰ মাজত স্পষ্ট।

আগমনীৰ ঘাট উপন্যাসখনৰ মূল বিষয় কৰ্ম অভিজ্ঞতা। কৰ্মৰ তাগিদাত লেখক যদি ঠিকাদাৰী বৃত্তি গ্ৰহণ নকৰিলহেঁতেন, হয়তো আগমনীৰ ঘাট উপন্যাসত প্ৰতিফলিত কাহিনী, চৰিত্ৰৰ সৰস বৰ্ণনাৰে অবিভক্ত গোৱালপাৰা জিলাৰ জন-জীৱনৰ বাস্তৱ প্ৰতিচ্ছবি প্ৰকাশ নাপালেহেঁতেন। উপন্যাসখনৰ সূত্ৰপাত ঠিকাদাৰী জীৱনৰ হিচাপ-নিকাচ। সেই হিচাপ-নিকাচৰ মাজত বিভিন্ন চৰিত্ৰৰ সংস্পৰ্শ, চাৰিত্ৰিক ভিন্নতা, স্থানীয় পৰিৱেশ আৰু সামাজিক পৰম্পৰা আৰু পৰিৱৰ্তনৰ প্ৰত্যক্ষ অভিজ্ঞতাৰ সমল আগমনীৰ ঘাট। গতিকে উপন্যাসখনৰ সামৰণিত দেখা যায় যে, ঔপন্যাসিক আগমনীৰ ঘাট এৰি যোৱাৰ মুহুৰ্তত মন-প্ৰাণ কাৰুণ্যৰে ভৰি পৰিছে। কাৰুণ্যৰ প্ৰধান তিনিটা কাৰণ উল্লেখ কৰিছে, ঠিকাদাৰী কামৰ লাভ-লোকাচানৰ হিচাপত

যেনেকৈ জীতেন, ৰামচেলা, কুটকু, কেতু, কুতুবহতঁৰ অকৃত্ৰিম ভালপোৱা, স্নেহ পূৰ্ণ আন্তৰিকতাই আউল লগাইছে, আনফালে স্থান-কাল-পাত্ৰৰ বিচ্ছেদ বেদনাই বুকু উদং কৰিছে। তদুপৰি সূৰ্যবাবুৰ আত্মজাহৰ প্ৰচেষ্টা, বিপিনৰ লগত মঞ্জুলাৰ চিভিল মেৰেজৰ বতৰাই লেখকক মৰ্মাহত কৰিছে। তৎকালীন সমাজৰ এটি ক্ষুদ্ৰ অঞ্চলক লৈ নিৰ্মিত স্থানীয় ৰহণৰ বিৰৰণ আৰু বাস্তৱানুগ উপস্থাপন ৰীতিৰ মাজত আৱদ্ধই আঞ্চলিকতাৰ সাৰ্থকতা। সেয়ে আগমনীৰ ঘাট উপন্যাসখন নিঃসন্দেহ এখন আঞ্চলিক উপন্যাস।

**আহঁতগুৰি ঃ**

আহঁতগুৰি উপন্যাসৰ পটভূমি ৩২ নং নেচনেল হাইওৱে। নেচনেল হাইওৱে নিৰ্মাণৰত অৱস্থাত শ্ৰমিক মহৰী ঠিকাদাৰৰ কৰ্ম ব্যস্ততাৰ ৰং চাই থকা আহঁতগুৰি তথা পেৰপেৰীয়া অঞ্চলৰ স্থানীয় ডেকা নীলাম্বৰক হৰিৰামে ৰতিয়াদহৰ পৰা অলপ দূৰত থকা কেঁকুৰিত আহঁত এজোপাৰ তলত সৰু এখন চাহ তামোলৰ দোকান দিয়াত সহায় কৰে। নীলাম্বৰৰ চাহ দোকানখনে আহঁতগুৰিৰ পৰিৱৰ্তনৰ মূল কাৰক। নীলাম্বৰৰ চাহ দোকানক কেন্দ্ৰ কৰি নিত্য-নতুন সৰু-বৰ দোকান গঢ়ি উঠিছে। সাপ্তাহিক বজাৰ বহিছে। বেপাৰীৰ আগমন ঘটিছে, ভিন্ন ভাষা-ভাষী মানুহ আহিছে, কিছুমানে স্থায়ীভাৱে থাকিবলৈ লৈছে, কিছুমানে ব্যৱসায় কৰি গুচি গৈছে, শিক্ষানুষ্ঠান গঢ়ি উঠিছে, এচামে নিঃস্বাৰ্থভাৱে আৰ্থিক সাহায্য আগবঢ়াইছে, এচামে শিক্ষানুষ্ঠানক লৈ ৰাজনীতি কৰিছে, মুনফা লুটিছে, নীলাম্বৰ, বীৰেনৰ দৰে সততা থকা মানুহৰ বাবে আহঁতগুৰিত সমুজুৱা অনুষ্ঠান গঢ়ি উঠিছে। হাইওৱেৰ কাম সম্পূৰ্ণ হোৱাত দূৰ-দূৰণিৰ বাছ ট্ৰাকৰ বাবে যাতায়তৰ পথ সুচল হৈছে। আহঁতগুৰিলৈ দৈনন্দিন ব্যস্ততা ক্ৰমান্বয়ে বাঢ়ি আহিছে। আহঁতগুৰিৰ মানুহ শিক্ষা-দীক্ষাত আগবাঢ়িছে। তাৰ মাজতে আকৌ ৰাজনৈতিক, অৰ্থনৈতিক তথা স্ব-শাসন ব্যৱস্থাৰ অধিকাৰ বিচাৰি স্থানীয় মানুহ কিছুমানে কমতাপুৰৰ দাবী তুলিছে। এই চিন্তাত অগ্ৰণী ভূমিকা গ্ৰহণ কৰিছে গজেন মণ্ডলে। গজেন মণ্ডলে বীৰেন মাষ্টাৰক কৈছে—

> *'নিজৰ ভৱিষ্যৎ নিজে গঢ়িব পৰাৰ সুযোগ এটা আদায় কৰি ল'ব লাগিব। নহ'লে অনুন্নত অঞ্চল বা সম্প্ৰদায় আপেক্ষিকভাৱে চিৰকাল অনুন্নত থাকিয়ে যাব।'* [২৮]

আহঁতগুৰিৰ পটভূমি তথা বিষয়বস্তু সম্পূৰ্ণৰূপে গঢ় লৈছে নীলাম্বৰৰ চাহ দোকানক কেন্দ্ৰ কৰি। চাহ দোকানৰ কাযেদি যোৱা নেচনেল হাইওৱেৰ যান-জঁটৰ ব্যস্ততা আৰু ব্যৱসায়িক ঠাই হিচাপে প্ৰতিষ্ঠিত হোৱা আহঁতগুৰি এখন অখ্যাত ঠাই। এই অখ্যাত ঠাই কালৰ গতিত পৰিৱৰ্তন হৈ এখন সৰু নগৰলৈ ৰূপান্তৰিত হ'ল, তাৰ বিৱৰণ আহঁতগুৰি উপন্যাসত তুলি ধৰিছে। এক কথাত পেৰ-পেৰীয়া গাঁও আহঁতগুৰি নগৰলৈ ৰূপান্তৰিত হওঁতে যি সামাজিক, মানসিক, ব্যৱসায়িক আৰু ঔদ্যোগিক প্ৰক্ৰিয়াৰ মাজত বিৱৰ্তিত হৈছিল তাৰ এটি সৰ্বাত্মক ৰূপ 'আহঁতগুৰি' উপন্যাসত দেখিবলৈ পোৱা যায়। নগৰীকৰণ প্ৰক্ৰিয়াৰ পাকচক্ৰত গ্ৰাম্য সভ্যতা-সংস্কৃতি আৰু স্থানীয় মানুহবোৰ তিষ্ঠি থাকিব নোৱাৰি পেৰ-পেৰীয়া গাঁৱৰ অৱসান ঘটালে, আনপিনে পিতৃ ভিটা এৰি অনিশ্চয়তাক বুকুত বান্ধি আত্ম বিলুপ্তিৰ পথ গ্ৰহণ কৰিলে। পিতৃ ভিটাৰ ঠাইত গঢ়ি উঠিল শিক্ষানুষ্ঠান, চৰকাৰী হাস্পাতাল, অফিচ-কাছাৰী, হাট-বজাৰ, দোকান-পোহাৰ আদি। আহঁতগুৰিৰ উন্নতি হ'ল, সেই উন্নতিৰ ঢৌত স্থানীয় মানুহখিনি খোজ মিলাই চলিব নোৱাৰাত পিতৃ ভিটা বিক্ৰী কৰি নিঃশেষ হ'বৰ হ'ল। সৎ, ধুৰন্ধৰ, সুবিধাবাদী বহু লোকৰ সংযোজনে আহঁতগুৰিৰ চাৰিত্ৰিক বৈশিষ্ট্য সলনি কৰি পেলালে। ফলস্বৰূপে স্থানীয় সৰু সৰু মানুহবোৰ ভণ্ডামি, কপটাচাৰ আৰু দুৰ্নীতিৰ পৰা মধ্যবিত্ত, শিক্ষাৰ গোন্ধ নোপোৱা লোক সকলোতকৈ বহু পৰিমাণে মুক্ত। তেওঁলোক সৎ সাহসী আৰু স্পষ্টবাদী। ফলত গজেন মণ্ডল, নীলাম্বৰৰ দৰে স্থানীয় মানুহবোৰৰ আহঁতগুৰিত কোনো স্থান নাই। সিহঁতৰ ঠাইত স্থান অধিকাৰ কৰিছে বহিৰাগতই। বজাৰ-ঘাট, অনুষ্ঠান-প্ৰতিষ্ঠান আদি সকলোতে বহিৰাগতৰ দপ্‌দপ্‌নি। এনে দৃষ্টিভংগীৰ ওপৰত লেখকে উল্লেখ কৰিছে —

> *'পেৰ-পেৰীয়া গাঁৱৰ খিলঞ্জীয়া মানুহখিনি স্থানচ্যুত হৈ কোনে ক'ত বিচাৰি উলিওৱা টান। দোষ সিহঁতৰ নে সিহঁতৰ অদূৰদৰ্শীতাৰ এইটোৰ বিচাৰ কৰাও টান। বাহিৰৰপৰা অহা অধিকতৰ কৰ্মক্ষম আৰু বুদ্ধিমান মানুহৰ লগত প্ৰতিযোগিতাত হাৰি গৈছে, পশ্চাদপসৰণ কৰিবলৈ বাধ্য হৈছে। এইটো এটা নতুন কথা নহয়। ইতিহাসৰ ধাৰাই এই।'* [২৯]

এই ইতিহাসেই যেন আহঁতগুৰি তথা পেৰ-পেৰীয়া গাঁৱৰ চিৰাচৰিত ইতিহাস। এই ইতিহাসৰ জীৱন্ত সাক্ষী নীলাম্বৰ। নীলাম্বৰে চাহ দোকানৰ উপাৰ্জিত ধনৰে জীৱনৰ নাও চলাই

গৈয়ো শেষত হাৰ মানিব লগা হৈছে। কাৰণ আহঁতগুৰিৰ দ্ৰুত পৰিৱৰ্তনত নীলাম্বৰে ফেৰ মাৰিব পৰা নাই। দুবাৰ বিয়া কৰাৰ পাছতো যেতিয়া সংসাৰ নিটিকিল, তেতিয়া দুখত মৰ্মাহত হৈ উদাসীন মনেৰ পত্নীৰ সোণ বিক্ৰী কৰি ঢেলখোৱা ঠাকুৰৰ মন্দিৰৰ চূড়া নিৰ্মাণৰ বাবে আগবঢ়ায়। নীলাম্বৰৰ আপোন বুলিবলৈ শেষমুহূৰ্তত কোনো নাই। একমাত্ৰ ভণ্টি চেনিমাই হৰিৰামৰ লগত বিয়া সূত্ৰে ক'ত গৈছিল, একো উৱাদিহ পোৱা নাই। কিন্তু ঔপন্যাসিকে উপন্যাসখনৰ শেষভাগত চেনিমাইৰ আকস্মিক আবিৰ্ভাৱে নীলাম্বৰক জীয়াই থকাৰ অনুপ্ৰেৰণা যোগায়। উপন্যাসখনৰ কাহিনী থুলমূলকৈ এইখিনিয়ে।

উপন্যাসখন বিভিন্ন সৰু-বৰ অনেক চৰিত্ৰৰ সংযোজনৰ সমাহাৰ। প্ৰতিটো চৰিত্ৰই একো-একোটা নিৰ্দিষ্ট দিশক প্ৰতিনিধিত্ব কৰিছে। উপন্যাসখনৰ মুখ্য তথা কেন্দ্ৰীয় চৰিত্ৰ নীলাম্বৰ। নীলাম্বৰ সৎ, কৰ্মঠ, কিন্তু জীৱনৰ প্ৰতি উদাসীন। নটবৰ যাযাবৰ, লোক-সংগীতৰ সাধক। অসম বেংগলৰ ইমূৰৰ পৰা সিমূৰলৈ দোতোৰা লৈ গীত গাই ফুৰে। লালমোহন ৰাজমিস্ত্ৰী ঢেলখোৱা ঠাকুৰৰ একান্ত ভক্ত। কষ্টোপাৰ্জিত দিন হাজিৰাৰে ঢেলখোৱা মন্দিৰ নিৰ্মাণৰ সপোন দেখা লালমোহন মন্দিৰ সম্পূৰ্ণ কৰিব নোৱাৰিলে। মাতাল সীতানাথ আহঁতগুৰিত প্ৰথম চুলাই মদৰ বেপাৰ আৰম্ভ কৰে আৰু মদে সীতানাথক ধ্বংস কৰে। আদৰ্শবাদী শিক্ষক বীৰেন, সুবিধাবাদী দুৰ্নীতিপৰায়ণ প্ৰধান শিক্ষক ৰবীন ৰায়, ড্ৰাইভাৰ ভোলাবাবুৰ কলিকতীয়া জীৱনৰ গল্প আৰু ভগা মটৰ চলাই সংসাৰ পুহিব নোৱাৰি আত্মাজাহ দিয়া, স্বদেশ আৰু স্বজাতিৰ ভৱিষ্যৎ চিন্তক গজেন মণ্ডলকে আদি কৰি উপন্যাসখনত চেনিমাই, হৰিৰাম, ৰামৰতিয়া, সদানন্দ, সোণেশ্বৰী, ৰমেশ বৰুৱা, মহেন্দ্ৰ, জগনাথ ডাক্তৰ, কাশীবাবু, হাচান মিঞা, যদুবাবু, বেঙা দাস, নীলকান্ত ৰায়, নবকুমাৰ, অনিমা প্ৰধানী, সূৰজমল চোভাৰিয়িয়া, মালো পেহী, ৰামুকে আদি কৰি ভালেমান নৰ-নাৰীৰ চৰিত্ৰয়ে আহঁতগুৰিক স্বচৰিত্ৰত চিত্ৰিত কৰিছে। প্ৰত্যেক চৰিত্ৰৰ আঁৰত সমাজৰ স্ব-মহিমামণ্ডিত একো-একোটি গুণ লুকাই আছে। যিয়ে সমাজৰ কোনো এটা দিশ উনুকিয়াই নিদিয়াকৈ থকা নাই। গতিকে প্ৰতিটি চৰিত্ৰই আহঁতগুৰি নিৰ্মাণ আৰু আহঁতগুৰিৰ স্ব-মহিমাৰ পৰিৱৰ্তন আৰু পৰিৱৰ্ধনৰ জীৱন্ত সাক্ষী। সেয়ে ঔপন্যাসিকে উল্লেখ কৰিছে—

*'মানুহ এজন ডাঙৰ হোৱাৰ লগে লগে তেওঁৰ চাৰিত্ৰিক বৈশিষ্ট্যবোৰে*

*যেনেকৈ এটা নিৰ্দিষ্ট ৰূপ লয়, তেনেকৈ গঢ়ি উঠাৰ লগে লগে ঠাই এডোখৰবো নিৰ্দিষ্ট ব্যক্তিত্ব আৰু মেজাজ গঢ়ি উঠে। প্ৰথম পৰ্যায়ত যদিও তাৰ মানুহে ঠাইডোখৰৰ চৰিত্ৰ নিৰ্দিষ্ট কৰে, পিছত ঠাইডোখৰেহে তাৰ মানুহক প্ৰভাৱান্বিত কৰে। এই ঠাইৰ মানুহ এলেহুৱা, এই ঠাইৰ মানুহ টেঙৰ ইত্যাদি। ভৌগোলিক কাৰণ যিয়েই নহওক, প্ৰত্যেক ঠাইৰ এটা চাৰিত্ৰিক বৈশিষ্ট্য আছে।'* [৩০]

আহঁতগুৰিৰ এক নিজস্ব চাৰিত্ৰিক বৈশিষ্ট্য বিৰাজমান, কিন্তু আহঁতগুৰিলৈ সময়ে সময়ে অহা বিভিন্ন প্ৰকৃতিৰ মানুহৰ নিজস্ব চাৰিত্ৰিক গুণ আৰু আহঁতগুৰিৰ চাৰিত্ৰিক গুণৰ সংমিশ্ৰণত নতুনকৈ গঢ় লোৱা চাৰিত্ৰিক বৈশিষ্ট্যক শেষলৈ আহঁতগুৰিৰ চৰিত্ৰই গ্ৰাস কৰিছে।

'আহঁতগুৰি' উপন্যাসখনৰ পটভূমি, কাহিনী আৰু চৰিত্ৰৰ যি নিটোল উপস্থাপন আৰু বস্তুনিষ্ঠ বিৱৰণ, পুৰণি সভ্যতাক ভেদ কৰি নতুন সভ্যতা কেনেকৈ গঢ় লৈছে, আহঁতগুৰি গ্ৰাম্যানুঞ্চলৰ পৰা নগৰাঞ্চললৈ হোৱা পৰিৱৰ্তন, সেই পৰিৱৰ্তনৰ ঢৌত স্থানীয় মানুহৰ মাটি-ভেটি, ভাষা-সংস্কৃতি, আৰ্থিক দৈন্যতা, ৰাজনৈতিক অচেতনতা, শিক্ষাৰ পোহৰ নোপোৱা সংশয়াচ্ছন্ন জীৱন আৰু অনিশ্চয়তাৰ গৰাহত ভৱিষ্যৎ, বহিৰাগত মানুহৰ দপ্‌দপনি আদিৰ বস্তুগত চিত্ৰণৰ সামাজিক প্ৰতিচ্ছবিয়ে উপন্যাসখনক আঞ্চলিক উপন্যাসৰ শাৰীলৈ উন্নত কৰিছে।

নীলাম্বৰে আহঁতগুৰিৰ সৃষ্টিকৰ্তা। চাহ দোকানখনে ইয়াৰ কাৰক। চাহ দোকানক কেন্দ্ৰ কৰিয়ে আহঁতগুৰিৰ সুকীয়া সত্তা উৎপত্তি হৈছে, যি সত্তাক লৈ নীলাম্বৰ গৌৰৱ কৰে। কাৰণ আহঁতগুৰি লৈ সময়ে সময়ে অহা পৰিৱৰ্তনৰ ধূমুহাও সেই সত্তাৰ ভেটি লৰাব পৰা নাই। আহঁতগুৰি নিজস্ব সত্তাৰ স্বকীয় মহিমাৰে জীৱিত। আহঁতগুৰিৰ চাল-চলন, ঢং-ধৰণ, আচাৰ-ব্যৱহাৰ, ভাষা-কৃষ্টি আৰু আহঁতগুৰিৰ মানুহৰ গতি-প্ৰকৃতি, ভৌগোলিক, সামাজিক, অৰ্থনৈতিক অৱস্থাৰ স্বকীয় বৈশিষ্ট্যগত বিষয় উন্মোচিত হৈছে। আহঁতগুৰি অঞ্চলটোৱে 'আহঁতগুৰি' উপন্যাসৰ মূল পটভূমি আৰু পটভূমিকেন্দ্ৰিক অঞ্চলটো এটা চৰিত্ৰৰ ৰূপত উপস্থাপন কৰাটো আঞ্চলিক উপন্যাসৰ বৈশিষ্ট্য। অৰ্থাৎ আঞ্চলিক উপন্যাস যি অঞ্চলক কেন্দ্ৰ কৰি উপন্যাসৰ

পটভূমি নিৰ্মাণ কৰা হয়, সেই অঞ্চলক মুখ্য চৰিত্ৰ হিচাপে স্থান দিয়া। সেইফালৰ পৰা আহঁতগুৰি অঞ্চলৰ স্ব-মহিমা আৰু নিজস্ব বৈশিষ্ট্য সম্পন্ন চিত্ৰ প্ৰতিফলিত হৈছে। গতিকে 'আহঁতগুৰি' উপন্যাসখনক নিঃসন্দেহ আঞ্চলিক উপন্যাস বুলি ক'ব পাৰি।

**অবিচ্ছিন্ন ঃ**

'অবিচ্ছিন্ন' উপন্যাসখনৰ বিষয়বস্তুৰ মূল ভেটি মধুপুৰ। মধুপুৰৰ লগত সংযোগ বিচ্ছিন্নতা, যি বিচ্ছিন্নতাৰ সংযোগকাৰীৰ ভূমিকা লৈছে কিৰণবায়ে। কিৰণবাইক লগ পোৱাৰ পিছত মধুপুৰৰ কথা মনত পৰিছে। যি মধুপুৰত ঔপন্যাসিক শৈশৱ, যৌৱন অতিবাহিত কৰিছে, বিভিন্ন দৃশ্যপট উপভোগ কৰিছে, বিভিন্ন চৰিত্ৰৰ মানুহক লগ পাইছে, মিঠা-তিতা ভিন্ন স্বাদৰ অভিজ্ঞতা লাভ কৰিছে, সেই মধুপুৰৰ কথা কিৰণবাইৰ উপস্থিতিয়ে মনত পেলাই দিছে। মধুপুৰৰ সমাজ, মধুপুৰৰ মানুহ, গদাধৰৰ পাৰ, মাঝিপাৰা, ৰাজবংশী গাঁও, মহামায়া মাট, গৌৰীপুৰ ৰাজহাউলী, ৰজাঘৰৰ লগত দেউতাৰ সম্পৰ্ক, দেউতাৰ ঠিকাদাৰী কামৰ লগত জড়িত কেৰাণি-মহৰীৰ পৰা আদি কৰি উচ্চবৰ্গৰ কৰ্মচাৰী বিষয়া, অভিযন্তা, শ্ৰমিকৰ পৰা গাঁৱলীয়া বিভিন্ন মানুহৰ বিপদ-আপদ, চল-চাতুৰী কৰা মানুহ কিছুকে আদি কৰি অনেক বৈচিত্ৰ্যময় চাৰিত্ৰিক গুণে মধুপুৰক বৈচিত্ৰতা প্ৰদান কৰিছে। য'ত গঢ় লৈছে ভ্ৰাতৃত্ববোধৰ এনাজৰী, সমন্বয়, যিয়ে মধুপুৰৰ মানুহৰ মাজত এক আপোনভাব গঢ় লৈছে। সেই অভিজ্ঞতাৰ সুক্ষ্ম নিৰীক্ষণ আৰু উপস্থাপনৰ মাধ্যমত মধুপুৰৰ চিত্ৰ 'অবিচ্ছিন্ন' নামকৰণে তাৎপৰ্য বহন কৰিছে।

মধুপুৰৰ সংযোগহীনতাই লেখকক আমনি কৰে। মধুপুৰলৈ হাতবাউলি মাতি থাকে। মধুপুৰ যদিওবা সৰু ঠাই তথাপি চাৰিত্ৰিক বৈশিষ্ট্য অইন অইন ঠাইতকৈ সুকীয়া। অসমৰ অন্তৰ্গত মধুপুৰ অঞ্চল স্বকীয় ধ্যান-ধাৰণাৰে ভাষা-সংস্কৃতি গঢ় লৈছে। যি সংস্কৃতিত কেচাঁ মাটিৰ গোন্ধ, গদাধৰ, গংগাধৰৰ মলয়া বতাহৰ সুবাস, থলুৱা মানুহৰ চিৰাচৰিত স্বভাৱ, প্ৰেম আৰু মমতাৰ পৰশ আদিয়ে লেখকক ব্যাকুল কৰি তোলে। সেই মধুপুৰত এৰি অহা অঙহী-বঙহীৰ লগত যোগাযোগ নাই। লেখকৰ কৰ্ম ব্যস্ততাই মধুপুৰৰ লগত অবিচ্ছিন্ন কৰি ৰাখিছে। সেই অবিচ্ছিন্নৰ সংযোগ কৰিছে পেহীৰ ছোৱালী কিৰণবাইয়ে। বহুদিনৰ মূৰত

দেখা চিনা-অচিনা ভাবৰ মাজত উপন্যাসখনৰ কাহিনী আৰম্ভ কৰিছে। কিৰণবাইয়ে লেখকক মধুপুৰলৈ লৈ গৈছে। কিৰণবাইয়ে এজনৰ পাছত এজনকৈ সৰু-বৰ বহু চৰিত্ৰ মনলৈ আহিছে। সেই চৰিত্ৰবোৰৰ প্ৰত্যেকৰে নিজস্ব সত্তা আছে। সেই সত্তা সমূহ সহজ-সৰল বৰ্ণনাৰ মাজেৰে উপন্যাসৰ কাহিনীয়ে গতি কৰিছে, য'ত কোনো একক কাহিনী পাবলৈ নাই যদিও ইয়াৰ মূল পটভূমি মধুপুৰ। মধুপুৰকেন্দ্ৰিক বিভিন্ন অঞ্চলৰ বৰ্ণনা, বিভিন্ন মানুহৰ চাল-চলন, আচাৰ-ব্যৱহাৰ, ভাষা-কৃষ্টিৰ লগত ঠিকাদাৰী দেউতাৰ লগত সম্পৰ্ক আছিল মধুৰ। দেউতাকৰ লগত থকা মধুপুৰৰ মধুৰ সম্পৰ্কৰ অভিজ্ঞতা আহৰণ আৰু দেউতাৰ অনুশাসনৰ প্ৰতি অতিষ্ঠ হৈ লেখকৰ মনত এটি ভুল ধাৰণা গা কৰি উঠিছিল। সেই ভুল ধাৰণা চল্লিশ বছৰ পাছত লেখকৰ ভংগ হৈছে। সেই কথা লেখকে উপন্যাসখনত উল্লেখ কৰিছে —

> *'চল্লিশ বছৰ পিছলৈ উভতি গৈ আজি মই দেউতাক ক্ষমা কৰিব পৰা হ'লো। ইমানদিনে শিলৰ দৰে গোট খাই জমি থকা এডোখৰ বিষ আজি বাষ্প হৈ মোৰ মনৰ পৰা ওলাই গ'ল।'*[৩১]

ইয়াত দেউতা আৰু ল'ৰাৰ মাজত যি গভীৰ সম্পৰ্ক, সেই সম্পৰ্কৰ ফাট মেলিছে দেউতাৰ অনুশাসনত। দেউতাকৰ কৰণীয় আৰু দায়িত্ব, সেই দায়িত্ব পালনত অক'ণো ত্ৰুটি কৰা নাই, কিন্তু ল'ৰা দেউতাক ভুল বুজি থাকিল। শেষত ভুল ভাঙিল আৰু তাৰে আঁত ধৰি 'অবিচ্ছিন্ন' উপন্যাসত কাহিনী আৰু বিষয়বস্তুৰ উপস্থাপন ৰীতিত মধুপুৰৰ থলুৱা ভাষা-কৃষ্টিৰ কচৰৎ কৰিলে। সেইফালৰ পৰা ই এখন আঞ্চলিক উপন্যাস।

উপন্যাসৰ কাহিনী আৰু বিষয়ৰ লগত চৰিত্ৰৰ সম্পৰ্ক ওচৰ চপা। কাহিনী আৰু বিষয়বস্তুৰ লগত চৰিত্ৰ গতি কৰে। 'অবিচ্ছিন্ন' উপন্যাসখনৰ কাহিনী একক কাহিনীত নপৰে। উপন্যাসখনৰ মূল চৰিত্ৰ ঔপন্যাসিক নিজে। মই, মোৰ প্ৰথম পুৰুষত কাহিনী বৰ্ণনা কৰা বিষয়ৰ মূল ভেটিলৈ যাওঁতে সৰু-বৰ অনেক চৰিত্ৰৰ সংযোজন কৰিছে। চৰিত্ৰবোৰ মধুপুৰৰ। মধুপুৰৰ সমাজ সংস্কৃতিৰ ধাৰক আৰু বাহক। ভিন্ন মুখী চৰিত্ৰ, যিবোৰ চৰিত্ৰই ঔপন্যাসিকক অভিজ্ঞ কৰি তুলিছে। সেই অভিজ্ঞতাৰ ফচল 'অবিচ্ছিন্ন' উপন্যাস।

পেহীৰ ছোৱালী কিৰণবাই। উপন্যাসৰ আৰম্ভণিতেই ইতি। কিৰণবাইক কেন্দ্ৰ কৰি বহু চৰিত্ৰৰ সংযোজন কৰিছে। কিৰণবায়ে ঔপন্যাসিকক সোঁৱাৰাই দিছে মধুপুৰৰ মধু পান

কৰা অতীতৰ কথা। মধুপুৰৰ মধুৰ অতীত ৰোমন্থন কৰিবলৈ গৈ এটাৰ পাছত এটা চৰিত্ৰৰ চাৰিত্ৰিক গুণ উপস্থাপনৰ মাজেৰে সামাজিক, ৰাজনৈতিক, অৰ্থনৈতিক দিশ তুলি ধৰিছে। কিৰণবাইৰ লগতে স্বৰ্ণ আইতা, লাৱণ্য, পূৰ্ণ্য বাইদেউৰ কথা মনত কৰাৰ লগে লগে গ্ৰাম্য জীৱনত সংযোগ ঘটা চৰিত্ৰবোৰৰ স্বকীয় ৰূপ প্ৰদানত গুৰুত্ব আৰোপ কৰিছে। জগন্নাথ গোৱালা, জগন্নাথ নুনীয়া দেউতাৰ কৰ্মচাৰী। মংলা সোণাৰী, এওঁৰ ছোৱালী হীৰা, চম্পা। ঢেপৰা, ঢেপৰাৰ পত্নী ভাকুৰী। কান্দুৰ ছোৱালী হেমী। দয়াৰ পত্নী গংগা। কানাইবাবুৰ ছোৱালী বাসন্তী। মাঝিপাৰাৰ খোকা, ধৈৰ্য, সত্য, মফিজ, আমিৰ হোচেন, পূজাৰী গোবিন্দ চক্ৰৱৰ্তী, দেউৰী সুটকু, বীৰবাহাদুৰৰ ছোৱালী ৰূপা, ঢট্টী বুঢ়ী, মথুৰা ড্ৰাইভাৰ, শিবু ড্ৰাইভাৰ, পৰমা ঠাকুৰ, ৰোহিণী চৰকাৰ, বেং বৈৰাগী, বিনোদ, ৰুণী, ৰতিকান্ত নলবাৰীৰ ল'ৰা, ভূপতি চৌধুৰী, নাৰায়ণ বৰদেউতা, নয়নবুঢ়ী, জ্ঞানদাস ভূঁইমালি, নজৰুল ইছলাম, সুৰোজ মুৰ্খাজী, প্ৰবোধ বস্কী আদি কৰি অনেক চৰিত্ৰ।

চৰিত্ৰবোৰৰ নিজস্ব সত্তা আছে। চৰিত্ৰবোৰে মধুপুৰ অঞ্চলৰ একো-একোটা সমাজ জীৱনৰ লগত সম্পৰ্কিত চৰিত্ৰ। উদাহৰণ স্বৰূপে, ঢেপৰা ৰাজবংশী সম্প্ৰদায়ৰ মানুহ। জমিদাৰৰ ঘৰৰ ব্যক্তিগত লগুৱা। ঢেপৰাৰ পৰিবাৰ ভাকুৰী নিজৰ মৰ্যাদা সম্বন্ধে সচেতন। চকু আৰু মুখৰ পাক লগাই কথা কয়। তদুপৰি কান্দু, হেমী, পৱন সাধুও মধুপুৰ অঞ্চলৰ ৰাজবংশী সমাজক প্ৰতিনিধিত্ব কৰিছে। ঠিক তেনেদৰে মাঝিপাৰাৰ মাছুৱা সম্প্ৰদায়ক প্ৰতিনিধিত্ব কৰিছে নয়ন বুঢ়ী। মাঝিপাৰাৰ সমাজ জীৱনত প্ৰচলিত মাঝিপাৰাৰ ঘৰবোৰ ভেলাঘৰত কৈ সৰু। তিৰোতা মানুহবোৰে ঘৰৰ কাষৰ খালৰ পৰা পানী আনে। তেনেকৈ মধুপুৰত বসতি কৰা ভিন্ন সম্প্ৰদায়ৰ মানুহৰ চৰিত্ৰবোৰক প্ৰতিনিধিত্ব কৰা ভিন্ন স্বাদৰ চৰিত্ৰৰ মাধ্যমত মধুপুৰকেন্দ্ৰিক সমাজ ব্যৱস্থাৰ অবিকল চিত্ৰ উপস্থাপন কৰিছে।

'অবিচ্ছিন্ন' নামকৰণৰ অন্তৰালত লুকাই আছে উপন্যাসখনৰ সাৰ্থকতা। কলাত্মক দৃষ্টিভংগীৰে মধুপুৰকেন্দ্ৰিক পটভূমি আৰু বিষয়বস্তু উপস্থাপন ৰীতিত ভাষা-কৃষ্টিৰ সুন্দৰ বৰ্ণনা, সমাজ জীৱনৰ সৰলতা, জটিলতা, সমাজনীতি, ৰাজনীতি, অৰ্থনীতিৰ লগতে পৰম্পৰাগত ধ্যান-ধাৰণা, বিশ্বাস-অবিশ্বাস, জাত-পাতৰ বাদ-বিচাৰ পৰিহাৰৰ মূলতঃ যে এক এৰাব নোৱাৰা সম্পৰ্ক মধুপুৰত বিৰাজ কৰিছিল, তাৰে বাস্তৱ চিত্ৰায়ণ।

**গধূলি ঃ**

'ভূদেৱ চৌধুৰীৰ মৃত্যু হ'ল।' উপন্যাসখনৰ প্ৰথম বাক্য আৰু ইয়ে মৃত্যুৰ আগমুহূৰ্তত নিমাওমাও আৰু শোকাৱহ পৰিৱেশৰ মাজত বিষয়বস্তু গতি কৰিছে। বিষয়বস্তুৰ মূল হ'ল ভূদেৱ চৌধুৰীৰ ছোৱালী অনিতা আৰু ৰাণুৰ দাবী দেউতাক জীৱনৰ গধূলিপৰত এখন আত্মজীৱনী লিখি থৈ যাব লাগে। কিন্তু ভূদেৱ চৌধুৰীৰ তালৈ কোনো ভ্ৰূক্ষেপ নাই। আত্মজীৱনী লিখাৰ পৰিৱৰ্তে মনলৈ নানা প্ৰশ্নৰ উদয় হৈছে। জীৱনী লিখিবলৈ গৈ কি লিখিব? মূল্যবোধ, আদৰ্শ নে অনুভূতি? এইবোৰৰ কোনো এটাৰো স্থিৰতা নাই। তাৰ পৰিৱৰ্তে নতুন মূল্যবোধ, নতুন সংস্কাৰ নতুন নতুন ভাবধাৰাৰ সৃজন হৈয়ে আছে। জীৱনত লগ পোৱা বিভিন্ন চৰিত্ৰৰ মানুহ, জীৱন কি? জীৱনৰ ধাৰণা, জীৱনৰ তাৎপৰ্য, পাৰিবাৰকি, সামাজিক দিশত মানুহ এজনৰ গুৰুত্ব কিমান, মানুহ এজনে জীৱনত কি কাম কৰি থৈ যাব লাগে, কি কৰিলে কৰ্ম স্মৃতিবোৰ সজীৱ হৈ থাকিব, এনে এক চিন্তাৰ খোৰাক তথা ধাৰণা পোৱা যায়। ভূদেৱ চৌধুৰীৰ ছোৱালী অনিমা অনবৰত দেউতাকক আত্মজীৱনী লিখিবলৈ খাটনি ধৰা আমি উপন্যাসখনৰ আৰম্ভণিৰ পৰা শেষলৈ দেখা পাওঁ —

> *'ভূদেৱ চৌধুৰীৰ সৰুজনী ছোৱালী অনিতাই দেউতাকক সদায় কৈ থাকে, 'নিলিখা কিয়।' দিনটো এনেয়ে বহি থাকা। আত্মজীৱনী এখনকে লিখাচোন।'* ৩২

ছোৱালীৰ আত্মজীৱনী লিখাৰ দাবী আৰু ঔপন্যাসিকৰ তৃতীয় পুৰুষত বৰ্ণিত ভূদেৱ চৌধুৰীৰ জীৱন কাহিনীৰ অতীত স্মৃতিৰ বহিঃপ্ৰকাশ মাথোঁন। বিশেষকৈ কলিকতাত কটোৱা হোষ্টেলীয়া জীৱন আৰু কলিকতাৰ পৰিৱেশ সম্বন্ধীয় অভিজ্ঞতা আৰু ধুবুৰী তথা মধুপুৰীয়া জীৱনত ঘটা জীৱন অন্বেষণৰ বৰ্ণনাই উপন্যাসখনৰ মূল উপজীৱ্য।

'গধূলি' উপন্যাসখনৰ বিষয়বস্তু মূলতঃ এজন মানুহৰ উপলব্ধি আৰু জীৱনৰ অভিজ্ঞতাত আহৰণ কৰা জীৱনৰ অৰ্থ মূল্যায়ন। ব্যক্তিগত জীৱনৰ সফলতা-বিফলতা প্ৰত্যেকজন মানুহৰে থাকে। সেই কথাবোৰ কোনোবাই লিখে, কোনোবাই নিলিখে। লিখিলে প্ৰকাশ পায় জীৱনৰ অভিজ্ঞতা তথা মানুহৰ অস্বেচ্ছাকৃত স্মৃতি বা অনিয়ন্ত্ৰণীয় মানসিক ক্ৰিয়া-প্ৰতিক্ৰিয়া, অনিৰ্বাচিত সৰু-বৰ বিশৃঙ্খলৰ কথা আৰু কামৰ এক বিৱৰণ। এই বিৱৰণৰ মূল

ব্যক্তিগৰাকী হ'ল ভূদেৱ চৌধুৰী। জীৱনৰ গধূলিপৰত থিয় হৈছেহি। প্ৰত্যেকজন মানুহে জীৱনৰ গধূলিপৰত পোৱা নোপোৱাৰ অংকত ব্যস্ত। নিঃসংগতা, শূণ্যতাই আগুৰি ধৰে জীৱনক, গতি কৰে অনিশ্চিত ভৱিষ্যতৰ দিশে। এয়াই যেন জীৱন সমাপ্তিৰ আৰম্ভণি—

> *'এটা শূণ্যতাৰ ভাবে লাহে লাহে মনত প্ৰৱেশ কৰিবলৈ ধৰে। দৰমহাৰ নিৰিখৰ পৰিৱৰ্তন, নতুন উচ্চতৰ পদৰ সৃষ্টি, এইবোৰ কথাত আগ্ৰহ নাইকিয়া হৈ পৰে। অৰ্থাৎ জীৱনত নতুনকৈ আশা কৰিবলগীয়া আৰু একো নাই। এইয়েই হ'ল সমাপ্তিৰ পথত আগবঢ়াৰ আৰম্ভণি।'* [৩৩]

নানান ঘাত-প্ৰতিঘাতৰ মাজৰে আহি আহি বৃদ্ধাৱস্থাত থিয় হৈছেহি। দৰাচলতে তেওঁৰ জীৱনৰ কোনো বিচিত্ৰতা নাই। জীৱনক সজীৱ কৰি ৰাখিব পৰা কোনো কামো কৰা নাই। সাধাৰণ জীৱন-যাপন অতিবাহিত কৰা ভূদেৱ চৌধুৰী বৃদ্ধাৱস্থাত অতীতলৈ উভতি চাইছে। অৰ্থাৎ জীৱন সম্পৰ্কে জীৱনৰ ধাৰণা, জীৱনৰ মূল্য, জীৱনৰ তাৎপৰ্য ব্যাখ্যা অতীতত বিচৰণ কৰিয়ে বৰ্তমান আৰু ভৱিষ্যতৰ কথা উপস্থাপন কৰিছে। য'ত তেওঁ বিচাৰি পাইছে জীৱনৰ সাৰ্থকতা। কাৰণ, জীৱনৰ কোনো কামে স্থায়ী নহয়, স্থায়ী বুলি ভবাটো ভূল ধাৰণা। ভূদেৱ চৌধূৰীৰ ভাষাত—

> *'স্থায়িত্ব কোনো কামৰেই সাৰ্থকতাৰ নিদৰ্শন হ'ব নোৱাৰে। এয়া এটা ভুৱা ধাৰণা।'* [৩৪]

আকৌ জীৱন সম্পৰ্কে ভূদেৱ চৌধুৰীৰ ধাৰণা—

> *'মই ভিন্ন। মই, মই। মই ভূদেৱ চৌধুৰী। মই গজানন ৰায় নহওঁ, দিবাকৰ দাস নহওঁ, সদানন্দ হাজৰিকাও নহওঁ। মিছা কথা। ভিৰৰ মাজত থাকিও মই অকলশৰীয়া। মই, মই। প্ৰতিজন মানুহ বেলেগ, সম্পূৰ্ণভাৱে নিঃসংগ।'* [৩৫]

'গধূলি' উপন্যাসৰ বিষয়বস্তু মূলতঃ ভূদেৱ চৌধুৰীৰ জীৱনগাঁথা। অৰ্থাৎ ভূদেৱ চৌধুৰীৰ মনোজগতত বিচৰণ কৰা জীৱনৰ অৰ্থ, যি অৰ্থই সমাজ জীৱনক প্ৰতিফলিত কৰিছে।

শীলভদ্ৰৰ উপন্যাসত একক চৰিত্ৰ পাবলৈ নাই। 'গধূলি' উপন্যাসখনো ইয়াৰ ব্যতিক্ৰম নহয় যদিও ইয়াৰ কেন্দ্ৰীয় চৰিত্ৰ ভূদেৱ চৌধুৰী। ভূদেৱ চৌধুৰীৰ আত্মজীৱনী নহয়, কিন্তু জীৱনত ঘটা নানান ঘাত-প্ৰতিঘাতৰ অভিজ্ঞতাৰ বাস্তৱ ৰূপায়ণ কৰিবলৈ যাওঁতে সৰু-বৰ

অনেক চৰিত্ৰ সংযোজন কৰিছে যদিও ই কোনো এক মুহুৰ্তত ঘটা জীৱনৰ কাহিনী সন্নিৱিষ্ঠ কৰোঁতে সোমাই পৰিছে। ভূদেৱ চৌধুৰীৰ অৱচেতন মনৰ বিচিত্ৰ ভাবানুভূতিৰহে প্ৰকাশ ঘটিছে। গতিকে 'গধূলি' উপন্যাসখনক বৈশিষ্ট্যগত দিশৰ পৰা আঞ্চলিক উপন্যাসৰ শাৰীত ধৰিব নোৱাৰি। ই মূলতঃ সামাজিক উপন্যাস হে।

**অনুসন্ধান ঃ**

শীলভদ্ৰ ৰচিত উপন্যাসসমূহৰ ভিতৰত 'অনুসন্ধান' উপন্যাসখন কলেবৰত ডাঙৰ। মুঠ সাতছল্লিছটা অধ্যায়ত বিভক্ত। প্ৰতিটো অধ্যায়ত একো-একোটা সৰু কাহিনী সন্নিৱিষ্ঠ হৈ আছে। প্ৰতিটো কাহিনীৰ আঁৰত ভৃগু চৌধুৰীৰ অতীত আৰু বৰ্তমানৰ ছবি পৰিস্ফুটিত হৈছে। অতীতৰ স্মৃতি ৰোমন্থন আৰু অতীতৰ কিছু ধাৰণা যে ভুল আছিল, সেইকথা উপলব্ধি কৰিব পাৰিছে। কাৰণ অতীত অতীতেই, অতীতক ৰোমন্থন কৰি বৰ্তমানৰ লগত খোজ মিলাই চলিব লাগিব, বৰ্তমান অবিহনে সমাজত চলিব পৰাটো যে সম্ভৱ নহয়, তাৰে এক অনুসন্ধান ভৃগু চৌধুৰীৰ জীৱনত আৰম্ভ কৰিছে। উপন্যাসখন অধ্যয়নৰ শেষত উপলব্ধি হয় ভৃগু চৌধুৰী যেন লেখক নিজে। কেতিয়াবা তৃতীয় পুৰুষত অৱতীৰ্ণ হৈ জীৱনত ঘটি যোৱা সহজ আৰু জটিল সন্ধিক্ষণবোৰ বৰ্ণনা কৰিছে যদিও ঘটনাবোৰ সৰু, আনৰ দৃষ্টিত একো ভাবিবলগীয়া ঘটনা নহয়, কিন্তু সেই ঘটনাবোৰৰ মাজতে জীৱন আৰু সমাজৰ সাৰ্থকতা বিচাৰি পাইছে। সেই দৃষ্টিকোণৰ পৰা উপন্যাসখনৰ নামকৰণত যথেষ্ট সচেতনতা অৱলম্বন কৰা পৰিলক্ষিত হয়। 'অনুসন্ধান' মানে হ'ল 'সকলো কথাৰ আগগুৰি বিচাৰ কৰা।' অৰ্থাৎ 'Information leading to a discovery.' জীৱনে জীৱনক কৰা অবিৰত সন্ধান। ভৃগু চৌধুৰীৰ জীৱন অন্বেষণেই হ'ল 'অনুসন্ধান' উপন্যাসখনৰ মূল।

উপন্যাসখনৰ আৰম্ভণি এক পৰিৱৰ্তনৰ ধামখুমীয়া পৰিৱেশত। পৰিৱৰ্তনৰ ঠাই গুৱাহাটী। জনজাতীয় অঞ্চল। চহৰ প্ৰতিষ্ঠা হোৱাৰে পৰা ভিন্ন ধৰণৰ মানুহ আহিছে। জনজাতীয় মানুহবোৰ মাটি বিক্ৰী কৰিছে। চাকৰি তথা কৰ্মসূত্ৰে গুৱাহাটীলৈ বিভিন্ন ভাষিক সম্প্ৰদায়ৰ মানুহ আহিছে। সেই অঞ্চলৰ থলুৱা মধ্যবিত্ত মানুহখিনি কোনোমতে চলি আহিছে। নতুনকৈ অহা মানুহখিনিৰ লগত ফেৰ মাৰিব পৰা নাই। গোৱেংকাৰ দৰে ধনবান মানুহৰ

দপ্‌দপনিত থলুৱা মানুহখিনি তিষ্ঠি থকা টান। চৌদিশে বৃহৎ অট্টালিকা গঢ়ি উঠিছে। এনে এক পৰিৱৰ্তনৰ ঢৌত ভৃগু চৌধুৰীৰ নানান অভিজ্ঞতা হৈছে, তাৰে কিয়দংশ ঔপন্যাসিকে অৰ্ন্তদৃষ্টিৰ সমালোচনাত্মক বিশ্লেষণৰ মাজেৰে তুলি ধৰিছে।

ভৃগু চৌধুৰী উপন্যাসখনৰ মূল চৰিত্ৰ। ভৃগু চৌধুৰী লেখক নিজে। আত্মকথন মূলক বৰ্ণনা। জীৱনত ঘটা ঘটনা, জীৱনত লগ পোৱা বিভিন্ন চৰিত্ৰ, সমাজৰ উত্থান-পতন, অসম আন্দোলনৰ প্ৰত্যক্ষ সাক্ষী ভৃগু চৌধুৰী। প্ৰত্যক্ষ অভিজ্ঞতাৰ সাৱলীল বৰ্ণনা আৰু দ্ৰুত পৰিৱৰ্তনৰ কবলত চৌপাশে কিদৰে অট্টালিকা গঢ়ি উঠিছে আৰু জনজাতীয় মানুহবোৰ পৰিৱৰ্তনৰ ঢৌৱত তিষ্ঠি থাকিব নোৱাৰি লাহে লাহে তাৰ পৰা আতঁৰি গৈছে। ৰজত কলিতাই জেপৰ ধন ভাঙি আলোচনী প্ৰকাশৰ প্ৰতি আগ্ৰহী, আলোচনীখন প্ৰকাশ কৰাটো যে এক সংগ্ৰাম আৰু ইয়ে ভৱিষ্যৎ প্ৰজন্মক আগুৱাই লৈ যাব তাৰ সপোন দেখিছিল। এনেকৈ উপন্যাসখনৰ কাহিনীত পৰিৱৰ্তন, আলোচনী প্ৰকাশ, কুম্ভমেলাত গংগা স্নান, শৈলেন বৰুৱাৰ কলিকতীয়া কলেজীয়া জীৱনৰ কথাৰ বৰ্ণনা, ৰণুবৌ আৰু শৈলেনৰ সম্পৰ্ক আৰু অতীত ৰোমন্থন, গল্প লিখাৰ কথা ভাবি নীলাৰ প্ৰেমৰ কথা মনত পৰা, শৈলেন বৰুৱাৰ বিপদগামী জীৱনৰ টানিং পইণ্ট জৰা, মদৰ নিচাত আসক্ত হৈ পঢ়া খতম, সত্যজিৎ আৰু মিনতিৰ প্ৰেমাভাব, অসম আন্দোলনৰ প্ৰতিচ্ছবি, ব্যৱসায়িক চতুৰতা, পাৰিপাৰ্শ্বিক পৰিৱেশ, পাৰিবাৰিক সম্পৰ্ক, ছোৱালী মিনতিৰ ভাল দৰা অৰ্থাৎ বিনয় তালুকদাৰৰ লগত কল্পনা কৰা, লেট নাইট পাৰ্টি, যিয়ে তথাকথিত ভদ্ৰ সমাজৰ চিত্ৰ, ভৃগু চৌধুৰীৰ গৌৰীপুৰীয়া সম্পৰ্ক, গৌৰীপুৰৰ মানুহ মাটিৰ লগত আত্মিক সম্পৰ্ক য'ত জন্ম, শৈশৱ, শিক্ষা, ঘাত-প্ৰতিঘাত আদিৰ এক খণ্ড চিত্ৰ 'অনুসন্ধান' উপন্যাসত ফুটি উঠিছে।

'অনুসন্ধান' উপন্যাসত এটি সুবিন্যস্ত কাহিনী পাবলৈ নাই। তাৰ পৰিৱৰ্তে আছে জীৱনৰ ধাৰণা, সাম্প্ৰতিক সমাজ সম্পৰ্কে চেতনাবোধৰ এক সোঁত, য'ত ভৃগু চৌধুৰীৰ অতীতত ঘটা ঘটনাৰ সমাহাৰে সৃষ্টি কৰা কাহিনী, জীৱনৰ ক্ষুদ্ৰ ক্ষুদ্ৰ অভিজ্ঞতাৰ স্মৃতি, জীৱনত লগ পোৱা চৰিত্ৰসমূহৰ অৰ্ন্তজগতত বিচৰণ কৰি আহৰণ কৰা সুক্ষ্ম অভিজ্ঞতাৰ বাস্তৱ প্ৰতিফলনেই 'অনুসন্ধান' উপন্যাসৰ বিষয়বস্তু। সেয়ে গোবিন্দ প্ৰসাদ শৰ্মাই উপন্যাসখনৰ বিষয় সম্পৰ্কত উল্লেখ কৰিছে —

*'ভৃগুচৌধুৰীয়ে জীৱন সম্পৰ্কে বা জীৱনৰ তাৎপৰ্য সম্পৰ্কে*

*পোনপেটীয়াভাবে একো নক'লেও, ভৃগু চৌধুৰীৰ মনত হোৱাৰ দৰে পাঠকৰ মনতো এটি সাধাৰণ ধাৰণা ওপজে। সেই ধাৰণাতেই আছে উপন্যাসখনত ধৰা পৰা আপাততঃ শৃঙ্খলাহীন, বিচিত্ৰ অভিজ্ঞতাসমূহৰ ঐক্য আৰু এই ঐক্যতেই  ধৰা পৰে উপন্যাসখনৰ প্ৰতিপাদ্য বিষয়।'* [৩৬]

ভৃগু চৌধুৰীয়ে জীৱনৰ অৰ্থ আৰু জীৱনত আহৰণ কৰা অভিজ্ঞতাৰ পৰা এইটো স্পষ্ট যে অতীত আৰু বৰ্তমানৰ মাজত পাৰ্থক্য যথেষ্ট। প্ৰকৃতাৰ্থত জীৱন সম্পৰ্কে যে ভৃগু চৌধুৰীৰ ধাৰণা ভুল, প্ৰতিজন মানুহ স্বতঃসিদ্ধ গণ্ডীৰ ভিতৰত আৱদ্ধ। কোনে কি কৰিব, কাৰ কি অনুভৱ সেয়া জনাৰ উপায় নাই। গতিকে ভৃগু চৌধুৰীয়ে কি ভাবিছে, কি কৰিছে আৰু কি কৰিব, তাৰে চিন্তাত মগ্ন অৰ্থাৎ জীৱনৰ প্ৰতি ক্ষণত আহৰণ কৰা অভিজ্ঞতাৰ অনুসন্ধান কৰাটো হ'ল উপন্যাসখনৰ মূল বিষয়। গতিকে জীৱনৰ অভিজ্ঞতা অনুসন্ধান কৰি জীৱনৰ শেষ মুহুৰ্তত জীৱনৰ কাষত পত্নীৰ বাহিৰে আন কোনো নাই, সেই কথা মৰ্মে মৰ্মে উপলব্ধি কৰিছে আৰু তাৰ সাৱলীল বৰ্ণনা দাঙি ধৰিছে —

*'তেওঁ এপলক দৃষ্টিৰে তেওঁৰ পৰিবাৰৰ ফালে চাই ৰ'ল। আচৰিত হৈ ভাবিলে, দুটা আত্মা বিনা প্ৰয়াসে একীভূত হৈ যায় কেনেকৈ? এই মিলনৰ সূত্ৰ কি?*

*চৌধুৰীয়ে এটা অতি লঘু স্পৰ্শ বোধ কৰিলে। লঘু অথচ প্ৰশ্নাতীত। এইটো তেওঁৰ পৰিবাৰৰ স্পৰ্শ। প্ৰতিটো স্পৰ্শৰ এটা বেলেগ ৰূপ আছে। প্ৰতিজন মানুহৰ আঙুলিৰ ছাপ হেনো বেলেগ। সকলোৰে চকুত এই পাৰ্থক্য ধৰা নপৰে। জনা মানুহে ধৰিব পাৰে।*

*বাৰু, তেওঁৰ পৰিবাৰ যেতিয়া নাথাকিব তেতিয়াও তেওঁ এই স্পৰ্শ অনুভৱ কৰিব নেকি?*

*এয়েইতো হ'ল তেওঁৰ অজ্ঞাত অনুসন্ধান।'* [৩৭]

একাষাৰত ভৃগু চৌধুৰীৰ আত্মকথা। ভৃগু চৌধুৰীৰ জীৱনত ঘটি থকা ঘটনাৰ অন্বেষণেই হ'ল 'অনুসন্ধান'।

আত্মকথাৰ মূলতে বাস্তৱ জীৱনৰ প্ৰত্যক্ষ অভিজ্ঞতা অত্যন্ত জৰুৰী। বিচিত্ৰ চৰিত্ৰৰ

সমাহাৰ। প্ৰতিটো চৰিত্ৰৰ মাজত লুকাই আছে বাস্তৱতা আৰু সমাজৰ বিভিন্ন দিশ। ভৃগু চৌধুৰীয়ে মূল চৰিত্ৰ। তেওঁৰ গৌৰীপুৰীয়া জীৱন আৰু কৰ্মসূত্ৰে বিভিন্ন ঠাইৰ অভিজ্ঞতাৰ বাহিৰে গুৱাহাটীৰ অভিজ্ঞতা সুকীয়া। বন্ধুবৰ ৰজত কলিতাই যেতিয়া ধাৰাবাহিক উপন্যাস এখন লিখাৰ খাটনি ধৰিছে, তেতিয়া ভৃগু চৌধুৰীয়ে অতীতত ঘটি যোৱা আৰু বৰ্তমান ঘটি থকা বিভিন্ন ঘটনা মনলৈ আনিছে, য'ত চৰিত্ৰবোৰ মুক্তভাৱে বিচৰণ কৰিছে। চৰিত্ৰবোৰৰ মনোজগতত অনুসন্ধানৰ অহৰহ প্ৰচেষ্টাই 'অনুসন্ধান'।

চৰিত্ৰবোৰ গোৰেংকা, মহেন্দ্ৰ দাস, শৈলেন বৰুৱা, মিনতি, সত্যজিৎ, সুভদ্ৰা, ৰুণুবৌ, প্ৰণতি, ৰাণা, বিনয় তালুকদাৰ, উত্তৰা, জৰা, অজিত, ৰজত কলিতা, হেমপ্ৰভা, ৰত্ন গোস্বামী, যোগেন মহন্ত, মণ্টু, ৰবীন, লক্ষ্মণ, ভূবন দত্ত, ৰঞ্জন, দীপু আদি কৰি অনেক। প্ৰতিটো চৰিত্ৰৰ মননশৈলী সুকীয়া। ভৃগু চৌধুৰীয়ে প্ৰতিটো চৰিত্ৰৰ বৰ্ণনা নিজস্বভাৱে কৰিছে, কিন্তু চৰিত্ৰবোৰৰ মাজত ৰাখি থৈছে এক নিবিড় সম্পৰ্ক। চৰিত্ৰবোৰৰ লগত সমাজৰ সম্পৰ্ক, সমাজৰ একো-একোটা বিশেষ চৰিত্ৰৰ মাজত মূল্যবোধ, সংস্কাৰ-কু-সংস্কাৰ, সুন্দৰতা, জীৱনৰ উপলব্ধিৰ মাজত সমাজ এখন বৰ্তি থাকে। সময় সলনি হয়, চৰিত্ৰবোৰৰ চাৰিত্ৰিক বৈশিষ্ট্য সলনি হয়। তাৰে এক সুন্দৰ উপলব্ধি ভৃগু চৌধুৰীৰ ভাষ্যত স্পষ্ট—

> *'অতীতৰ কথা চিন্তা কৰিবলৈ গ'লে ঘটনাবোৰ ধাৰাবহিকভাবে ভৃগু চৌধুৰীৰ মনত নপৰে। অনুক্ৰম এটাৰ পদবোৰৰ দৰে এটাৰ পিচত এটাকৈ সজাই থোৱা অৱস্থাত সিহঁতক বিচাৰি পাব নোৱাৰি। প্ৰথম পদ, দ্বিতীয় পদ, এনেকৈ গৈ গৈ 'এন'তম পদ। বৰং এখন সমতলত যেন অসংখ্য বৰ্গৰ সমাৱেশ। একো-একোটা বৰ্গত একো-একোটা দৃশ্য।'* [৩৮]

ভাষা প্ৰয়োগৰ ক্ষেত্ৰত শীলভদ্ৰ সদা সচেতন। 'অনুসন্ধান' উপন্যাসত ভাষাৰ সহজ সৰল প্ৰয়োগ আৰু সাৱলীল বৰ্ণনাৰ সংগমত বুদ্ধিদীপ্ত কথনভংগীৰে বিমল হাস্য ৰসৰ সৃষ্টি কৰিছে। তদুপৰি ভাষা সহজ-সৰল যদিও ঠায়ে ঠায়ে প্ৰতীকী ব্যঞ্জনা তথা ইংগিতধৰ্মিতা, চিত্ৰধৰ্মিতা আৰু অৰ্থঘনতাই উপন্যাসখনক এক অনন্য মাত্ৰা প্ৰদান কৰিছে।

'অনুসন্ধান' উপন্যাসখনক আঞ্চলিক উপন্যাসৰ দৃষ্টিৰে বিচাৰ কৰি চাব নোৱাৰি। কাৰণ, উপন্যাসখনত আঞ্চলিক উপন্যাস হিচাপে যিবোৰ গুণ তথা বৈশিষ্ট্যৰ প্ৰয়োজন, সেইবোৰ

উপস্থাপন হোৱা নাই। অঞ্চল হিচাপে গুৱাহাটীকেন্দ্রিক যদিও কাহিনীৰ পৰিসৰ আৰু বিষয়বস্তুৰ মাজত বিসংগতি স্পষ্ট। আঞ্চলিক উপন্যাসৰ পৰিৱৰ্তে 'অনুসন্ধান' উপন্যাসখনক চেতনাস্রোত বা উত্তৰাধুনিকতা উপন্যাসৰ শাৰীত থ'ব পাৰি। কাৰণ, ভৃগু চৌধুৰীয়ে আধুনিক সমাজৰ একক পৰিয়াল ব্যৱস্থা, মানুহৰ  নিঃসংগতা, মাক-দেউতাৰ প্রতি দায়ৱদ্ধতাৰ অনীহা, কর্ম ব্যস্ততা, জীৱনৰ অনিশ্চয়তা সম্পর্কে সামগ্রীভাৱে ইতিবাচক দৃষ্টিভংগী দাঙি ধৰিছে। নতুন প্রজন্মৰ জীৱন পদ্ধতি আৰু জীৱন দর্শন লৈ প্রথম অৱস্থাত নিৰাশাবাদী হ'লেও পাছলৈ তেওঁৰ আশাবাদী ধাৰণা স্পষ্ট ৰূপত ফুটি উঠিছে। কিয়নো ভৃগু চৌধুৰী হ'ল পৰম্পৰাগত সমাজত লালিত-পালিত হোৱা প্রতিনিধি আৰু আধুনিক সমাজৰ স্পর্শই দোমোজাত পেলাইছে সচাঁ, কিন্তু যুগৰ লগত যে তাল মিলাই চলিব লাগিব, সেই কথা উপলব্ধি কৰিয়ে হয়তো নতুন যুৱ প্রজন্মৰ প্রতি ইতিবাচক দৃষ্টিভংগী প্রকাশ কৰিছে। বিশেষকৈ উপন্যাসখনৰ সামৰণিত উত্তৰহীন প্রশ্নই চেতনা বা বিৱেকৰ প্রৱাহৰ আভাস দিছে। উপন্যাসখনত প্রকাশিত চেতনাৰ অন্ত পৰা নাই। গতিকে চেতনাস্রোত বা উত্তৰাধুনিকতা উপন্যাসত প্রকাশিত নিঃসংগতাবাদ, অনিশ্চয়তাবাদ, উদাৰনৈতিক মনোভাব, ইতিবাচক দৃষ্টিভংগীমূলক যি বৈশিষ্ট্য, সেয়া শীলভদ্রৰ 'অনুসন্ধান' উপন্যাসত উপলব্ধ।

শীলভদ্রৰ 'অনুসন্ধান' মূলতঃ বর্ণনামূলক বর্ণনা ৰীতিৰে মানুহৰ নেতিবাচক স্বৰূপৰ মাজতো ইতিবাচক দিশৰ সন্ধান সুহৃদয়তাৰে কৰিছে। ভৃগু চৌধুৰী আৰু নৱ-প্রজন্মৰ জীৱন দর্শনৰ দিক্ নির্ণায়ক চিন্তাৰ তাৰত্যম থাকিলেও সময়ৰ সোঁতত চলিব লাগিব। উপন্যাসখন মূলতঃ জীৱন দর্শনৰ গভীৰতাত সোমাই জীৱনক অন্বেষণ কৰা। গতিকে বসন্ত কুমাৰ ভট্টাচার্যই 'অনুসন্ধান' উপন্যাস সম্পর্কত সঠিক মন্তব্য কৰিছে —

> *'মানৱ জীৱন আৰু জগত বিষয়ক নানান সমস্যা-সংঘাতৰ গভীৰ উপলব্ধিৰ সংযোগত তেখেত যি এক পৰম সত্যৰ সন্ধানত ব্রতী হৈছে, সি মহান মানৱীয় আদর্শেৰে প্রোজ্জ্বল আৰু নন্দনতাত্ত্বিক নীতিৰ আধাৰত প্রতিষ্ঠিত।'*[৩৯]

## প্রাচীৰ ঃ

শীলভদ্র ৰচিত 'প্রাচীৰ' উপন্যাসখন আঠাইশ টা অধ্যায়ত বিভক্ত। প্রতিটো অধ্যায়ত

শ্যামল বৰুৱাৰ উপস্থিতিয়ে উপন্যাসখনৰ বিষয়বস্তুৰ গভীৰতা বৃদ্ধি কৰিছে। উপন্যাসখনৰ পটভূমি ব্যক্তিগত জীৱন। গৌৰীপুৰীয়া জীৱন এৰি অধ্যাপক, গল্পকাৰ হিচাপে শ্যামল বৰুৱাৰ একান্ত ব্যক্তিগত জীৱনৰ অনুভূতি প্ৰকাশ পাইছে। গতিকে উপন্যাসখনৰ কাহিনীৰ গতি লৈ লক্ষ্য কৰিলে অনুভৱ হয় শ্যামল ৰৰুৱা যেন শীলভদ্ৰ নিজে। কিয়নো কাহিনীত লেখক জীৱনৰ ছাপ পৰোক্ষ বা প্ৰত্যক্ষভাৱে পৰে।

পৰম্পৰাগত সমাজ ব্যৱস্থাৰ সোঁতৰ বিপৰীতে আধুনিক সমাজ ব্যৱস্থাৰ প্ৰতি ধাৱিত হোৱা প্ৰত্যেকজন মানুহৰ বাবে সহজসাধ্য নহয়। সংস্কাৰ বিহীন মানৱ সমাজ চলাটো সম্ভৱ নহয় যদিও দুই এজন ব্যতিক্ৰমী চৰিত্ৰৰ মানুহ সমাজত নথকাও নহয়। ‘প্ৰাচীৰ’ উপন্যাসত তেনে এক ব্যতিক্ৰমী মানুহ হ’ল শ্যামল বৰুৱা। শ্যামল বৰুৱা উপন্যাসখনৰ মূল চৰিত্ৰ। অবিৱাহিত শ্যামল বৰুৱাৰ প্ৰাচীৰ আভিধানিক অৰ্থত শুদ্ধ নহয়। ‘প্ৰাচীৰ’ আভিধানিক অৰ্থ হ’ল ‘ঘৰৰ চাৰিওফালে থকা মাটি বা ইটাৰ গড়।’ কিন্তু শ্যামল বৰুৱাৰ ‘প্ৰাচীৰ’ শব্দৰ অৰ্থ হ’ল ‘বিবেকৰ প্ৰাচীৰ’। প্ৰাচীৰ মনত, মনৰ প্ৰাচীৰ ভাঙিব পৰা নাই। প্ৰাচীৰ ভঙাৰ সলনি মজবুত কৰি বান্ধি লৈছে, যিয়ে শ্যামল বৰুৱাক সেই প্ৰাচীৰ ভেদ কৰাৰ তিলমানো সাহস আৰু শক্তি গোটাব পৰা নাই। ভাবিছে, সপোন দেখিছে, ক’ব বিচাৰিছে, কিন্তু ক’ব পৰা নাই। হৃদয়ৰ অটল তলিত জমা হৈ থকা সপোনৰ প্ৰাচীৰ ভেদ কৰিব পৰা নাই। এনে দোমোজাত পৰি শ্যামল বৰুৱা কেতিয়াবা অতীতলৈ উভতি চাইছে আৰু কেতিয়াবা ভৱিষ্যতৰ চিন্তা কৰিছে। উপন্যাসখনৰ অৰ্ন্তনিহিত ভাব বৈচিত্ৰ্যৰ ব্যঞ্জনাপূৰ্ণ প্ৰকাশভংগীয়ে প্ৰাচীৰ নামকৰণৰ সাৰ্থকতা উপলব্ধ।

‘প্ৰাচীৰ’ উপন্যাসত এক সুবিন্যস্ত কাহিনী নাই। উপন্যাসখনৰ প্ৰথম অধ্যায়ত শ্যামল বৰুৱাৰ লেখক জীৱনৰ অভিজ্ঞতা, গল্পকাৰ হিচাপে সুনাম-কুনাম, বিশ্ববিদ্যালয় চৌহদত গৱেষণাৰত নিজৰা ফুকনৰ প্ৰতি প্ৰেমাভাব, নিজৰা ফুকনৰ ‘গোৱালপৰীয়া সাংস্কৃতিক সন্মিলনত’ যোগদান, গোৱালপাৰাৰ পৰা লৈ অহা সংস্কৃতিৰ সমল, শ্যামল বৰুৱাৰ দৃষ্টিত নতুনত্ব একো নাই, কিন্তু নিজৰা প্ৰশংসাত পঞ্চমুখ। মাণিক দত্তৰ গেৰেজ আৰু এম্বেচেডৰ গাড়ী, মাণিক দত্তৰ ব্যৱহাৰ, সাংসাৰিক জীৱনৰ জটিলতা, গগন দত্ত পিতৃ হিচাপে মাণিকক লৈ গৌৰৱ অনুভৱ কৰে, ফৰিংৰ চতুৰতা, কথাত মানুহৰ মন ভুলোৱা, এজন এজনকৈ কৰি

তিনিজনী পত্নী, কিন্তু তিনিজনীৰ এজনীও নাথাকিল, শেষত জ্যোতিষ শাস্ত্ৰই জীৱিকাৰ আহিলা, ভণ্টি ৰেখাৰ প্ৰতি বিদ্বেষ মনোভাব, গৌৰীপুৰীয়া জীৱনত শ্যামল বৰুৱাৰ ৰেখাৰ প্ৰতি প্ৰেমাভাব, ৰেখাৰ ঘৰত উপস্থিত হ'ল কিন্তু ৰেখাই সাক্ষাৎ নকৰিলে, ৰেখাৰ ৰূপৰ প্ৰতি সমাজৰ কু-দৃষ্টি, শেষত নিজৰা ফুকনক বিয়া কৰাৰ মন লৈ দিল্লী লৈ ৰাওনা, ইতিমধ্যে নিজৰাৰ বিয়া হৈ গ'ল, শ্যামল বৰুৱাৰ মনৰ আশা মনত ৰ'ল। এনে ব্যক্তিগত অনুভূতি আৰু জীৱনৰ বিচিত্ৰ অভিজ্ঞতাসমূহৰ ঐক্যই হ'ল উপন্যাসখনৰ মূল প্ৰতিপাদ্য বিষয়।

'প্ৰাচীৰ' উপন্যাসৰ ঘটনাবোৰৰ বিশ্লেষণত ব্যক্তিগত আৰু সামাজিক পৰিস্থিতি আপোনা-আপুনি চিত্ৰিত হৈছে। লেখক জীৱনৰ তিক্ততা আৰু লেখক হোৱাটো সহজ নহয়, তাৰ ইংগিত বহন কৰিছে শ্যামল বৰুৱাৰ বক্তব্যত—

> *'যিখন সমাজ সম্বন্ধে শ্ৰীবৰুৱাৰ কোনো সম্যক ধাৰণা নাই, যিবোৰ মানুহৰ লগত তেওঁৰ আত্মিক পৰিচয় নাই, কেৱল বৌদ্ধিক অনুভূতিৰে সেইখন সমাজ বা সেইবোৰ মানুহক লৈ লিখা কথাবোৰ কেৱল অন্তঃসাৰশূন্যই নহয়, ই এক ধৰণৰ প্ৰতাৰণাও।'*[৪০]

গতিকে লেখক হ'বলৈ হ'লে প্ৰত্যক্ষ অভিজ্ঞতা অত্যন্ত প্ৰয়োজন। সমাজৰ প্ৰতিজন মানুহ, প্ৰতিটো ঘটনাৰ লগত আত্মিক সম্পৰ্ক গঢ়ি তুলিব লাগিব আৰু সহজ-সৰল ভাষা প্ৰয়োগৰ মাধ্যমত সাৱলীল বৰ্ণনাৰে বিষয়বস্তু তুলি ধৰিব পাৰিব লাগিব। শ্যামল বৰুৱাৰ ৰচনাত নিৰপেক্ষতা আছে, বাস্তৱ জীৱনৰ প্ৰত্যক্ষ অভিজ্ঞতা আছে আৰু আছে মানৱ সমাজৰ লগত নিবিড় সম্পৰ্ক। কিন্তু যেতিয়া সমালোচকে পক্ষপাতিত্বমূলকভাৱে সমালোচনা কৰে, বাস্তৱ অভিজ্ঞতাৰ অভাৱ থকা কাৰণে শ্ৰীবৰুৱাৰ সৃষ্ট চৰিত্ৰবোৰ যান্ত্ৰিক, তেতিয়া শ্যামল বৰুৱাই আঘাত পায়।

শীলভদ্ৰৰ উপন্যাসসমূহৰ এটি প্ৰধান বৈশিষ্ট্য বহু চৰিত্ৰ গঠন। প্ৰতিটো চৰিত্ৰৰ মাজত সমাজৰ কোনো নহয় কোনো এটি চাৰিত্ৰিক গুণ প্ৰকাশ পায়। 'প্ৰাচীৰ' উপন্যাসতো সৰু সৰু বহু চৰিত্ৰৰ সংযোজন আৰু প্ৰকাশভংগীয়ে অন্য মাত্ৰা প্ৰদান কৰিছে। উপন্যাসখনত উল্লিখিত চৰিত্ৰ সমূহ হ'ল—শ্যামল বৰুৱা, নিজৰা ফুকন, মাণিক দত্ত, গণেশ নাথ, যতীন, মুনচেৰ, ৰাজেন শৰ্মা, ফৰিঙ, সুবল, মাখন, বিষ্ণু, গংগাৰাম, মণ্টু, টগৰ, বয়তুল্লা, বনমালী মালাকৰ,

মহাবীৰ প্ৰসাদ, সৰ্বেশ্বৰ, কাৰ্তিক, কালিদাস শৰ্মা, গগন দত্ত, ৰমানাথ, অনিল পাটোৱাৰী, বেণীমাধৱ বৰুৱা, যোগেন্দ্ৰ বাইদাং, দ্বিগম্বৰ চৌধুৰী, মালা, ৰেখা, সুনন্দা, ৰোজমেৰী আদি অনেক চৰিত্ৰৰ সংযোজনে উপন্যাসখনৰ বিচিত্ৰতা বৃদ্ধি কৰিছে।

'প্ৰাচীৰ' উপন্যাসখনৰ কাহিনী আৰু বিষয়বস্তুৰ লগত শ্যামল বৰুৱা ওতঃপ্ৰোত জড়িত। সেইফালৰ পৰা উপন্যাসখনৰ কেন্দ্ৰীয় চৰিত্ৰ শ্যামল বৰুৱা। জন্ম ঠাই গৌৰীপুৰ। অৱস্থাপন্ন পৰিয়ালৰ ল'ৰা। বিশ্ববিদ্যালয়ৰ অধ্যাপক। লেখক হিচাপেও সুপ্ৰতিষ্ঠিত। বিয়াবাৰু কৰোৱা নাই। শিক্ষকতা, লেখক আদি কৰোঁতে ব্যক্তিগত জীৱনৰ কথা অনুভৱ নকৰা, নিজৰা ফুকন, ৰেখাৰ প্ৰেমৰ সামূহিক ভাব-অনুভূতিয়ে ব্যথিত কৰা শ্যামল বৰুৱাই মাজে মাজে নিঃসংগতাবোধ অনুভৱ কৰে। কিন্তু গোৱালপাৰাৰ ঐতিহ্যৰ প্ৰতি সদা-সচেতন মনোভাবৰে ভাষা-সংস্কৃতি আৰু ভৌগোলিক চৰিত্ৰৰ বৰ্ণনাত শ্যামল বৰুৱাই মুখ্য ভূমিকা গ্ৰহণ কৰিছে। মাণিক দত্তৰ গেৰেজ আৰু শ্যামল বৰুৱাৰ মটৰ গাড়ীৰ সম্পৰ্কৰ মাজেৰে উপন্যাসখনৰ কাহিনীয়ে গতি কৰিছে। মাণিক দত্তৰ গেৰেজলৈ মটৰ গাড়ীৰ সৰু-সুৰা কাম কৰিবলৈ আহে শ্যামল বৰুৱা। শ্যামল বৰুৱা আৰু মাণিক দত্ত দুয়ো গোৱালপাৰাৰ মানুহ। পৰিচয়তে জন্ম ঠাইৰ এটি আত্মিক সম্পৰ্ক গঢ়ি উঠে। পাৰিবাৰিক খা-খবৰ, বিশৃংখলতা জীৱনৰ মাজতো ধৈৰ্য্যসহ নিজৰ কৰ্ম সুচাৰুৰূপে পালন কৰিছে। পিতৃৰ দায়িত্ব, মানসিক ৰোগত ভোগা পত্নীৰ অকথ্য গালি-গালাজ আৰু উপদ্ৰৱ নীৰৱে সহ্য কৰি সংসাৰ ধৰ্ম পালন কৰিছে। মাণিক দত্তৰ এইবোৰ গুণে শ্যামল বৰুৱাক মোহিত কৰে। তদুপৰি অৰ্থনৈতিকভাৱে পিছ পৰা অঞ্চল গোৱালপাৰাৰ মানুহৰ অতিথি আপ্যায়ন, আদৰ-যতন কৰাটো এটা সাধাৰণ গুণ, তাতে নিজৰ ঠাইৰ মানুহ বাহিৰত লগ পালে কথা নাই। শ্যামল বৰুৱা মাণিক দত্তৰ গেৰেজলৈ আহিলে একাপ ইচ্‌স্পিয়েল চাহ নোখোৱাকৈ অহা কঠিন। ই এক গোৱালপাৰা অঞ্চলৰ চিৰাচৰিত প্ৰথা। তদুপৰি মাণিক দত্তৰ পিতৃ গগন দত্তৰ সন্তান প্ৰীতি, গৌৰান্বিত মনোভাব আৰু বোৱাৰীৰ প্ৰতি যি বিষোদাগাৰ মনোভাব, সেয়া গোৱালপাৰা অঞ্চলৰ শাহু-বোৱাৰীৰ মাজত পাৰিবাৰিক যি সম্পৰ্ক তাৰ এক বাস্তৱ ৰূপ তুলি ধৰিছে এনেদৰে—

*'এইহে ল'ৰা। লিখাপঢ়া শিকিলেই কোনোবা মানুহ হয় নে? আচল মানুহ হ'ল মাণিক। খাঁটি মানুহ ই। মাণিকে নাচালে বুঢ়া বয়সত বাটত ভিক্ষা*

*কৰিব লাগিল হয়। মোৰ কি কৰিছে মোৰ ডাঙৰ ল'ৰাই? কুকুৰৰ দৰে ৰাতিখন খেদি দিয়া নাছিল? খেদি দিয়া নহয়তো কি? খাইছিলোঁ। মিছা কথা কিয় ক'ম? অলপ খাইছিলোঁ। নিজৰ পইচাত খাইছিলোঁ। সেই বুলি ডাঙৰ বোৱাৰীয়ে কিমান কথা শুনালে। ভদ্রলোকৰ ঘৰত ছোটলোকৰ কাৰবাৰ। মই ছোটলোক? ৰাতিতেই ঘৰৰ পৰা ওলাই গ'লো। মোৰ ল'ৰাইতো একো-নক'লে। ল'ৰাৰ সমৰ্থন নাথাকিলে বোৱাৰীয়ে ইমান কথা শুনাব পাৰে নে?'* [৪১]

নিজৰা ফুকন এজনী উচ্চ শিক্ষিত ছোৱালী। পিএইচ. ডি. ডিগ্ৰী গ্ৰহণৰ বাবে বিশ্ববিদ্যালয়লৈ আহিছে। গৱেষণাৰ বিষয় অসমৰ সংস্কৃতি। বিশ্ববিদ্যালয়ত থকা বাবে বৰুৱাৰ লগত চিনাকি। বৰুৱাৰ লিখনিৰ সমালোচনাও কৰে। গৱেষণা সম্পৰ্কত বৰুৱাৰ লগত বিভিন্ন আলোচনাও কৰে। নিজৰা ফুকনৰ গৱেষণাৰ বিষয়ৰ ওপৰত শ্যামল বৰুৱাই ভাবে যে অসমীয়া সংস্কৃতি মূলতঃ বৰ্ণ হিন্দুৰ সংস্কৃতি। জনজাতীয় সমাজৰ কিছুমান বিশিষ্টতা তাত সুমুৱাই লোৱা হৈছে। এইটোও সাম্প্ৰতিক কালৰ ঘটনা। জনজাতীয় সম্প্ৰদায়বোৰ এই সাংস্কৃতিক সমাজৰ বাহিৰত। মুছলমান সমাজৰ কথাতো বাদেই। আচলতে এই সংস্কৃতিৰ ভেটি উচ্চ বৰ্ণৰ হিন্দু সংস্কৃতি। অসমীয়া সংস্কৃতিৰ আলোচনাৰ লগে লগে শ্যামল বৰুৱাই অসমৰ ভৌগোলিক সীমাৰ ভিতৰত গোৱালপাৰাৰ সংস্কৃতি যে অসমীয়া সংস্কৃতিৰ পৰা পৃথক, সেই কথাৰ আভাস দিয়াত অক'ণো ত্ৰুটি কৰা নাই। গোলকগঞ্জত অনুষ্ঠিত গোৱালপৰীয়া সাংস্কৃতিক সন্মিলনত নিজৰা ফুকনে যোগদান কৰাৰ পাছত গোৱালপাৰাৰ সংস্কৃতি সম্পৰ্কত ভ্ৰান্ত ধাৰণাৰ পৰিৱৰ্তে ই যে এক ঐতিহ্যপূৰ্ণ সংস্কৃতি আৰু সংস্কৃতিৰ ভাণ্ডাৰ, সেইটো স্পষ্ট হৈছে। সেই ছেগতে শ্যামল বৰুৱাই গোৱালপাৰাৰ শিল্পীসত্তা দোতোৰাৰ ওস্তাদ অন্ধ টগৰৰ কথা, লোক-সংগীত, হস্তশিল্প কুঁহিলা, মৃন্ময় শিল্প, লোক-উৎসৱ, লোক-নৃত্য আদিৰ সুন্দৰ বৰ্ণনা দাঙি ধৰিছে। গৱেষণাৰ আলোচনাৰ জৰিয়তে ব্যক্তিগত জীৱনৰ বহু কথা আৰু দুয়োৰে মাজত অজানিতে প্ৰেমাভাৱ গঢ়ি উঠিছে।. যদিও সি অপ্ৰকাশিত হৈ ৰ'ল।

ফৰিঙ উপন্যাসখনৰ হাস্য ব্যংগাত্মক চৰিত্ৰ। গৌৰীপুৰৰ ল'ৰা। কথাত পটু। কথাতে

মানুহক আপোন কৰি ল'ব পৰা ক্ষমতা আছে। শ্যামল বৰুৱাৰ লগত চা-চিনাকি আছে। জীৱিকাৰ তাড়নাত নকৰিবলগীয়া বহু কাম কৰিছে। চতুৰতা আৰু ছল-চাতুৰীৰে এজনী এজনীকৈ তিনিজনী বিয়া পাতিছে। দুৰ্ভাগ্য এজনীৰো লগত সংসাৰ নিটিকিল। আণ্ডাৰ মেট্ৰিক হৈও ভূৱা বি,এ পাছ চাৰ্টিফিকেটেৰে শিক্ষকতা কৰা শিক্ষক হিচাপে নিজে গৌৰৱবোধ কৰি কৈছে —

*'ডিগ্ৰীৰ লগত জনাৰ কি সম্বন্ধ? মই স্কুলখনৰ আটাইতকৈ ভাল শিক্ষক আছিলোঁ। আই ওৱাজ দি বেষ্ট টিচাৰ অব দি স্কুল।'* [৪২]

একে স্কুলৰ শিক্ষয়ত্ৰী সুনন্দাক বিয়া কৰিছিল আৰু যেতিয়া সুনন্দাই গম পাইছিল ফৰিঙৰ ফাঁকিবাজৰ কথা, তেতিয়া ৰাতিৰ ভিতৰতে পলাই পত্ৰং দিছিল। শেষত জ্যোতিষ শাস্ত্ৰৰ সহায়ত পাথৰ বিক্ৰী কৰাৰ কৌশল আৰু বাক্‌ভংগীয়ে হাস্যৰস প্ৰদান কৰিছে, লগতে সমাজৰ এটি বাস্তৱ চৰিত্ৰ ৰূপায়ণত ঔপন্যাসিক সফল হৈছে।

ৰেখা ৰূপৱতী। সাধাৰণ ঘৰৰ ছোৱালী। প্ৰতিজন পুৰুষে ৰেখাৰ ওপৰত নজৰ দিয়ে। নানান জনৰ নানান কথা। সমাজৰ দৃষ্টিত কুলক্ষিণী, বেশ্যা উপাধিৰে বিভূষিত। সাধাৰণ মেকানিক মাখনৰ পত্নী। ৰেখা শ্যামল বৰুৱাৰ যৌৱনকালৰ অপ্ৰকাশিত প্ৰেমিক। ৰেখাৰ প্ৰেম শ্যামল বৰুৱাৰ হৃদয়ত ঠাই লৈছিল। ৰেখাই ভালদৰে বুজি উঠিছিল শ্যামল বৰুৱাৰ লগত বৈবাহিক জীৱন অসম্ভৱ। সেয়ে সেই আশা এৰি সংসাৰ পাতিছিল। কিন্তু ফৰিঙে এদিন শ্যামল বৰুৱাক লগত লৈ ৰেখাৰ ঘৰলৈ গৈছিল। শ্যামল বৰুৱাৰ ভিতৰলৈ সোমোৱাৰ সাহস নহ'ল। বহু দিন পাছত ভায়েক লগ পাই সমাজৰ ৰোষৰ পৰা মুক্ত হ'ব নোৱাৰি মনৰ ক্ষোপ প্ৰকাশ কৰিছে —

*'জানো মোৰ ৰূপ আছে। এইটো মোৰ দোষ নহয়, আমাৰ পৰিয়ালৰ ধাৰা, মাৰ বৰঙণি। তোক দেখিলেই বুজি পাওঁ। এই বয়সতো তই আইনাত চাবিচোন। মই যদি কোনোৱা ধনী মানুহ বা ডাঙৰ বিষয়াৰ পত্নী হ'লোঁ হয়, তেনেহ'লে সকলোৱে অৱস্থাটো মানি ল'লে হয়। মেকানিক এজনৰ পৰিবাৰ সপ্ৰতিভ ধুনীয়া? মানুহে মানি ল'ব নোৱাৰে। সেই কাৰণে ইমান খং, ঈৰ্ষা আৰু আক্ৰোশ। প্ৰত্যেকৰে লোভক বাধা দি থকা কাৰণে প্ৰতোকৰে ইমান খং।'* [৪৩]

ই এক সমাজৰ ব্যাধি আৰু সমাজত ৰেখাৰ দৰে হাজাৰ হাজাৰ ৰেখা আছে, যিসকলে নীৰৱে সমাজৰ প্ৰতাৰণা সহ্য কৰিবলগীয়া হৈছে।

'প্ৰাচীৰ' উপন্যাসখনৰ পটভূমি বিশ্ববিদ্যালয় চৌহদ। বিশ্ববিদ্যালয়ৰ অধ্যাপক শ্যামল বৰুৱা। বৰুৱাৰ কৰ্মস্থলৰ অভিজ্ঞতা আৰু জন্ম ঠাই গোৱালপাৰাৰ পূৰ্ব অভিজ্ঞতাৰ ভাষা-সাহিত্য, সংস্কৃতিক মূল বিষয় হিচাপে লৈ উপন্যাসখনৰ কাহিনী গতি কৰিছে। অধ্যাপক জীৱনৰ ব্যস্ততা আৰু নগৰকেন্দ্ৰিক সভ্যতাই শ্যামল বৰুৱাক আমনি কৰে যদিও জন্ম ঠাইৰ মানুহ লগ পালে আৱেগবিহ্বলভাৱে অতীতলৈ উভতি যায়। অতীতৰ বহু কথাই অভিজ্ঞতাৰ সাকোঁ মজবুত কৰে। তেতিয়া শ্যামল বৰুৱা উভতি যায় শৈশৱ, যৌৱন পাৰ কৰা গোৱালপাৰাৰ বিভিন্ন অঞ্চললৈ। গোৱালপাৰাৰ সংস্কৃতি আৰু ঐতিহ্যক লৈ শ্যামল বৰুৱা সদা-সচেতন। মাণিক দত্ত, গগন দত্ত, ফৰিঙ, ৰেখা আদিৰ সাক্ষাতে গোৱালপাৰাৰ ঐতিহ্য, সমাজ-সংস্কৃতি, ব্যৱহাৰিক আচাৰ-অনুষ্ঠান, সুহৃদয়তা ভাব, গোৱালপাৰাৰ মানুহৰ চাৰিত্ৰিক গুণ আদিৰ বিৱৰণ তুলি ধৰাৰ লগতে গৱেষক নিজৰা ফুকনে গোলকগঞ্জৰ পৰা বিভিন্ন ধৰণৰ শিল্পলৈ উভতি আহি যেতিয়া গোৱালপাৰাৰ সংস্কৃতি সম্পৰ্কত পঞ্চমুখ হয়, তেতিয়া শ্যামল বৰুৱাই সেই শিল্প সম্পৰ্কত অতি সাধাৰাণ দৃষ্টি প্ৰদৰ্শন কৰে। কাৰণ পুৰণি দিনৰ সূক্ষ্ম কাৰুকাৰ্য থকা বস্তু এটাও নাই। কিয়নো শিল্প আৰু সংস্কৃতিৰ বিশিষ্টতাৰ ধাৰাবাহিকতাৰ পৰিশুদ্ধতাক ধৰি ৰাখিব পাৰে নিম্ন শ্ৰেণীৰ মানুহে আৰু সেই অঞ্চল বাহিৰৰ প্ৰভাৱৰ পৰা সম্পূৰ্ণ মুক্ত হ'ব লাগিব, তেতিয়াহে পৰম্পৰাগত বৈশিষ্ট্য শিল্পৰ মাজত ধৰি ৰখা সম্ভৱ। কাৰণ ইয়ে থলুৱা শিল্পৰ শিল্পীসত্তা আৰু থলুৱা জীৱনধাৰা আৰু মূল্যবোধৰ পৰিচায়ক। কিন্তু গোৱালপাৰাৰ শিল্প আৰু সংস্কৃতিত বহিৰাগত আমদানি আৰু প্ৰভাৱে বিকৃত ৰূপ ধাৰণ কৰিছে। লোক-সংগীতৰ ক্ষেত্ৰত লোকযন্ত্ৰৰ বিপৰীতে যান্ত্ৰিক যন্ত্ৰই বে-সুৰা, তাল, মান, লয় আদিৰ বিকৃত ৰূপে গোৱালপৰীয়া সংস্কৃতিৰ চৰ্চা লাহে লাহে কমি আহিব ধৰিছে বুলি ক্ষোপ প্ৰকাশ কৰিছে। আকৌ গোৱালপাৰাৰ নিচিনা পিছ পৰা অঞ্চলতেই দোতোৰাৰ যাদুকৰ অন্ধ টগৰৰ জন্ম। প্ৰকৃত শিল্পীসত্তা টগৰৰ গাত স্পষ্ট। গতিকে উপন্যাসখনৰ পটভূমি, বিষয়বস্তুৰ পৰিসৰ, কাহিনী উপস্থাপন, চৰিত্ৰৰ চাৰিত্ৰিক বৈশিষ্ট্য, ভাষা-সংস্কৃতিৰ প্ৰকাশভংগীৰ ফালৰ পৰা ই এখন আঞ্চলিক উপন্যাস।

**উপসংহাৰ ঃ**

সাহিত্য জীয়া মানুহৰ কথা কয়। মানুহৰ লগত সম্পৰ্কিত সমাজ আৰু প্ৰকৃতি, ইয়াৰ বায়ু, পানী আৰু মাটিৰ গোন্ধ থকা জীৱনৰ পূৰ্ণাংগ বাস্তৱ প্ৰতিচ্ছবি যেতিয়া সাহিত্যত প্ৰতিফলিত হয়, তেতিয়া ই সাৰ্থক সাহিত্য ৰূপে বিবেচিত হয়। বিংশ শতিকাৰ সাহিত্যত সামাজিক শ্ৰেণীগত ব্যৱধান, পাৰস্পৰিক সম্পৰ্কত ফাট, ফ্ৰয়েডীয় চিন্তাৰ প্ৰভাৱ, মাৰ্কসবাদী দৰ্শনৰ প্ৰভাৱ আৰু অন্যান্য সামাজিক সমস্যা, জটিলতাৰ বিচিত্ৰ ৰূপৰ প্ৰকাশ ঘটিছে। এই জাতীয় নতুন বিষয় বা উপাদানসমূহ নিৰ্ণয় কৰি বা বিচাৰি লৈ মানুহৰ জীৱনৰ কথা যেতিয়া শিল্পসন্মত ৰূপত অংকন কৰে, তাতেই উপন্যাসৰ অস্তিত্ব নিৰ্ভৰ কৰে। আঞ্চলিক উপন্যাসৰ ক্ষেত্ৰত একে কথাই খাটে। আঞ্চলিক উপন্যাসৰ মূল ভিত্তি ভৌগোলিক স্থিতি প্ৰধান। ইয়াৰ বিষয়বস্তু ভৌগোলিক সীমা প্ৰধান হ'ব লাগিব তেনে নহয়, বৰং কোনো বিশেষ অঞ্চলৰ সৰু-বৰ জাতি-জনগোষ্ঠী, প্ৰকৃতিৰ সৰু-বৰ বস্তুও হ'ব পাৰে। ভৌগোলিক অৱস্থানগত মানুহ, সমাজ, প্ৰাকৃতিক পৰিৱেশৰ লগত সম্পৰ্কিত উপাদানৰ বিভিন্ন দিশ ৰূপায়িত কৰাটো আঞ্চলিক উপন্যাসৰ লক্ষ্য। এনে উপন্যাসৰ কেন্দ্ৰীয় চৰিত্ৰ একাধিক হ'ব পাৰে, কিয়নো প্ৰতিটো চৰিত্ৰ স্বতন্ত্ৰ। প্ৰতিটো চৰিত্ৰৰে নিজস্ব ঢং আছে। চৰিত্ৰবোৰৰ বাস্তৱ চিত্ৰ চিত্ৰায়িত নহ'লে আঞ্চলিকতাৰ প্ৰকৃত স্বৰূপ ওলাই নাহিব। গতিকে প্ৰতিটো চৰিত্ৰৰ জীৱনাদৰ্শৰ ওপৰত আলোকপাত কৰাই আঞ্চলিক ঔপন্যাসিকৰ দায়িত্ব। ঔপন্যাসিক যেতিয়া বাস্তৱ চৰিত্ৰ নিৰ্মাণত সচেতন হ'ব, তেতিয়া নিৰ্বাচিত অঞ্চল বিশেষৰ ক্ষুদ্ৰতম বৈশিষ্ট্য আৰু স্থানীয় ৰূপ নিখুঁতভাৱে প্ৰতিফলিত হ'ব।

অসমীয়া সাহিত্যত আঞ্চলিকতাবাদৰ চেতনাৰ উন্মেষ ঘটে ঊনবিংশ শতিকাৰ শেষভাগত। অসমীয়া উপন্যাস সাহিত্যত পোন প্ৰথম আঞ্চলিকতাৰ প্ৰভাৱ পৰে 'মিৰিজীয়ৰী' উপন্যাসত। পৰৱৰ্ত্তী কালত নৱকান্ত বৰুৱাৰ 'কপিলীপৰীয়া সাধু' উপন্যাসত আঞ্চলিকতাৰ ছাপ পূৰ্ণাংগ ৰূপে পৰে। পাছলৈ ভালেকেইজন ঔপন্যাসিকৰ উপন্যাসত আঞ্চলিকতাবাদৰ প্ৰভাৱ পৰে যদিও শীলভদ্ৰৰ 'মধুপুৰ' উপন্যাসখনে আঞ্চলিকতাৰ ভেটি সবল কৰে আৰু এক নতুন ধাৰা সংযোজন কৰে।

শীলভদ্ৰৰ উপন্যাসৰাজি মূলত আঞ্চলিক ভাবনাৰে সমৃদ্ধ। শীলভদ্ৰ ৰচিত আঠখন

উপন্যাসে আঞ্চলিক উপন্যাস নহয়। মধুপুৰ, আগমনীৰ ঘাট, অবিচ্ছিন্ন, আহঁতগুৰি, প্ৰাচীৰ আদি উপন্যাসসমূহক আঞ্চলিক উপন্যাসৰ শাৰীত থ'ব পাৰি। গধূলি, তৰঙ্গিনী, অনুসন্ধান উপন্যাস তিনিখন সম্পূৰ্ণ আঞ্চলিক উপন্যাস নহয়, আঞ্চলিক গন্ধীহে। কিয়নো উপন্যাস সমগ্ৰৰ বিষয়বস্তুৰ গভীৰতালৈ সোমাই গ'লে দেখা যায়, উপন্যাসসমূহৰ পটভূমি যিয়েই নহওঁক, সুযোগ বুজি উপন্যাসৰ বিষয়বস্তু আৰু কাহিনীৰ ঐক্য লৈ লক্ষ্য ৰাখি গোৱালপাৰালৈ উভতি আহিছে। গোৱালপাৰা অঞ্চলৰ হাব-ভাব, মানুহৰ চিৰন্তন অনুভূতি, প্ৰকৃতিৰ মাজত বিচৰণ কৰি চৰিত্ৰসমূহৰ গাত ভেজা দি সময়ে মানৱ সমাজলৈ অনা পৰিৱৰ্তন, উন্নয়ন আদিৰ সাৰ্বজনীন বিষয়বোৰ অতি বিচক্ষণতাৰে উপস্থাপন কৰিছে। য'ত গোৱালপাৰাৰ ঐতিহ্য, ভাষা-সংস্কৃতি আৰু সমাজ জীৱনৰ সৰল কাহিনী তুলি ধৰাত দ্বিধাবোধ কৰা নাই। অসমৰ ভিতৰত পিছ পৰা অঞ্চল হিচাপে চিহ্নিত অবিভক্ত গোৱালপাৰা জিলাৰ ৰাজনৈতিক, অৰ্থনৈতিক, সামাজিক দিশসমূহ তন্ন তন্নকৈ তুলি ধৰিছে। মনোৰম উপস্থাপন আৰু সহজ-সৰল ভাষা প্ৰয়োগ ৰীতিৰে ইতিহাসবোধৰ চেতনা আৰু ঐতিহ্যৰ প্ৰশ্ন আগত ৰাখি গোৱালপাৰাৰ সুকীয়া জমিদাৰিত্ব, ভূমিনীতি পদ্ধতি, সাংস্কৃতিক বিচিত্ৰতাৰ সমন্বয়, শোষিত আৰু দলিতজনৰ প্ৰতি অনুকম্পা মনোভাৱ, স্থানীয় ভাষাৰ ব্যৱহাৰ আদিৰ চাক্ষুষ অভিজ্ঞতাৰ বাস্তৱ প্ৰতিফলন শীলভদ্ৰৰ উপন্যাসত সততে দেখা যায়। এক কথাত সমাজতাত্ত্বিক নিৰীক্ষণ আৰু নিৰ্মোহ বিশ্লেষণেই শীলভদ্ৰৰ উপন্যাসৰ এটি অন্যতম বৈশিষ্ট্য। উপন্যাসত সংযোজন কৰা প্ৰতিটো চৰিত্ৰৰ অন্তৰ জগতত সোমাই গৈ তাৰ মনঃসমীক্ষামূলক বিৱৰণ আৰু উপস্থাপনৰ সুকীয়া শৈলীৰ প্ৰয়োগ ৰীতিয়ে এক অভিনৱত্ব প্ৰদান কৰিছে।

শীলভদ্ৰৰ উপন্যাস সমূগ্ৰ মূলতঃ নষ্টালজিয়াৰ সমাহাৰ। ঘটনাবোৰ সত্য, কিন্তু অতীত। অতীতক আগত ৰাখি বৰ্তমান আৰু ভৱিষ্যতৰ সন্ধান। কাহিনীৰ প্ৰতিপাদ্য বিষয় সংঘাত সমস্যাৰ গভীৰ উপলব্ধি। অভিজাত আৰু মধ্যবিত্ত শ্ৰেণীৰ যুঁজ। আনপিনে স্বাধীনতা আৰু পৰিৱৰ্তনৰ ঢৌৰ দোমোজত আয়ত্ব কৰা বাস্তৱ অভিজ্ঞতা, প্ৰজন্ম ব্যৱধানৰ এক ৰসাল কাহিনী। চিত্ৰ-বিচিত্ৰ সৰু সৰু ঘটনাক্ৰমৰ সাৱলীল বৰ্ণনা, গোৱালপাৰা তথা গৌৰীপুৰৰ কেচাঁ মাটিৰ স্বাদ, বতাহৰ চুম্বন, প্ৰকৃতিৰ বুকুত বিচৰণ কৰি ডাঙৰ দীঘল হৈছে, সেই ঠাইৰ প্ৰতি থকা ভালপোৱাৰ গভীৰতা আৰু আকৰ্ষণ প্ৰকাশ কৰিছে সাহচাৰ্য চৰিত্ৰ আৰু বাস্তৱ অভিজ্ঞতাৰ

ভেটিত। উপন্যাসসমূহত সৰু-বৰ অনেক চৰিত্ৰ। চৰিত্ৰৰ পুনাৰাবৃত্তি লক্ষণীয়। প্ৰতিটো চৰিত্ৰ স্বকীয় বৈশিষ্ট্যপূৰ্ণ। চৰিত্ৰবোৰ স্বকীয় বৈশিষ্ট্যপূৰ্ণ এই কাৰণে যে কেতিয়াবা চৰিত্ৰবোৰ নিজে নিজৰ লগত বাক্যালাপত মগ্ন। কেতিয়াবা চেতনাৰ গভীৰতাত, কেতিয়াবা ভাবত বিভোৰ, কেতিয়াবা আত্ম বিশ্লেষণত ব্যস্ত। তদুপৰি চৰিত্ৰসমূহৰ নাম লোক স্থানীয় নামকৰণ কৰাৰ যি বৈশিষ্ট্য, সেই নামেৰে উপস্থাপন কৰাটো লক্ষণীয়। চৰিত্ৰানুগ সংলাপত সচৰাচৰ প্ৰথম পুৰুষ 'মই', 'মোৰ', 'মোক'ৰ ব্যৱহাৰ মনকৰিবলগীয়া।

শীলভদ্ৰৰ উপন্যাসৰ এটি উল্লেখনীয় দিশ হ'ল বৰ্ণনাৰীতি আৰু ভাষা। বৰ্ণনাৰীতি সহজ, গল্প কোৱাৰ সৰল পদ্ধতি, সংলাপৰ সংমিশ্ৰণ ৰূপ আৰু ক্ষুদ্ৰ ক্ষদ্ৰ ঘটনা বিন্যাসৰ স্বচ্ছতা ৰূপে বৰ্ণনাৰীতিৰ মাধুৰ্য্য বৃদ্ধি কৰিছে। তদুপৰি থলুৱা ভাষা ব্যৱহাৰৰ প্ৰত্যক্ষ আৰু পৰোক্ষ ৰীতিয়ে ভাষাক অধিক প্ৰাঞ্জল কৰি তুলিছে। সেয়ে বসন্ত কুমাৰ ভট্টাচাৰ্যই শীলভদ্ৰৰ বৰ্ণনাৰীতি আৰু ভাষা সম্পৰ্কত উল্লেখ কৰিছে —

*'শীলভদ্ৰৰ উপন্যাসৰ বৰ্ণনাৰীতিৰ বুদ্ধিদীপ্ততা, মিতব্যয়িতা, সংবেদনশীলতা আৰু চাৰুতা অবিস্মৰণীয়। তেখেতৰ ভাষা সহজ-সৰল, যদিও ঠায়ে ঠায়ে প্ৰতীকী ব্যঞ্জনা তথা ইংগিতধৰ্মিতা, চিত্ৰধৰ্মিতা, অৰ্থঘনতা আৰু কাব্যিকতাৰে মোহিনীয়।'* [৪৪]

শীলভদ্ৰ এজন আঞ্চলিক ভাবনাপূৰ্ণ লেখক। আঞ্চলিকতাৰ প্ৰলেপ প্ৰতিখন উপন্যাসতে কম-বেছি পৰিমাণে উপলব্ধ। শীলভদ্ৰৰ উপন্যাসত পৰিকল্পিত কোনো কাহিনী নাই যদিও সৰু সৰু ঘটনা সংযোজনাৰে সমগ্ৰ গৌৰীপুৰ অঞ্চলৰ এটি ৰূপৰেখা অংকন কৰিছে। বিশেষকৈ স্থান তথা অঞ্চল গৌৰীপুৰ তথা মধুপুৰক পটভূমি হিচাপে লৈ কাহিনী নিৰ্মাণ কৰি স্থান কেন্দ্ৰিক স্থানীয় চিত্ৰ চিত্ৰায়ণ আৰু উপস্থাপন ৰীতিৰ স্বকীয় শৈলীয়ে আঞ্চলিকতাৰ বৈশিষ্ট্য পৰিস্ফুটিত হৈ উঠিছে। য'ত পশ্চিম অসম তথা অবিভক্ত গোৱালপাৰা জিলা কেন্দ্ৰিক জন-জীৱনৰ নিখুঁত বৰ্ণনা স্থান পাইছে।

শেষত ক'ব পাৰি শীলভদ্ৰৰ উপন্যাসত প্ৰকৃতি আৰু মানুহৰ সম্পৰ্ক নিবিড়। চৰিত্ৰ চিত্ৰণত নিম্ন মধ্যবিত্ত শ্ৰেণী আৰু অভিজাত শ্ৰেণীৰ অবিকল ৰূপ অংকন কৰি স্থানীয় ৰং স্পষ্টভাৱে ফুটাই তুলিছে। স্থানীয় বৈশিষ্ট্যৰ মাজেৰে মানুহৰ আচাৰ-আচৰণ, লোক-বিশ্বাস,

সংস্কাৰ, পূজা-পাৰ্বন, ভাষা আদি উপস্থাপনত স্থানীয় ৰং অধিক প্ৰকট হৈ উঠিছে। কথা কোৱাৰ ধৰণ, উচ্চাৰণগত ভংগীমা, শাৰীৰিক গঠন, খাদ্য খোৱাৰ কৌশল, অভিজাত শ্ৰেণীৰ ধমকি, ভয়ত পেপুৱা লগা আদি উপস্থাপনে আঞ্চলিকতাৰ প্ৰভাৱ বিশেষভাৱে পৰিস্ফুটিত। আঞ্চলিক উপন্যাসৰ বৈশিষ্ট্যগত বিষয় শীলভদ্ৰৰ প্ৰায়বোৰ উপন্যাসতে প্ৰতিফলিত হৈছে, সেয়ে শীলভদ্ৰ ৰচিত আঠখন উপন্যাসৰ ভিতৰত 'মধুপুৰ', 'আহঁতগুৰি', 'আগমনীৰ ঘাট', 'অবিচ্ছিন্ন', 'প্ৰাচীৰ' উপন্যাস কেইখনক নিঃসন্দেহে আঞ্চলিক উপন্যাস বুলি ক'ব পাৰি। ই এক নতুন ধাৰা যিয়ে অসমীয়া উপন্যাস সাহিত্যৰ ভৰাঁল সমৃদ্ধ কৰাৰ লগতে পাঠকবৰ্গক বিমুগ্ধ কৰি তুলিছে। তাতেই কথাশিল্পী শীলভদ্ৰৰ সৃষ্টিশীলতাৰ সাৰ্থকতা উপলব্ধ।

## প্ৰসংগটোকা ঃ

১) শ্ৰী শ্ৰী কুমাৰ বন্দ্যোপাধ্যায়, বংগ সাহিত্যে উপন্যাসেৰ ধাৰা, পৃ.- ৩

২) M.H. Abrams, A Glossary of Literary Terms, পৃ.- ১১০

৩) প্ৰহ্লাদ কুমাৰ বৰুৱা, উপন্যাস, পৃ.-৫

৪) E. M. Foster, An Aspect of Novel, পৃ.- ৩৯

৫) দেবীপদ ভট্টাচাৰ্য, উপন্যাসেৰ কথা, পৃ.-২৩

৬) শুভঙ্কৰ ঘোষ, সাহিত্যেৰ ৰূপভেদ, পৃ.-৭৩

৭) সত্যেন্দ্ৰনাথ শৰ্মা, অসমীয়া উপন্যাসৰ গতিধাৰা, পৃ.-২৪৪

৮) শ্ৰী শ্ৰী কুমাৰ বন্দ্যোপাধ্যায়, বংগ সাহিত্যে উপন্যাসেৰ ধাৰা, পৃ- ৪১১

৯) Umesh Deka, Past War Assamese Novel, পৃ.- ৬৯

১০) M.H. Abrams, A Glossary of Literary Terms, পৃ.-১১৩

১১) সৰোজ কাকতি, ‘অসমীয়া আঞ্চলিক উপন্যাস’, এশ বছৰৰ অসমীয়া উপন্যাস, নগেন ঠাকুৰ (সম্পা.), পৃ.-২৩২

১২) প্ৰফুল্ল কটকী, সাহিত্য আৰু সংজ্ঞা, পৃ.-৪৫

১৩) দিলীপ বৰা, ‘এশ বছৰৰ অসমীয়া উপন্যাসত জনজাতীয় জীৱনৰ প্ৰতিফলন’, এশ বছৰৰ অসমীয়া উপন্যাস, নগেন ঠাকুৰ (সম্পা.), পৃ.-১২২

১৪) সত্যেন্দ্ৰনাথ শৰ্মা, অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত, পৃ.-৪৪৪

১৫) সত্যেন্দ্ৰনাথ শৰ্মা, অসমীয়া উপন্যাসৰ গতিধাৰা, পৃ.-২৪৫

১৬) উল্লিখিত, পৃ.-২৪৫

১৭) উল্লিখিত, পৃ.-২৪৪-২৪৫

১৮) মাইনী চমুৱা,“ঔপন্যাসিক শীলভদ্ৰ ঃ সমাজ জীৱনৰ ৰূপকাৰ”, গৰীয়সী, লক্ষ্মীনন্দন বৰা (সম্পা.), পৃ. -৪৪

১৯) শীলভদ্ৰ, [ছ. না.] শীলভদ্ৰৰ উপন্যাস সমগ্ৰ, পৃ. -১৬৫

২০) উল্লিখিত, পৃ. -১৬৩

২১) উল্লিখিত, পৃ. -১৬৭

২২) উল্লিখিত, পৃ. -১১

২৩) উল্লিখিত, পৃ. -২৬

২৪) উল্লিখিত, পৃ. -১০

২৫) উল্লিখিত, পৃ. -৪৬

২৬) উল্লিখিত, পৃ. -৪৬

২৭) উল্লিখিত, পৃ. -৩১

২৮) উল্লিখিত, পৃ. -২৭৮

২৯) উল্লিখিত, পৃ. -২৮৫

৩০) উল্লিখিত, পৃ. -২৮১

৩১) উল্লিখিত, পৃ. -১৮০

৩২) উল্লিখিত, পৃ. -২২২

৩৩) উল্লিখিত, পৃ. -২২৩

৩৪) উল্লিখিত, পৃ. -২৬৫

৩৫) উল্লিখিত, পৃ. -২৫৫

৩৬) গোৱিন্দ প্ৰসাদ শৰ্মা, উপন্যাস আৰু অসমীয়া উপন্যাস, পৃ. -১৯৬

৩৭) পূৰ্বোল্লিখিত, পৃ. -১৪৭

৩৮) উল্লিখিত, পৃ. -৯৭৩৮) উল্লিখিত, পৃ. -৯৭

৩৯) বসন্ত কুমাৰ ভট্টাচাৰ্য, “শীলভদ্ৰৰ উপন্যাস” এশ বছৰৰ অসমীয়া উপন্যাস, নগেন ঠাকুৰ (সম্পা.), পৃ. -৫৯১

৪০) পূৰ্বোল্লিখিত, পৃ. -৩০২

৪১) উল্লিখিত, পৃ. -৩৩২

৪২) উল্লিখিত, পৃ. -৩৩৮

৪৩) উল্লিখিত, পৃ. -৩৪৫

৪৪) বসন্ত কুমাৰ ভট্টাচাৰ্য, “শীলভদ্ৰৰ উপন্যাস” এশ বছৰৰ অসমীয়া উপন্যাস, নগেন ঠাকুৰ (সম্পা.), পৃ. -৫৯১